DP859

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE THIRTEENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## SPECIAL SESSION

**No. 1**

**The17th October 2011**
**Price Rs. 28/-**

NOT FOR ISSUE
LIBRARY

# CONTENTS

## SPECIAL SESSION

## NO. 1.

### Dated, the 17th October , 2011


| | | |
|---|---|---|
| 1. | Report of the Business Advisory committee | 1 |
| 2. | Panel of Chairmen | 4 |
| 3. | Discussion on India Bangladesh Border Issue. | 5 |
| 4. | Miscelleneous | 13 |
| 5. | Discussion on India Bangladesh Border Issue | 13 |
| 6. | Laying of Notification | 72 |
| 7. | Obituary References | 72 |
| 8. | Adjournment | 86 |

## MONDAY, THE 17TH OCTOBER, 2011

**The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur With Shri Pranab Gogoi, Speaker in the Chair.**

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

**মাননীয় অধ্যক্ষঃ** কাৰ্য্যসূচী নং -১। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক মোৰ চৰকাৰী কাৰ্য্যালয়ৰ সভা কক্ষত যোৱা ২৯ চেপ্তেম্বৰ,২০১১ তাৰিখে দিনৰ ১১-৩০ বজাত অনুষ্ঠিত কৰা হয়। আৰু উক্ত বৈঠকত আজি অৰ্থাৎ ১৭ অক্টোবৰ, ২০১১ তাৰিখত অনুষ্ঠিত কৰা অসম বিধান সভাৰ এদিনীয়া বিশেষ অধিবেশনৰ দিনপঞ্জীখন চুড়ান্ত কৰা হয়। বৈঠকত মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী নীলমণি সেন ডেকা, মাননীয় পৰিকল্পনা আৰু উন্নয়ণ মন্ত্ৰী শ্ৰীটংক বাহাদুৰ ৰাই, মাননীয় বিধায়ক ডাঃ ভুমিধৰ বৰ্মন,শ্ৰীশৰৎ বৰকটকী,

শ্ৰীমতী অমিয়া গগৈ, শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, শ্ৰী মনেশ্বৰ ব্ৰহ্ম আৰু মওলানা আতাউৰ ৰহমান মাঝাৰ ভূইয়া উপস্থিত থাকে।

বৈঠকত খছৰা দিনপঞ্জীখনত অন্তৰ্ভুক্ত কৰা দিনটোৰ কাৰ্য্যসূচীৰ ওপৰত পুঙ্খানুপুঙ্খ ভাবে আলোচনা কৰা হয়। আলোচনা কালত চৰকাৰৰ ফালৰ পৰা পোৱা অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৩০ (ক)ৰ অধীনত অসম বাংলাদেশ সীমা সম্পৰ্কত সদনত আলোচনাৰ্থে বিশেষ প্ৰস্তাৱৰ এখন জাননীৰ ওপৰত আলোচনা কৰা হয় আৰু সমিতিয়ে মত প্ৰকাশ কৰে যে ভাৰত বাংলাদেশৰ মাজত হোৱা চুক্তিৰ ওপৰত আলোচনা কৰিব পৰা নহব, কেৱল অসম বাংলাদেশ সীমা সম্পৰ্কতহে আলোচনা কৰা হব। উক্ত বিষয়টোৰ বাদে সদনত অন্য কোনো কাৰ্য্যসূচী অন্তৰ্ভুক্ত নকৰাৰ বাবে সমিতিয়ে সন্মতি জনায়।

বৈঠকৰ অন্তত সৰ্বসন্মতি ক্ৰমে সমিতিয়ে সিদ্ধান্তগ্ৰহণ কৰে যে অসম বিধান সভাৰ এদিনীয়া বিশেষ অধিবেশনত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৩০(ক) অনুযায়ী ভাৰত-বাংলাদেশ সীমা সম্পৰ্কত আলোচনা কৰা হব আৰু এই আলোচনাৰ অন্তত কোনো ধৰণৰ ভোটদান প্ৰক্ৰিয়া বা বিষয়টোৰ গ্ৰহণ যোগ্যতা বা অগ্ৰাহ্য কৰাৰ সুবিধা নাথাকিব। এই বিষয়টোৰ ওপৰত আলোচনাৰ বাবে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে বিষয়টো সদনত উৎথাপন কৰিব আৰু সকলো ৰাজনৈতিক দল-গোটৰ মাননীয় সদস্য-সদস্যাই নিৰ্দ্ধাৰিত সময়সূচী মতে

আলোচনাত ভাগ লব পাৰিব। আলোচনাৰ অন্তত চৰকাৰী পক্ষৰ পৰা উত্তৰ দান কৰিব।

সমিতিয়ে এই এদিনীয়া বিশেষ অধিবেশনৰ সদনৰ কাৰ্য্যসূচী পুৱা ৯-০০ বজাৰ পৰা ১-৩০ বজালৈ আৰু আবেলি ৩-৩০ বজাৰ পৰা ৫-৩০বজালৈ দুয়োবেলা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

তদুপৰি বৈঠকত সৰ্বসন্মতিক্ৰমে অসম-বাংলাদেশ সীমা সম্পৰ্কীয় বিষয়টো আলোচনাৰ বাবে বিভিন্ন দল-গোট সমূহৰ বিপৰীতে সময় এনেধৰণে নিৰ্দ্ধাৰণ কৰা হয় ঃ-

মুঠ সময়- ৬ঘন্টা ১৮ মিনিট

প্ৰতিগৰাকী সদস্যৰ বাবে ধাৰ্য্য কৰা সময় - ৩ মিনিট

১) ভাৰতীয় জাতীয় কংগ্ৰেছ —২৩৪ মিনিট (চৰকাৰৰ উত্তৰ সহ)

২) এ, আই ইউ ,ডি, এফ —৫৪ মিনিট

৩) বি,পি,এফ —৩৬ মিনিট

৪) অসম গণ পৰিষদ —৩০ মিনিট

৫) ভাৰতীয় জনতা পাৰ্টী —১৫মিনিট

৬) নিৰ্দ্দলীয় —৬ মিনিট

৭) তৃণমূল কংগ্ৰেছ —৩ মিনিট

বৈঠকত সমিতিয়ে সৰ্বসন্মতিক্ৰমে দেশ তথা ৰাজ্যখনলৈ ৰাজনৈতিক, সামাজিক, সাহিত্য আদি বিভিন্ন ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা খ্যাতনামা মৃত ব্যক্তি সকলৰ নাম মৃত্যু প্ৰসঙ্গত অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

ইতিমধ্যে আজিৰ বিশেষ অধিবেশনৰ দিনপঞ্জীখন সদনৰ মাননীয় সকলো সদস্য-সদস্যাৰ মাজত বিতৰণ কৰা হৈছে।

আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে।

## PANEL OF CHAIRMEN

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং -২ । অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৯ (১) নিয়মৰ অধীনত ত্ৰয়োদশ অসম বিধান সভাৰ ২০১১ চনৰ এদিনীয়া বিশেষ অধিবেশনখন পৰিচলনা কৰিবৰ বাবে নিম্নোক্ত মাননীয় সদস্য সকলক সভাপতি হিচাবে মনোনীত কৰা হ'ল।

১) শ্ৰীমেম্বৰ গগৈ।

২) শ্ৰী আব্দুল মুহিব মজুমদাৰ।

৩) শ্ৰী গোপীনাথ দাস।

৪) শ্ৰীকেশৱ মহন্ত।

# DISCUSSION ON INDIA BANGLADESH BORDER ISSUE

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচীনং ৩। মাননীয় মন্ত্ৰী, শ্ৰীনীলমণি সেন ডেকা।

* **শ্ৰীনীলমণি সেন ডেকা (সংসদী পৰিক্ৰমা মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিন ধৰি অসমৰ আকাশ বতাহ কপাই তুলিছে বিৰোধী পক্ষ আৰু কিছুমান সংগঠন আৰু দলে অসমৰ জনসাধাৰণক বিপথে পৰিচালনা কৰাৰ প্ৰয়াস কৰা দেখা গৈছে। অসমৰ মাটি বাংলা দেশক গতাই দিয়া বুলি অসমৰ জনসাধাৰণক বিপথে পৰিচালনা কৰিবলৈ অহৰহ প্ৰচেষ্টা এতিয়াও চলি আছে। এই বিষয়টোক লৈ ৰাজনৈতিক মুনাফা লাভৰ চেষ্টা চলোৱা দেখা গৈছে। বিৰোধী পক্ষই এই বিষয়টো বিধান সভাৰ মজিয়াত আলোচনা কৰিবলৈ বিশেষ অধিৱেশন আহ্বান কৰিবলৈ চৰকাৰক ও ৰাজ্যপালক দাবী জনাই আহিছে। বিৰোধী পক্ষৰ দাবীৰ প্ৰতি সহাৰি জনাই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আপোনাকো অনুৰোধ কৰিছে আৰু আপুনি ৰাজ্যপাল মহোদয়ক অনুৰোধ জনাইছে যাতে বিশেষ অধিৱেশন পাতি বিৰোধী পক্ষই অসমৰ জনসাধাৰণৰ মনত যি সংশয়ৰ ভাৱ জগাই তুলিছে তাক আলোচনাৰ মাজেদি নিৰাময় কৰিব পাৰি। সেয়েহে ৰাজ্যপাল মহোদয়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ ১৩০ ধাৰা অনুযায়ী আজিৰ এই বিশেষ অধিৱেশন আহ্বান কৰিছে। আজিৰ এই দিনতো আমি আটায়ে আলোচনা কৰি অসমৰ জনসাধাৰণৰ মাজত যি সংশয় সন্দেহ এইটো দূৰ কৰিব পৰা যাব। আমি সকলোৱে জানো ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ

---

* Speech not corrected

উপস্থিতিত ঢাকাত সেই দেশৰ প্ৰধান মন্ত্ৰীৰ লগত এটা আলোচনা হৈছিল। সেই আলোচনা মৰ্মে অসম কিমান লাভৱান হব এই বিষয়টো মুখ্যমন্ত্ৰী মহোদয়ে বিভিন্ন ফৰামত প্ৰেছ কনফাৰেন্স পাতি প্ৰকাশ কৰিছে। তথাপিও বিৰোধী পক্ষ বা অন্যান্য দল সংগঠনে এতিয়াও নেতিবাচক ভূমিকাই গ্ৰহণ কৰি আছে। অসমে বাংলা দেশৰ পৰা ১২৪০ একৰ মাটি লাভ কৰিবলৈ সমৰ্থ হৈছে। পূৰ্বৰ চৰকাৰৰ দিনত অসমে যি লোকচান কৰিছিল সেইটো এতিয়া লাভ কৰা হৈছে। তেওঁলোকৰ দিনতেই এই ভূমিৰ খেলি মেলিৰ সৃষ্টি কৰিছিল। অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টোত এটা অৰ্থনৈতিক দিশো জৰিত হৈ আছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে সংবাদ মেল যোগে অসমে ব্যৱসায় বানিজ্য কিমান লাভবান হব সেই কথাও দোহাৰি গৈছে। ইয়াৰ দ্বাৰা অসম বুলিয়ে নহয়, ওচৰ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ লগতো ব্যৱসায় বানিজ্য গঢ় লৈ উঠিব। অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো এঘাৰশ শতিকাত বখতিয়াৰ খিলঞ্জী অসমলৈ আহিছিল। তাহানিৰ দিনতেই শংকৰদেৱে ব্ৰহ্মপুত্ৰৰ মাজেৰে গৈ ঢাকাত শিক্ষা গ্ৰহণ কৰিছিল। সৌ সিদিনালৈকে ঢাকা অসমৰ এটা অবিচ্ছেদ্য অংগ আছিল। অসমৰ সকলোৱে গৈ ঢাকাত ইনঞ্জিনিয়াৰিং, মেডিকেল পঢ়িছিল। গতিকে অসমৰ লগত আগৰে পৰা এটা নিবিৰ সম্পৰ্ক আছে যাৰ ফলত স্থলপথ বা জল পথৰে হলেও অসমে চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ লগত সম্পৰ্ক গঢ়ি তুলিব পাৰে। ইয়াৰ ফলত অসম এখন কলোনিয়াল ৰাষ্ট্ৰ হিচাবে গঢ় লৈ উঠিব আৰু ভূটান, ম্যানমাৰৰ লগত বানিজ্যিক সম্পৰ্ক গঢ়ি উঠিব। অসমে বাংলা দেশৰ লগত পোনপতিয়া ভাৱে অৰ্থনৈতিক দিশত সম্পৰ্ক গঢ়ি

তুলিব পাৰিব। তৎস্বত্তেও বিৰোধী বা অন্যান্য দল সংগঠনে অসমৰ জনসাধাৰণৰ মনত অসমৰ মাটি বাংলা দেশত এৰি দিয়া বুলি খোকোজা লগাই দিছে। আমি ভাৱো এই যিটো আলোচনা ঢাকাত হ'ল তাৰ দ্বাৰা অসম এখন শক্তিশালী ৰাষ্ট্ৰ হিচাবে পৰিগণিত হ'ব। গতিকে আমি গতিশীল, স্মৃতিশীল আৰু গঠনমূলক আলোচনা কৰা দৰ্কাৰ। এই খিনিকে কৈ মই শেষ কৰিলো।

**Mr. Speaker:** Shri Sirazuddin Ajmal

* **Shri Sirajuddin Ajmal**- Respected Sir, at the outset let me appreciate this one day session on such a vital and important subject. As the Hon'ble Prime Minister along with the participation of our Hon'ble Chief Minister has already concluded the recent protocol treaty with Bangladesh and it is always said that it is Indo- Bangla border and not Assam Bangla border is a central subject.Notwithstanding the limitation imposed on discussion of the subject by law-Indira Mujib Treaty of friendship, co-operation and peace and the protocol Treaty being sacrosanct, we are not very clear as to the outcome of this important and serious discussion.

Nevertheless, we shall put forward opinions and suggestions of AIUDF party in the cause of

* Speech not corrected

healthy discussion and participation. To develop a healthy relationship with all our neighbours is highly essential for civilized society and specially with Bangladesh as various controversial issue like foreigners issue, the influx of Bangladeshis into India. Various people have made various statements at various time like one Hon'ble Ex-Governor said that 6000 people per day are entering into Assam from Bangladesh rendering allegedly most people in Assam as Bangladeshis.

Solution to every problem is the best way but we are unable to fathom why these efforts of sending Ministers/ MLAs and Opposition Leaders to the border areas now. The fate of the Indo-Bangla boarder has already been sealed without even attempting to take the people of Assam into confidence.

All the same, keeping in mind the outcome of the discussion today, the AIUDF stand is clear . Sir, Till the last drop of blood in our body, we will oppose tooth and nail any attempt to deprive the people of Assam of even 1 sq. centimeter of their legitimate right and the AIUDF party is ever duty bound in this regard."

Today's one day discussion is like the proverbial Assamese saying- "SUR GOLE BUDDHI, ARU BOROKHUN GOLE JAPI."

The sovereignty and integrity of a country is reflected in its border and to compromise with the sovereignty is a direct reflection of the weakness of the rulers. We have a strong democratically elected Government but we can-not find any reason why we should compromise on our borders. This is a question raised by all the people of Assam. Why our Hon'ble Chief Minister could not take a leaf out of wisdom of Chief Minister of West Bengal who refused to attend the protocol treaty meeting?

As far as we know, border is a Central Government subject. But at the same time, we believe peoples interest should be paramount and should not be compromised and all rules and laws are made to protect the rights and interest of the people. Why the people's opinion were not sought before taking such an important decision which has historical ramification? It should have been discussed in both the Assembly and in the Parliament prior to the treaty.

Your Government is in power for last eleven

years and fortunately or unfortunately we have been sharing the House with you all for last more than 5 years. And in these 5 years we see a lot of unilateral anti people decisions taken by your Government which are detrimental to the welfare of the general public and there has never been any accountability of the consequences of such decisions.

Respected Sir, we on behalf of AIUDF would like to bring on record two very important relevant facts which may in future necessitate such one day session after occurrence of historical blunders leading to catastrophic consequences. one, we wish to pre-empt the Government of Assam about various disputes of the borders of neighbouring countries like Bhutan, Myanmar, not to speak of China and various neighbouring states like Meghalaya, Arunchal Pradesh, Nagaland, Manipur and Mizoram and their aggressive attitude from time to time which the Government of Assam has been neglecting from years.

Secondly, the recent inhuman killing of inocent farmers in Bechimari and at various times innocent farmers being massacared at Dispur, Barpeta, Goalpara etc. wherin at Bechimari people

were shot at point blank range after pulling them out from a house and the fact that farmers had to throw their produce on the roads like green tea leaves, jute and lacs of farmers being driven to desperate situation which may force them to commit suicide due to extremely low price of paddy and the inability of the state Government's reluctance to take any action on the guilty. The guilty officers till date sending a wave of fear among the common people coupled with the moribund situation of the State Human Rights Commission Office depriving aggrieved people of their basic human rights to complain of attrocities committed on them.

We demand one day extension of this Session to discuss above mentioned serious and sensitive subjects of the State.

* **শ্ৰীপ্ৰশান্ত ফুকন** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি এই এদিনীয়া বিধান সভাৰ হুলহুবলা কৰা হৈছে ভাৰত বাংলাদেশৰ সীমাৰ মাটি হস্তান্তৰ কৰা বিষয়টো আলোচনা কৰাৰ কাৰণে। আলোচনা উৎথাপন কৰি মই আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক কেইটামান প্ৰশ্ন কৰিব বিছাৰিছো। মাটিখিনি দিয়াৰ আগতে অসমৰ ৰাইজৰ লগত আলোচনা কৰা হৈছিল নে নাই, বিধান সভাৰ মজিয়াত

* Speech not corrected

বিষয়টো আলোচনা কৰা হৈছিল নে? এই প্ৰস্তাৱটো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰাৰ আগতে মুখ্যমন্ত্ৰী মহোদয়ে কাৰ লগত আলোচনা কৰিছিল, অসমে যদি প্ৰস্তাৱ দিছিল সেই প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে লোক সভাত আলোচনা কৰিছিল নে? ৬ চেপ্তেম্বৰত যিখন চুক্তি সম্পাদন কৰিলে সেই সম্পৰ্কে কিবা শ্বেতপত্ৰ প্ৰকাশ কৰিছে নেকি? যদি কৰা নাই কিয় কৰা নাই? এই কথাটোৰ কি সত্যসত্যতা আছে তাক শ্বেতপত্ৰ আকাৰে প্ৰকাশ কৰক। শ্বেতপত্ৰ প্ৰকাশ কৰা হলে ৰাইজ সন্তুষ্ট হ'ল হেতেন। সেইটো নকৰি বিধান সভাৰ অধিবেশন পাতিলে কি লাভ হ'ব? এতিয়া আমি এটা জীয়া গৰৈ মাছ পানীত এৰি দি বোৰতী নদীত জাকৈ খালৈ লৈ বিছাৰিলে কি হ'ব? চৰকাৰে কৈছে যে অসমৰ ৰাইজ লাভবান হ'ব। বিৰোধীয়ে কৈছে লাভবান হোৱা নাই কিন্তু ৭৮ জন বিধায়ক থকা কাৰণেই অসমৰ ৰাইজক চৰকাৰে গুৰুত্ব দিয়া নাই। যদি এইটোৱে সচা হয় চৰকাৰে এই কথাটো স্পষ্ট কৰক। চৰকাৰে মাটি দিয়া সংক্ৰান্তত কি নীতি কি ধৰণে গ্ৰহণ কৰিলে তাৰ বাবে শ্বেতপত্ৰ প্ৰকাশ কৰক আৰু বিধান সভাত স্পষ্ট কৰক। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে এক ইঞ্চি ও মাটি দিয়া নাই বুলি কৈছিল কিন্তু ভাৰত বাংলাদেশৰ সীমান্তত থকা চিৰজুল হকৰ যি ৭বিঘা মাটি যি মাটিৰ খাজনা আজিও অসমক দি আছে তেওঁ আজি কলৈ যাব? এই মাটিখিনি মুখ্য মন্ত্ৰীয়ে কোৱা এক ইঞ্চিৰ ভিতৰত নপৰে নেকি? অসমৰ ৰাইজে জানিবৰ কাৰণে এই কথাটো স্পষ্ট কৰিব লাগে। মাটিখিনি এৰি দিয়াৰ কথাটো লৈ অসমৰ জনসাধাৰণৰ লগত কেনে ধৰণৰ আলোচনা হৈছিল বা হোৱা

নাই এই কথাটো এটা স্পষ্টিকৰণ দিব বুলি আশা কৰিলো। অসমৰ মাটি বাংলাদেশক এৰি দিয়া হৈছে নে নাই আৰু এই ক্ষেত্ৰত চৰকাৰৰ স্পষ্ট নীতি কি সেইটো জনাব বুলি আশা কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

## MISCELLANEOUS

* **শ্ৰীআতাউৰ ৰহমান মাজাৰভুঞা ঃ-** অধ্যক্ষ মহোদয়, আমাৰ দলপতি ডাঙৰীয়াই বেচিমাৰীৰ ঘটনাটো আলোচনা কৰিবলৈ যি সময় বঢ়াই দিয়াৰ কথা কৈছে সেই সময় বঢ়াই দিয়া হব নেকি?

**মাননীয় অধ্যক্ষ ঃ-** সময়ৰ কথাটো আমি যোৱা কালি কাৰ্য্য উপদেষ্টা কমিটিতে সিদ্ধান্ত লৈছো আজি আৰু নতুনকৈ কৰিবলগীয়া নাই।

(ভইচ- বেচিমাৰিত যি চাৰিজনক চৰকাৰে গুলিয়াই হত্যা কৰিলে সেই বিষয়টো আলোচনা কৰিবলৈ সময় বঢ়াই দিয়া হব নে? এই বিষয়টো আলোচনা কৰিবই লাগিব)

(হুলস্থুল একো শুনা নাযায়)

## DISCUSSION ON INDIA BANGLADESH BORDER ISSUE

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীকমল সিং নাৰ্জাৰীয়ে কওঁক।

* **শ্ৰীকমল সিং নাৰ্জাৰি ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ যি বিলাক সীমান্তসমস্যা, বিশেষকৈ ভাৰত বাংলাদেশ সীমা

* Speech not corrected

সমস্যাৰ ওপৰত বিৰোধী দল বিলাকৰ ফালৰ পৰা যি বিলাক আপত্তি আহি আছে, অসমৰ ৰাইজ বিভ্রান্ত হৈছে বুলি কৈ আছে, এই বিষয় বিলাক আলোচনা কৰাৰ বাবে আজি এই বিশেষ অধিবেশন আহ্বান কৰাৰ বাবে অধ্যক্ষ মহোদয়ৰ লগতে আমাৰ মুখ্যমন্ত্রী মহোদয়কো মই ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, ১৯৭১ চনৰ ১৬ মে তাৰিখে যি ইন্দিৰা মুজিব চুক্তি হৈছিল, বাংলাদেশ আৰু ভাৰত চৰকাৰৰ মাজত যি চুক্তি হৈছিল, সেই চুক্তিত আমাৰ ভাৰত বৰ্ষৰ লগতে বাংলাদেশৰ আৰ্থসামাজিক, অৰ্থনৈতিক আৰু বানিজ্যিক সম্বন্ধ স্থাপন কৰি এটা সুন্দৰ পৰিবেশ সৃষ্টি কৰাৰ লগতে বানিজ্যিক আৰু অৰ্থনৈতিক উন্নয়ণৰ বাবে চুক্তি হৈছিল। সেই চুক্তি মতে ভাৰত আৰু বাংলাদেশৰ মাজত সীমা নিৰ্দ্ধাৰণ কৰি দিয়া হৈছিল। তাৰ পিচত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী বিতাৰণৰ আন্দোলন হ'ল আৰু অসমৰ প্ৰাক্তন মুখ্য মন্ত্রী, মাননীয় শ্রীপ্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ নেতৃত্বত আন্দোলনকাৰী আৰু ভাৰত চৰকাৰৰ মাজত অসম চুক্তি স্বাক্ষৰিত হ'ল । সেই চুক্তিমতে অসমৰ পৰা বিদেশী নাগৰিক বিতাৰণৰ লগতে, বাংলাদেশৰ পৰা ভাৰতলৈ প্ৰব্ৰজন ৰোধ কৰাৰ বাবে সীমান্তত কাইটীয়া তাৰৰ বেৰ নিৰ্ম্মাণ কৰাৰ সিদ্ধান্ত হ'ল। তাৰ পিচত বিভিন্ন আলোচনা বিলোচনাৰ পিচত ভাৰত বাংলাদেশ সীমান্তত কাইটীয়াতাৰৰ বেৰ দিয়াৰ কাম আৰম্ভ হ'ল। চুক্তিমতে '০' লাইন অৰ্থাৎ এল, অ, চিৰ পৰা ১৫০ গজ আতৰত ফেন্চিং দিয়াৰ সিদ্ধান্ত লৈছিল। ইয়াত আৰু এটা সিদ্ধান্ত যোগ দিয়া হৈছিল যে এই ফেনচিঙত কোনো ধৰণৰ গেপ ৰখা নহ'ব। পিচত দেখা গ'ল , এই কাইটীয়া তাৰৰ বেৰা নিৰ্মাণৰ বাবে এন, পি,চি, চি, আৰু এল, বি, চি, চি, যি দুটা কোম্পানীক দায়িত্ব

দিয়া হৈছিল, তেওঁলোকে ১৫০ গজ আতৰত নিদি কৰবাত ১৫০০, কৰবাত ১৭০০ গজ, কৰবাত ২০০ গজ বাংলাদেশৰ ফালে মাটি এৰি দি কাইটিয়া তাৰৰ বেৰ দিয়া দেখা গ'ল। ভাৰতৰ মাটি বাংলাদেশত এৰি দিয়া হ'ল। সেই সময়ত কেন্দ্ৰৰ শাসনত থকা লোক সকলে কিয় বাংলাদেশৰ লগত আলোচনা নকৰিলে। মই এ, জি, পি দলক সমালোচনা কৰিবলৈ যোৱা নাই, সেই সময়ত অসমত প্ৰফুল্ল মহন্তৰ চৰকাৰ আছিল আৰু কেন্দ্ৰত বি, জে, পিৰ নেতৃত্বত এন, ডি, এ চৰকাৰ আছিল। সেই সময়ত এন, পি, চি, চি আৰু এন, বি,চি,চি নামৰ কোম্পানী দুটাই কৰবাত ১৫০০গজ কৰবাত ১৮০০ গজ মাটি বাংলাদেশক এৰি দি কাইটীয়া তাৰৰ বেৰা দিলে। অসমৰ জনসাধাৰণক আন্ধাৰত ৰাখি কিয় এনেদৰে ফেন্সিং দিয়া হ'ল, মই এটা প্ৰশ্ন সুধিছো? মই আশা ৰাখিছো আমাৰ প্ৰফুল্ল মহন্ত ডাঙৰীয়াৰ পৰা মই এটা উত্তৰ পাম। সেই সময়ত কেন্দ্ৰত যি চৰকাৰ আছিল, অসমৰ যি চৰকাৰ আছিল, তেওলোকৰ অসমৰ জনসাধাৰণৰ প্ৰতি কোনো দায়বদ্ধতা নাছিল নেকি? মই আশা কৰিছো, আমাৰ যি আন্তৰাষ্ট্ৰীয় সীমা আছে চীনৰ লগত আৰু চীন আৰু ভাৰতৰ মাজত যি সু-সম্পৰ্ক বছৰ বছৰ ধৰি সুন্দৰ কৈ চলি আহিছে, সেই দৰে বাংলাদেশৰ লগত এটা সৌহাদ্যপূৰ্ণ পৰিবেশ গঢ়াৰ বাবে, ভাৰত বাংলাদেশ আন্তৰাষ্ট্ৰীয় সমস্যা সমাধানৰ বাবে চৰকাৰে চেষ্টা কৰিছে। যোৱা ৬ চেপ্তেম্বৰ ২০১১ তাৰিখে ভাৰত চৰকাৰ আৰু বাংলাদেশ চৰকাৰৰ মাজত যি চুক্তি হ'ল সেই চুক্তিৰ দ্বাৰা কাইটীয়া তাৰৰ বেৰা দিওঁতে যিখিনি মাটি বাংলাদেশক এৰি দিয়া হৈছিল সেই মাটি খিনি ঘুৰাই অনাৰ ব্যৱস্থা কৰা হৈছে। এইটো এটা ভাৰত আৰু বাংলাদেশ চৰকাৰে যুটীয়া ভাবে এটা ৰিপোৰ্ট তৈয়াৰ কৰিছিলে (সেদনত ৰিপোৰ্ট এটা দেখুৱাই) সেই সময়ত বাংলাদেশৰ ডি, চি আৰু ভাৰতৰ ডি,চি য়ে

যুটীয়া ভাবে স্পষ্ট ভেৰিফিকেশ্যণ কৰি ৰিপোৰ্ট দিছিলে, কোনো অঞ্চলত ১১০০ মিটাৰ, ১২০০ মিটাৰ ৯০ মিটাৰ মাটি এৰি দিয়া হৈছে। আৰু যি ফেনচিং দিয়া হৈছে তাত কিছুমান গেট ৰখা হৈছে, সেই ফালেদি বাংলাদেশৰ মানুহ আহি খেতি বাতি কৰে। যোৱা ৬ চেপ্তেম্বৰৰ চুক্তিত সেই গেট বিলাক বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই চুক্তি মতে আমি আমাৰ মাটি ঘুৰাই পাম। বড়াইবাৰী অঞ্চলত আমাৰ অলপ মাটি এৰি দিয়া হৈছে আৰু ইয়াৰ দ্বাৰা বাংলাদেশৰ লগত থকা এটা দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধান কৰিব বিচৰা হৈছে। মই আশা ৰাখিছো, আমাৰ মাননীয় সদস্য সকলে এই সীমা সমস্যা সম্পৰ্কত তেখেত সকলৰ নিজা নিজা বক্তব্য ৰাখিব আৰু এই সম্পৰ্কত অসমৰ জনসাধাৰণৰ মনত থকা বিভ্ৰান্তি দূৰ হ'ব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীৰাণা গোস্বামী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০১১চনৰ ৬ চেপ্তেম্বৰ তাৰিখে আমাৰ ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী ডঃমনমোহন সিং ডাঙৰীয়া আৰু বাংলাদেশৰ প্ৰধান মন্ত্ৰী মাননীয়া শ্বেখ হাচিনাৰ মাজত যি প্ৰটকল জনিত আলোচনা হল সেই ক্ষেত্ৰত আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী, শ্ৰী নীলমণি সেন ডেকা ডাঙৰীয়াই আমাৰ জনমতৰ প্ৰতি লক্ষ্য ৰাখি সেই বিষয়ে আলোচনা কৰিবৰ বাবে আজিৰ এই বিশেষ অধিবেশন আহ্বান কৰাৰ কাৰণে ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই বিশেষ অধিবেশনখন ভাৰত বাংলাদেশৰ সীমাসম্পৰ্কীয় আলোচনা কৰাৰ বাবে আহ্বান কৰা হৈছে। আজি এই গুৰুত্ব পূৰ্ণ আলোচনা সংবিধানৰ নিয়মাৱলী অনুযায়ী হৈছে। ভাৰত বাংলা দেশ সীমা

*Speech not corrected

সম্পৰ্কীয় বিবাদ আজিৰ বিবাদ নহয়, ই অতি পুৰণি বিবাদ। আজি আমি অসম খনক ৰক্ষনাবেক্ষন দিব লাগিব। এই বিবাদ মান অঞ্চলটোৰ এটা স্থায়ী সমাধানৰ বাবে আলোচনা কৰিব লাগিব। এই আলোচনা বহু দিনৰ আগতে শেষ হব লাগিছিল। আজিলৈকে ইয়াৰ স্থায়ী সমাধান নোহোৱা কাৰণ কি? আমাৰ ভাই-ককাইৰ ভিতৰত যেতিয়া সীমা সম্পৰ্কীয় কাজিয়া হয় সেই কাজিয়া খনে পিছত কি ৰূপ লয়। সমস্যা সমাধান কৰাত অতি জটিল ৰূপ ধাৰণ কৰে। আজি আমি দেখা পাইছো যে বিভিন্ন ৰাজনৈতিক দল আৰু সংগঠনে এই সমস্যাটোক লৈ নানা ধৰণৰ ইচ্ছুৰ সৃষ্টি কৰিছে আৰু ইয়াৰ পৰা মুনাফা লাভ কৰি আছে।

মাননীয় অধ্যক্ষ মহোদয়, বাংলাদেশৰ সীমা সমস্যা বা বাংলাদেশী সমস্যাক লৈ এসময়ত এক আন্দোলন গঢ়ি উঠিছিল। এই আন্দোলনৰ ক্ষেত্ৰত এসময়ত মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই ৮০দশকত ভাৰত চৰকাৰৰ লগত আলোচনা কৰিছিল। তেতিয়া ১৯৭১ চনক বেচ হিচাবে লৈ বাংলাদেশী বিতাৰণ কৰিব লাগিছিল। কিন্তু আমি কি দেখা পালো আজিলৈকে এই বিবাদ বিবাদ হৈয়ে থাকিল। এইয়া কি ৰাজনৈতিক গোপন ষড়যন্ত্ৰ? আজিলৈকে কোনো সমাধান নোলাল। তেওলোকে ইয়াৰ দ্বাৰা কি প্ৰতিপন্ন কৰিলে। অসমক কলংকিতহে কৰিলে। সেই সময়ত সীমাৰ সমস্যা সমস্যা হৈ থাকিল তাক সমাধান কৰিব নোৱাৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত এই সীমা সমস্যাটো সমাধান কৰিব নোৱাৰাৰ কাৰণে আমাৰ চুবুৰীয়া ৰাজ্যৰ লগত ই এক সমস্যা হৈ থাকিল। আজিও বহু ঠাইত আমাৰ সীমা মুক্ত অৱস্থাত আছে। এই সমস্যা বিলাক ১৯৪৭ চনৰ পৰাই হৈ আছে। ই এতিয়াও জলন্তসমস্যা। ১৯৪৭ চনত ভাৰত স্বাধীন

হোৱাৰ সময়ত তেতিয়াৰ পূৱ পাকিস্থান পাকিস্থানৰ অধীনত আছিল। স্বাধীন বাংলাদেশৰ সময়ত ইন্দিৰা-মুজিব চুক্তিৰ সময়তো এই সমস্যা হৈয়ে থাকিল তাৰ সমাধান নহল। সীমান্ত অঞ্চলত জিলা উপায়ুক্তৰ পৰ্য্যায়ত এই আলোচনা হৈছিল। বাংলা দেশৰ মৌলবী বজাৰ জিলা আমাৰ অসমৰ তেতিয়াৰ গোৱালপাৰা জিলা আৰু বৃহত্তৰ কাছাৰ জিলাৰ উপায়ুক্ত সকলৰ লগত আলোচনা হৈছিল যদিও সমাধান হোৱা নাছিল। এই সীমা সম্পৰ্কীয় সমস্যা সমাধানৰ কাৰণে ভাৰত চৰকাৰ আৰু বাংলাদেশ চৰকাৰৰ মাজত জইন্ট বাউণ্ডেৰী ওৱৰ্কিং গ্ৰুপ গঠন কৰা হ'ল। ১০/১১/২০১০ চনত এই জইন্ট বাউণ্ডেৰী ওৱৰ্কিং গ্ৰুপৰ আলোচনাও হৈছিল। এই কমিটিখনত আমাৰ অসমৰ মুখ্য সচিব সদস্য আছিল। তেওঁলোকৰ আলোচনা বিলোচনা মতে দুয়োখন দেশে এক যুটিয়া পৰিদৰ্শণ কৰাৰ কথা। জইন্ট বাউণ্ডেৰী ওৱকিং গ্ৰুপৰ ৰিপোৰ্ট মতে আমাৰ দুয়ো দেশৰ আলোচনা আৰম্ভ হয়। এই আলোচনা কি ধৰণে হৈছিল মই সেই বিষয়ে আজি আলোচনা কৰিবলৈ বিচাৰিছো।

অধ্যক্ষ মহোদয়, আজি বৰাইবাৰীৰ বিষয়ে যিটো কথা কোৱা হৈছে আচলতে অধ্যক্ষ মহোদয়, এটা সময়ত তাৰ নাম আছিল ঠাকুৰণবাৰী। এই অঞ্চলটো ১৯৪৭ চনৰ পৰাই বিবাদমান অঞ্চল হিচাপে পৰিগণিত হৈ আহিছে। আমি জানো সেই অঞ্চলটো ভাৰতবৰ্ষৰ মাটি অসমৰ সীমাত আছিল। কিন্তু ভাৰত পাকিস্থানৰ বিভাজনৰ পিচত পাকিস্থানলৈ গ'ল। ১৯৫১ চনত সেই সময়ত জমিদাৰী প্ৰথাৰ প্ৰচলন আছিল। সেই সময়ত সেই প্ৰথা বাংলাদেশত, পাকিস্থানত আৰু আমাৰ ভাৰতবৰ্ষটো আছিল। কিন্তু ১৯৫১ চনত ভাৰত চৰকাৰৰ অধীনত অসম চৰকাৰে জমিদাৰী

প্ৰথাৰ নাইকীয়া কৰি চেটেলমেন্ট হব লাগে বুলি সিদ্ধান্ত ললে। ১৯৫৬ চনৰ পৰা ১৯৬২ চনৰ ভিতৰত গোৱালপাৰাৰ উপায়ুক্তৰ অধীনত চেটেলমেন্ট অপাৰেশ্যন বাদ দি সেই অঞ্চল চৰকাৰী জমি হিচাপে ৰাখিলে। ১৯৯৬ চনৰ পৰা ২০০০ চনলৈ প্ৰফুল্ল কুমাৰ মহন্ত মুখ্য মন্ত্ৰী আছিল। তাৰো আগত ১৯৮৬ চনত প্ৰফুল্ল মহন্ত যেতিয়া মুখ্য মন্ত্ৰী আছিল তেতিয়া জয় নাথ শৰ্ম্মা ৰাজহ মন্ত্ৰী আছিল। তেতিয়া সেই অঞ্চল চিঙ্গল ফেঞ্চিং দিয়াৰ কথাটো ৰাজহ মন্ত্ৰীয়ে মানি ললে। কিন্তু ডুমাবাৰী অঞ্চলৰ ৮০৪ একৰ মাটি ডিমাৰ্কেশ্যন হোৱা নাছিল। ৪০৮ একৰ মাটিৰ পৰা ৪১৪ একৰ মাটি ভাৰতবৰ্ষলৈ অনাটো সম্ভৱ হ'ল। ৩ কিঃ মিঃ বিবাদমান এৰিয়াত চিঙ্গল ফেঞ্চিং দিবলৈ সক্ষম হ'ল। ৩৬০ একৰ মাটিত জে, বি, ভবিবলঘ জি বাংলাদেশৰ অধীনত আছিল। ৩৬০ একৰ মাটিৰ পৰা ৭৪'৫৫ একৰ মাটি ডঃ মনোমোহন সিংৰ নেতৃত্বত হোৱা আলোচনা মৰ্ম্মে মাটিখিনি বাংলাদেশক দি সেইখিনি মাটি ভাৰত বৰ্ষলৈ ঘুৰাই আনিব পৰা হ'ল। গতিকে ইয়াৰ পৰা দেখা গ'ল বাংলাদেশৰ তুলনাত আমি লাভবান হে হৈছো।

অধ্যক্ষ মহোদয়, এই যিটো চুক্তি স্বাক্ষৰিত কৰা হ'ল তাৰ দ্বাৰাই সম্পূৰ্ণভাৱে সীমা সমস্যা সমাধান নহয়। কিয়নো বেহা বেপাৰ বানিজ্য আদিৰ জৰিয়তেহে দুয়োখন দেশৰ মাজত বন্ধুত্বৰ সৃষ্টি হয় আৰু তাৰ জৰিয়তেহে উভয় দেশৰ মাজত শান্তি প্ৰতিষ্ঠা হব। সেই সকলোখিনি কথা চালিজাৰি চাইহে মাননীয় প্ৰধান মন্ত্ৰী আৰু মুখ্য মন্ত্ৰীৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰিত কৰা হৈছে। যাৰ জৰিয়তে এটা স্থায়ী সমাধান হৈছে। মোৰ বোধেৰে এই চুক্তি যুক্তি সঙ্গত হৈছে আৰু বাংলাদেশৰ নাগৰিকে আমাৰ দেশত অনুপ্ৰবেশ কৰোৱাৰ কোনো সুযোগ নাথাকিব। যিসকল ৰাজনীতিকে

এতিয়া ইয়াৰে প্ৰতিবাদ কৰিছে, আন্দোলন কৰিছে সেই সকলে এই সমস্যাটোৰ স্থায়ী সমাধান নিবিচাৰে মযো নিবিচাৰো যে মোৰ দেশৰ মাটি বাংলাদেশে পাওক আৰু আমাৰ ভৱিষ্যত প্ৰজন্মই অনিশ্চিত আশংকাত থাকক। সেই কাৰণে অধ্যক্ষ মহোদয়, এই সমস্যাৰ স্থায়ী ভাৱে সমাধান হোৱাত মই অত্যন্ত সুখ অনুভৱ কৰিছো। সেই কাৰণে মই মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ লগতে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক অন্তৰিক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

* **শ্ৰীফণী ভূষণ চৌধুৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে এই বিশেষ অধিবেশনত অংশ গ্ৰহণ কৰিবলৈ পাই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মই আমাৰ ফালৰ পৰা বিধান সভাৰ মজিয়াত কিছু প্ৰস্তাৱ উৎথাপন কৰিবলৈ বিচাৰিছো।

অধ্যক্ষ মহোদয়, ভাৰত বাংলাদেশ সীমান্তৰ যিটো অংশ অসমত পৰিছে সেইটো হৈছে ২৬৩ কিঃ মিঃ তাৰে ১৩৪ কিঃ মিঃ ধুবুৰীত, ৯৪ কিঃ মিঃ কাছাৰত পৰিছে। ৰিভাৰ বৰ্ডাৰ ৬৫ কিঃ মিঃ। ১৯৭০ চনৰ আগতে এই সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল। যোৱা ৬ তাৰিখে ভাৰত- বাংলাদেশ সীমা সম্পৰ্কত ডঃ মনমোহন সিং আৰু মুখ্যমন্ত্ৰীৰ নেতৃত্বত পুনৰ চুক্তি কৰা হ'ল। এই চুক্তিমতে আমাৰ ৰাজ্যখনে ঘূৰাই পালে ৭১৪ কিঃ মিঃ আৰু বাংলাদেশে পালে ৯০ কিঃ মিঃ। এতিয়া এটা প্ৰশ্ন হৈছে সীমা নিৰ্দ্ধাৰণ নোহোৱা এলেকাৰ মাটিখিনি কাৰ আছিল। বাংলাদেশে কব নোৱাৰে যে তেওঁলোকৰ বুলি। ........................(সদনত গণ্ডগোল)..........................

**মাননীয় অধ্যক্ষ ঃ-** মই সদনৰ আৰম্ভণীতে কৈছিলো যে সদনৰ কাম কাজখিনি সুচাৰুৰূপে পৰিচালিত হওক। দেখা গৈছে যে আপোনালোকে ওপৰাউপৰিকৈ কোৱাৰ ফলত সদনত গণ্ডগোলৰ

সৃষ্টি হৈছে। যাৰ বাবে মই দুঃখিত। আশা কৰিছো সদনৰ বাকীখিনি কাম সুচাৰুৰূপে পৰিচালিত হ'ব। আপুনি কওক।

* শ্ৰীফণী ভূষণ চৌধুৰী ঃ- অধ্যক্ষ মহোদয়, প্ৰকৃতাৰ্থত অসমৰ জনসাধাৰণে উপলব্ধি কৰিব মই কোৱা কথাখিনি। সত্যতা কিমান আছে। ৮.০৪ কিঃ মিঃ মাটিৰ সীমা নিৰ্দ্ধাৰণ কৰা নাছিল। সেই মাটি প্ৰকৃততে কাৰ অধীনত আছিল, যদি ভাৰতবৰ্ষৰ আছিল ৯০ কিঃ মিঃ ভাৰতে হেৰুৱালে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৭০ চনৰ আগতে ভাৰত বংলাদেশ অসমৰ মাটি ৩৫৫ কিলোমিটাৰলৈকে সীমা নিদ্ধাৰণ কৰা হৈছে। আমাৰ ভাৰতবৰ্ষৰ মাটি নিৰ্দ্ধাৰণ হৈয়ে আছে। এই যে বাংলাদেশক দিয়া ৩০০ একৰ মাটি আমাৰ বৰ্ডাৰ পিলাৰৰ ভিতৰৰ মাটি নে বাহিৰৰ মাটি। বৰ্ডাৰৰ বাহিৰৰ মাটি যদি হয় বাংলা দেশৰ মাটি বাংলাদেশে পালে। অসমৰ মাটি অসমত আছে নে নাই আমি চাব লাগিব। ভূমিলেখ্য সঞ্চালকৰ চিঠিত উল্লেখ আছে। এইখন আমাৰ চিঠি নহয়।

India has no adverse possession of Bangladesh land but Bangladesh has adverse possession of 189.6 acres in Dhubri, 95.8 acres in Karimgang district respectively as per the reports of the concerned District Authorities.

ইয়াত আমাৰ কবলগীয়া আছে। বৰৈবাৰীৰ মাটি ১৮৯.০৬ একৰ নে ১৯৩ একৰ কোনটো শুদ্ধ। ইয়াত ডি এল আৰৰ এটা ৰিপোৰ্ট

* Speech not corrected

আছে যে অসমৰ লগত থকা সীমা আৰু বাংলাদেশৰ সীমা ৪৯৯.৮০ একৰ। বৰৈবাৰী ১৮৯'০৬ একৰ মাটি আৰু ১৯৩ একৰ মাটি কোনটো শুদ্ধ। মাটিখিনি ফাৰ্দাৰ তদন্ত কৰিব লাগে বুলি ভূমিলেখ্য সঞ্চালকে জিলা উপায়ুক্তক ৰিপোৰ্ট দিছে। সীমা নিৰ্দ্ধাৰণত কিছু মাটি আমি পালো আৰু কিছু মাটি বাংলাদেশে পালে। বৰৈবাৰী, লাঠিটিলা, ডুমাবাৰী আমাৰ অসম বাংলাদেশৰ সীমাৰ মাটি। ত্ৰিপুৰা, মেঘালয় আৰু পশ্চিম বঙ্গক চাওঁ।

**Tripura, Meghalaya and West Bengal have adverse possession of Bangladesh land. Tripura has adverse possession of 139 acres. Meghalaya 240 acres and West Begal 2398.09 acres adversely in possission of Bangladesh land.....**

ত্ৰিপুৰা, মেঘালয়, ওৱেষ্টবেঙ্গলে মাটি অধিগ্ৰহনৰ জৰিয়তে তেওঁলোক লাভবান হৈছে। কিন্তু আমি এক ইঞ্চিও লাভৱান হোৱা নাই। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই সময়ে সময়ে বিবৃতি দিছে যে প্ৰয়োজন হলে অসমে বাংলাদেশক ভূমি এৰি দিব লাগিব। বিবাদমান এলেকা সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্তগ্ৰহণ কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সময়ে সময়ে কৈ আহিছে। ভাৰত বাংলাদেশ সীমা চুক্তি লৈ ৯ চেপ্তেম্বৰত অসমৰ ভূখন্ড এৰি দিয়া হৈছে। ৰাজ্য চৰকাৰে এৰা ধৰা মাজেদি কামটো কৰা হৈছে বুলি কৈছে।

কেন্দ্ৰীয় চৰকাৰে ফুল চাপৰ্ট আৰু কনকাৰেন্স পাইছে আমাৰ ষ্টেট গভৰ্ণমেন্টৰ পৰা। সেইকাৰণে আমাৰ অসমৰ মাটি বাংলাদেশক এৰি দিয়া হ'ল। এই বিষয়ে আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই আমাক জনোৱা নাই। এই বিষয়ে কেবিনেটৰ সিদ্ধান্ত

লৈছে নে নাই ? আৰু যদি কেবিনেটত সিদ্ধান্ত হোৱা নাই তেন্তে কেনেকৈ কনকাৰেন্স হ'ল । আমাৰ বিৰোধী পক্ষৰ আস্থা নাই বুলি কৈছে। অসমৰ জনসাধাৰণৰ চাপৰ্ট আছে বুলি কৈছে। অসমৰ কোন কোন মানুহৰ চাপৰ্ট আছে বুলি কৈছে। অসমৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কেবিনেটত বিষয়টো উত্থাপন কৰিছিল নে নাই বাংলাদেশক মাটি দিয়াৰ আগমুহুৰ্ত্তত ? অসমৰ স্বাৰ্থত ব্যৱসায়িক স্বাৰ্থত অসমৰ মাটি বাংলাদেশক এৰি দিয়া হৈছে। কেতিয়া সংবাদ মেল পাতিলে আমি গম নাপালো ।

মাননীয় অধ্যক্ষ ঃ আপোনাক ১৫ মিনিট সময় দিয়া হৈছে। সময় কমি আহিছে। আপোনাৰ পিচত আৰু ৩ গৰাকী সদস্য ই কবলগীয়া আছে।

* শ্ৰীফণী ভূষণ চৌধুৰী ঃ- মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে বৰৈবাৰী গাওঁ এৰি দিছে, বৰৈবাৰী গাওঁ অসমৰ মাটিত নাছিল। স্বাধীনোত্তৰ কালৰ পৰাই বাংলাদেশত আছে।

মাননীয় অধ্যক্ষ মহোদয়, মাটিখিনি আছিল চিৰাজুল হকৰ নামত। জিলা উপায়ুক্তই কৈছে চিৰাজুল হকে ১৯৭৫ চনতে ৯ বিঘা ১ কঠা ২ লেচা মাটি লৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আচলতে এই মাটি বিলাক বাংলাদেশলৈ হস্তান্তৰিত হৈছে। অথচ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বিভিন্ন সময়ত কৈছে যে অসমৰ মাটি বাংলাদেশলৈ এক ইঞ্চিও দিয়া হোৱা নাই এই কথাত আমি কেতিয়াও পতিয়ন যাব নোৱাৰো। সেই কাৰণেই বিধান সভাত আজি এই বিষয়টো আলোচিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই আলোচনাৰ

* Speech not corrected

প্ৰসঙ্গতে মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো- ১৩ জুলাইত এখন চিঠি এক্সটাৰনেল এফেয়াৰচ মিনিষ্ট্ৰিয়ে লিখিছে। কি স্বাৰ্থত এই চিঠি এক্সটাৰনেল এফেয়াৰচ মিনিষ্টিয়ে লিখিছে?এই কথা বিলাকৰ সম্পৰ্কত বিভিন্ন মহলত প্ৰতিক্ৰিয়া হৈছে আৰু বহুতো ক্ষেত্ৰত অসমৰ ৰাইজে বিৰোধীতা কৰিছে। বিভিন্ন সময়ত ধৰ্ণা, আন্দোলন ইত্যাদি হৈছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত এই যিখন চুক্তি হৈছে সেই খন যাতে বাস্তবত ৰূপায়িত নহয়, তাৰ কাৰণে আপোনাৰ নেতৃত্বত আপোনাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক দাবী উত্থাপন কৰিবৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীজাবেদ ইছলাম** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি এই স্পৰ্শকাতৰ বিষয়টো সদনত উত্থাপন কৰি মই কব বিচাৰিছো ..................

**মাননীয় অধ্যক্ষ** ঃ আপোনাক মাত্ৰ ৬ মিনিট সময় দিয়া হৈছে।

* **শ্ৰীজাবেদ ইছলাম** ঃ- অধ্যক্ষ মহোদয়, ইতিমধ্যে যোৱা চেপ্তেম্বৰ মাহত এই বিষয়টোৰ ওপৰত বিশেষকৈ বৰাইবাৰী সম্পৰ্কত আলোচনা হৈছিল এই সম্পৰ্কতে মই কেইটামান গুৰুত্বপূৰ্ণ কথা কবলৈ বিচাৰিছো ।ধুবুৰী জিলাৰ ভাৰত বাংলাদেশ সীমাৰ আন্তৰাষ্ট্ৰীয় দৈৰ্ঘ্য ১২৩,৫৪৪ কিলোমিটাৰ। ১৯৮৫ চনতে অসম চুক্তি ৰূপায়নৰ প্ৰাৰম্ভিক কাম হিচাবে ১৯৮৮ চনৰ পৰা অসম বাংলাদেশ সীমান্ত পথ আৰু কাইটীয়া তাৰৰ বেৰা দিয়াৰ কাম আৰম্ভ হয়। ধুবুৰী জিলাত ৭২,৬৮৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ কাটাতাঁৰ

---

* Speech not corrected

ৰেৰা দিয়াৰ কাম সম্পূৰ্ণ হয়। ইয়াৰ ভিতৰত দক্ষিন শালমাৰা, মানকাচাৰ মহকুমাৰ শিশুমাৰাৰ ১০৫১ নম্বৰ স্তম্ভৰ পৰা সদুৰটিলা ১০৭১ নম্বৰ সীমান্ত স্তম্ভলৈকে ভাৰত বাংলাদেশ আন্তঃজাতিক সীমান্ত পথৰ দৈৰ্ঘ্য ৩২ কিলোমিটাৰ। ধুবুৰীৰ নামনি ঘিউমাৰাৰ পৰা শিশুমাৰালৈকে ৪২ কিলোমিটাৰ নদী পথ এতিয়াও উন্মুক্ত হৈ আছে। বৰাইবাৰী গাওঁখন বাংলাদেশৰ এখন গাওঁ। তাৰ নাগৰিক সকলে দেশ বিভাজনৰ আগৰে পৰাই অনুমানিক ৫৭১ বিঘা ৪ কঠা ১১ লেচা মাটিত ভোগ দখল কৰি খেতিবাতি কৰি আহিছে আৰু ইয়াৰ পূৰ অংশত সীমান্ত স্তম্ভ ৰেড ক্লিফ লাইন গৈছে। যাৰ ফলত অসম তথা ভাৰতৰ মানচিত্ৰত উক্ত মাটিখিনি সন্নিবিষ্ট হৈছে কিন্তু অসম তথা ভাৰত চৰকাৰৰ দখলত নাই। প্ৰকৃততে দেশ বিভাজনৰ সময়ত বৰাইবাৰী পৰগনাটো ভাৰতৰ লগত চামিল হৈছিল যদিও বিভিন্ন কাৰণত ভাৰত স্বাধীন হোৱাৰ পিচত বাংলাদেশী সকলে উক্ত মাটি দখল কৰিয়েই থাকিল। ১৯৫২ চনত সেই মাটি দখলক কেন্দ্ৰ কৰি সেই অঞ্চলত ভাৰত পাকিস্থানৰ মাজত গুলিয়াগুলি চলিছিল। জমিদাৰী প্ৰথা বিলোপ হোৱাৰ পিচত ১৯৬১ চনত প্ৰথম চাৰ্ভে চেটেলমেন্ট আৰম্ভ হয়। উক্ত মাটিত সোমাই সঠিকভাৱে জৰীপ কৰিব নোৱাৰাৰ কাৰণে মাত্ৰ ৭ বিঘা ২ কঠা মাটি মুঠ ৫৭৯ বিঘা ১৩ লেচা মাটি চৰকাৰী খাচ মাটি হিচাবে নথিভুক্ত কৰা হয়। ইতিমধ্যে অসমত প্ৰচাৰ চলিছে যে ভাৰতীয় মানুহৰ খাজনা দিয়া মাটি বাংলাদেশীক গতাই দিছে। কিন্তু সেইটো সত্য নহয়। ১৯৭৫ চনত চিৰাজুল হকৰ নামত ৭ বিঘা ১ কঠা ২ লেচা মাটি নামজাৰিৰ হুকুম হয় আৰু তাৰ নতুন দাগ নম্বৰ ৬২১। চিৰাজুল হকৰ উক্ত মাটি বাদ দিহে ৫৭১ বিঘা ৪কঠা ১১ লেচা মাটি ভাৰত চৰকাৰে বাংলাদেশক হস্তান্তৰ কৰে। ১৯৮৫ চনৰ অসম চুক্তি ৰূপায়নৰ প্ৰাৰম্ভিক কাম-কাজে ১৯৮৮ চনৰ পৰা অসম

বাংলাদেশ সীমান্ত পথ আৰু কাইটীয়া তাঁৰৰ বেৰ দিয়া কাম আৰম্ভ হয়। সেইমতে ১৯৮৭ চনত অসম চুক্তি ৰূপায়ন মন্ত্ৰী, শ্ৰীজয়নাথ শৰ্মাই সীমান্ত অঞ্চল ভ্ৰমণ কৰি সীমান্ত পথ আৰু কাইটীয়া তাঁৰৰ বেৰ দিয়াৰ বুজ লয়। সেইমতে শিশুমাৰাৰ পৰা কালেচৰলৈকে আন্তৰ্জাতিক আইনমতে জিৰো লাইন (ৰেড ক্লিফ পিলাৰ) ৰ পৰা ১৩৭ মিটাৰ আতৰত সীমান্ত পথ আৰু পথৰ ওপৰত কাইটীয়া তাঁৰৰ ব্যৱস্থা কৰা হয়। কিন্তু এবছৰ পলম কৰি ৰেড ক্লিফৰ পৰা উক্ত মাটিখিনি এৰি দি সীমান্ত পথ দি তাৰ ওপৰত কাইটীয়া তাঁৰৰ ব্যৱস্থা কৰিলে। উক্ত কামখিনি ১৯৫৮ চনৰ পৰা ২০০১ চনত সমাপ্ত কৰা হয়। ২০০১ চনৰ এপ্ৰিল মাহত মেঘালয়ৰ ডাউকীত ভাৰতৰ বিবাদমান মাটি বাংলা দেশে দখল কৰি যোৱাৰ পিচত মানকাচাৰৰ সমীপত বিতৰ্কিত বৰাইবাৰীত ৫৭১ বিঘা মাটিৰ দখল লৈ ভাৰত বাংলাদেশৰ মাজত অঘোষিত যুদ্ধ আৰম্ভ হয়। ২১ এপ্ৰিলৰ দিনাখন বাংলাদেশৰ বৰাইবাৰী গাৱঁৰ মানুহৰ দখলত থকা অসমৰ ঠাকুৰাণবাৰী মৌজাৰ ৫৭১ বিঘা ৪ কঠা ১১লেচা মাটি উদ্ধাৰৰ বাবে বি,এচ, এফৰ দল এটাই মানকাচাৰ সীমান্ত অতিক্ৰম কৰি বৰাইবাৰী গাওঁত উপস্থিত হৈছিল দেশৰ ভূখণ্ড প্ৰতিবেশী ৰাষ্ট্ৰৰ দখলৰ পৰা মুক্ত কৰিবলৈ গৈ চুৰ্ণ-বিচিৰ্ণ গুলিবিদ্ধ মৃতদেহ লৈ কেইজনমান জোৱান উভতি আহিছিল।

বাংলাদেশ ৰাইফলচচে বিতৰ্কিত ৫৭১ বিঘা চাৰি কঠা ১১ লেচা মাটি দখল কৰি থকা বৰাইবাৰীৰ নাগৰিকৰ সহযোগত মাজনিশা কেউফালৰ পৰা বি, এচ, এফৰ দলটোক ঘেৰি লৈ দা, কুঠাৰ, জেং আদিৰে হানিখুচি বৰ্বৰতাৰে মৃতদেহ কেইটাৰ ওপৰত অত্যাচাৰ চলায়। প্ৰায় তিনি দিন ধৰি মৰ্টাৰ কামানৰ বজ্ৰনিনাদৰ

আৰাজে যেতিয়া ভাৰতৰ মাটি কপাই তুলিছিল, মানকাচাৰ ঠাকুৰানবাৰী, কাকৰিপাৰা, বাগবাৰচৰ অঞ্চলৰ সাধাৰণ মানুহ আৰু ৰাইজে যেতিয়া ঘৰ, দুৱাৰ এৰি নিৰাপদ ঠাইলৈ গুছি গৈছিল তেতিয়া এই অঞ্চলৰ ছাত্ৰ, যুৱকে ভাৰতীয় সেনা বাহিনীক দিনে নিশাই সহায় কৰিছিল। তেওঁলোকৰ বাবে ঔষধ, খাদ্য আদিও যোগান ধৰিছিল। দেশৰ ভৌগলিক অখণ্ডতা ৰক্ষা কৰাত এই লোক সকলে দৃষ্টান্ত ৰাখি থৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি চমু কৰক।

*** শ্ৰীজাবেদ ইছলাম ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ অলপ কবলগীয়া আছে আৰু অলপ সময় দিলে ভাল পাম। ১৯৫২ চনতে যুদ্ধ আৰম্ভ হৈছিল, তাৰ পিচত ১৯৮১ চন আৰু ২০০১ আৰু ২০০৯ চনত এনে ধৰণৰ যুদ্ধ চলিছিল। এতিয়া আকৌ ২০১১ চনৰ ইংৰাজী ৬ আৰু ৭ চেপ্তেম্বৰ তাৰিখত বাংলাদেশৰ ৰাজধানী ঢাকা চহৰত ভাৰতৰ প্ৰধানমন্ত্ৰী মনমোহন সিং আৰু বাংলাদেশৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী শ্বেখ হাচিনাৰ মাজত চুক্তি সম্পাদিত হোৱাৰ পিচৰে পৰা বিতৰ্কিত বৰাইবাৰীৰ সমীপৰ ভাৰতীয় গাওঁ বিলাকত ৰাজনৈতিক দল আৰু অ-ৰাজনৈতিক দল সংগঠনে এই অঞ্চল পৰিদৰ্শন কৰি ধৰ্ণা কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ চেষ্টা কৰে আৰু প্ৰৰোচনামুলক বক্তব্য আগবঢ়ায় । এই অঞ্চলৰ মানুহক বিপথে পৰিচালনা কৰাৰ চেষ্টা কৰে, যদিও সফল হ'ব পৰা নাই।

---

* Speech not corrected

**মাননীয় অধ্যক্ষ ঃ-** আপুনি শেষ কৰক। ইতিমধ্যে আপুনি ৯ মিনিট সময় ললে।

*** শ্ৰীজাবেদ ইছলাম ঃ-** মই শেষ কৰিছো, আৰু অলপ সময় অনুগ্ৰহ কৰি দিয়ক। মই কব বিচাৰিছো, মনমোহন সিং আৰু হাচিনাৰ চুক্তিখন সম্পাদিত হলে বিতৰ্কিত বৰাইবাৰীৰ সমীপৰ ভাৰতীয় গাৱৰ মানুহ সকলৰ মতে বহুদিনীয়া কাজিয়াৰ নিস্পত্তি হ'ব আৰু সঘনাই হোৱা গুলিয়াগুলিৰ পৰা অঞ্চলটো ৰক্ষা পৰিব। এই চুক্তিৰ ফলত ভাৰত বাংলাদেশৰ মাজত ব্যৱসায়ৰ প্ৰসাৰ বৃদ্ধি পাব। আনহাতে বিভিন্ন পৰ্য্যায়ৰ নিবনুৱা সকলে কামত নিয়োজিত হ্ব পাৰিব। অতিকৈ পিচপৰা এই অঞ্চলৰ জলপথ, স্থলপথ আৰু অন্যান্য দিশত দ্ৰুত উন্নতি হ'ব। আৰু ৰেল পথ সম্প্ৰসাৰিত হ'ব। এই অঞ্চলটো আন্তজাতিক ব্যৱসায় কেন্দ্ৰ হিচাপে গঢ়ি উঠিব বুলি ৰাইজে আশা পোষন কৰে। তাৰোপৰি মানকাচাৰত নতুনকৈ গঢ়ি উঠা ইন্টাৰনেচনেল ট্ৰেড চেন্টাৰখন মুকলি হ'ব। চুক্তিখন হৈ গলে অসমৰ লগতে ওচৰ চুবুৰীয়া ৰাজ্যকেইখনৰ যাতায়তৰ আৰু ব্যৱসায়ৰ ক্ষেত্ৰত বহুখিনি সুবিধা হ'ব। সীমান্ত চিল হলে এই অঞ্চলৰ মানুহৰ বাংলাদেশীৰ অপবাদৰ পৰা মুক্ত হ'ব আৰু চোৰ ডকাইটৰ উপদ্ৰৱৰ পৰা মুক্ত হ'ব। শেষত এই চুক্তি খনক দুয়োখন দেশৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি সমৰ্থন জনাই আৰু সকলোকে সমৰ্থন জনাবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ- শ্ৰী হাফিজ বছিৰ আহমেদ।**

*** শ্ৰীহাফিজ বছিৰ আহমেদ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি

---

* Speech not corrected

এই পবিত্ৰ সদনত ভাৰত আৰু বাংলাদেশৰ মাজত প্ৰধান মন্ত্ৰী ডঃ মনমোহন সিং আৰু শ্ৰীমতী শেখ হাচিনা বাংলাদেশৰ প্ৰধান মন্ত্ৰীৰ মাজত মাটি হস্তান্তৰিতিক লৈ যি খন চুক্তি সম্পাদিত হ'ল তাৰ ওপৰত দুষাৰ বক্তব্য ৰাখিবলৈ সুযোগ দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয় আপোনাক মই ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ বহু কথা কবলগীয়া আছে। কিন্তু মই বৰ দিঘলীয়া নকৰি আজি অসমৰ মাটি বাংলাদেশলৈ হস্তান্তৰ কৰাৰ ক্ষেত্ৰত চমুকৈ দুষাৰমান কবলৈ বিচাৰিছো। আমাৰ কেবাগৰাকী মাননীয় বিধায়কে এই সম্পৰ্কত বক্তব্য ৰাখিছে, কোনো কোনোৱে সমৰ্থন জনাইছে যদিও কেবাগৰাকীয়ে আপত্তিও কৰিছে, কিয়নো অসম খন ভাৰতবৰ্ষৰ অন্তৰ্গত। আজি এই মাটি হস্তান্তৰ সন্দৰ্ভত ভাৰতবৰ্ষৰ লগতে অসমৰ স্বাৰ্থ জৰিত হৈ আছে। আজি অসম আৰু বাংলাদেশৰ বৃহৎ সীমান্ত অঞ্চলৰ বাৰেকুৰি সমস্যা আছে, তাত বহুত ধৰণৰ দুয়োখন দেশৰ মাজত কিছুমান এক্সচেঞ্জৰ কথা আছে। 162 enclaves exchange, 6,500 acres of adversely possessed land, 6.5 KM of the demarcated borders, 24 hours access to Bangladesh, Indian enclaves.

মাননীয় অধ্যক্ষ মহোদয়, ২০১১ চনৰ চুক্তি মতে অসমৰ মাটি এৰি দিয়াৰ ক্ষেত্ৰত এডভাৰচ্ হেল্ড এৰিয়া বিলাকৰ ক্ষেত্ৰত কবলগীয়া আছে।

মাননীয় অধ্যক্ষ মহোদয় অসমৰ মাটি বাংলাদেশক দিয়াত আপত্তি আছে, মই আগৰ ৰেকৰ্ডৰ কথা কবলৈ বিছৰা নাই। এড্‌ভান্স পজিচনত অসমৰ যিখিনি মাটি দিয়াৰ কথা কৈছে সেইখিনি মাটি দিয়াৰ কাৰণে আপত্তি উঠিছে। আমাৰ অসমৰ মানুহে মাটি নাপালে আমাৰ মাটি গ'ল, সেই কাৰণে মই এটা

কথাত আপত্তি কৰিব বিচাৰিছো যে অসমৰ স্বাৰ্থৰ হকে যদি এইটো কৰিছে তেতিয়াহলে অসমৰ ৰাইজক কনভিন্স কৰিব লাগিছিল। আৰু যদি অসমৰ স্বাৰ্থৰ বিপৰীতে হৈছে সেইটো অসমৰ ৰাইজক কনভিন্স কৰিব লাগিছিল। সেই কাৰণে মই এইটো কব বিচাৰিছো যে চৰকাৰে এই ক্ষেত্ৰত এখন শ্বেতপত্ৰ প্ৰকাশ কৰক। অসমৰ ৰাইজৰ কাৰণে এইটো কৰক। আমি অসমৰ মাটি ডকুমেন্টৰি হিচাপে দেখিছো। অসমৰ মাটি বাংলাদেশক হস্তান্তৰ কৰাৰ ক্ষেত্ৰত আমাৰ কবলগীয়া আছিল। আৰু বাংলাদেশৰ লগত অসমৰ যি চুক্তি আছিল সেই মতে সীমান্তত ফেনচিং দিব লাগিছিল, কিন্তু আজিলৈকে সীমান্তত ফেনচিং সম্পূৰ্ণকৈ দিয়া দেখা ন'গল। ২০০৬ চনত কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰী মাননীয় শ্ৰীশিৱৰাজ পাটিল ডাঙৰীয়া আহিছিল। তেখেতে ঘোষণা কৰিছিল যে ভাৰত বাংলাদেশ সীমান্তত কাটা তাৰৰ বেৰ দিয়া হব। সেই সময়ৰ আলোচনা কালত অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ো আছিল। তেখেতে কৈছিল যে সীমান্ত সমস্যাটো জুডিছিয়েলি কৰা হব। কিছুমান বাংলাদেশী মানুহক ডেজিগনেটেড কেম্পত ৰখা হৈছিল। সেই কেম্প বিলাকত ভাৰতীয় আইন মতে যিবিলাক বস্তু দিব লাগে সেই বিলাক দিয়া হোৱা নাছিল। তেওলোকক বাংলাদেশী বুলি অৱহেলা কৰা হৈছিল। এই লোক সকলক বাংলাদেশ চৰকাৰে স্বচ্ছাই গ্ৰহণ কৰিব লাগিছিল, কিন্তু গ্ৰহণ কৰা নাই আৰু এইটো এটা বাৰডেন হিচাপে থাকি গ'ল। এই গোটেইখিনি কথা লৈ মই বিৰ্তক নকৰো। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই বিষয়টো ৰিভাইভ কৰি ইয়াক অন্তৰভুক্ত কৰিবলৈ মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, তৃতীয়তে বৰ্ডাৰ ফেনছিংৰ

কথা কোৱা হৈছে সেইটো দিওতে অসমৰ যিখিনি মাটি বাহিৰত গৈছে সেই ১'৩৭ একৰ মাটি দিয়া হৈছে। যি সকল মানুহৰ মাটি ফেন্সিংৰ মাজত পৰিছে সেই মানুহ খিনিৰ কথা আৰু তেওঁলোকৰ চিকুৰিটিৰ কথা চৰকাৰে ভাবিব লাগে। যিবিলাক মানুহক ফেনচিং দিয়াৰ কাৰণে উঠাই দিয়া হৈছে আজিলৈকে তেওঁলোকক কম্পেনচেচন দিয়া হোৱা নাই। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে যিখিনি মানুহৰ মাটি ফেনচিংৰ বাহিৰত গৈছে তেওঁলোকক অলটাৰনেটিভ মাটি দিয়াৰ ব্যৱস্থা কৰা হওক। এই লোক সকলক ক্ষতিপুৰণ দিয়াৰ ব্যৱস্থা কৰা হওঁক। আজি বৰ্ডাৰৰ সমস্যাৰ কথা আছে, স্মাগলিংৰ কথা আছে, এই সকলো বিলাক কথা আমি চিন্তা কৰিব লাগিব। এই ক্ষেত্ৰত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে সংশ্লিষ্ট বিভাগে তাৰ প্ৰতি ব্যৱস্থা লব। অসমৰ মাটি ভাৰতবৰ্ষৰ মাটি, গতিকে অসম চেক্তৰৰ মাটি বাংলাদেশৰ মাটি নহয়। এই ক্ষেত্ৰত আছুই তথ্য সদৰি কৰাৰ কথা কৈ আছে। এই কথাটোৰ স্পষ্টিকৰণ বিচাৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ- শ্ৰীমাজেন্দ্ৰ নাৰ্জাৰী।**

*** শ্ৰীমাজেন্দ্ৰ নাৰ্জাৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬চেপ্তেম্বৰ তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাৰত বাংলাদেশ সীমা সমস্যাৰ বিষয়ে আলোচনা কৰিছিল। এই ক্ষেত্ৰত বিশেষ ভাৱে আলোচনা হওঁক। মাননীয়

---

* Speech not corrected

অধ্যক্ষ মহোদয়, অসম চুক্তি যেতিয়া ৰূপায়ন কৰা হৈছিল সেই চুক্তি ৰূপায়নৰ জৰিয়তে দীৰ্ঘদিন ভাৰত বাংলাদেশ সীমা সমস্যা, ভাৰত আৰু পাকিস্থান যেতিয়া বিভাজন হৈছিল তেতিয়াৰ পৰাই এই সীমা সমস্যাসমূহ সমাধান হোৱা নাছিল। যেতিয়া বাংলাদেশৰ জন্ম হ'ল, তেতিয়াৰ পৰাই ভাৰত বাংলা সীমান্তৰ সমস্যাৰ কথা থাকি গ'ল। আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত যি চুক্তি স্বাক্ষৰিত কৰিছে বাংলাদেশৰ মাটি অসমক দিয়াৰ সুযোগ আহি পৰিছে। এক হেজাৰ দুশ চল্লিছ একৰ মাটি বাংলাদেশৰ দখলত আছিল। আজি সেই মাটি অসমে ঘুৰাই পাব। ভাৰত বাংলাদেশ সীমান্তৰ ৪৫৫ বিঘা মাটিত বাংলাদেশী নাগৰিক আছিল। তেওঁলোকক সকলো সুযোগ সুবিধা দিছিল। অসমে ৩৮০.৫ একৰ মাটি ঘূৰাই পাব। ফেন্সিংলৈ সমস্যা আছে। দোমাবাৰী অঞ্চলত ৮০৪ একৰ ভূমিৰ ভিতৰত ৭১৪ একৰ মাটি অসমে লাভ কৰিবলৈ সক্ষম হব। আছুৱে বিচাৰিছে ভাৰত বাংলা সীমান্তৰ সমস্যা সমাধান কৰি কাটা তাৰৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আছুৱেও বিচাৰিছে যে ভাৰত বাংলা সীমান্তৰ সমস্যা সমাধান কৰি কাটা তাৰৰ বেৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। সীমান্তত বাইপাছ ৰোডৰ ব্যৱস্থা কৰিব লাগে কিন্তু সেইটো কৰা নহ'ল। সেইটো নিৰ্ম্মান হলে সেই অঞ্চলৰ বহুত মানুহ উপকৃত হলহেতেন। এই সীমান্তত অসমৰ ৬০০-৭০০-১৯০০ ডিমাৰকেশ্বন দুৰত্বত কাইটীয়া তাৰৰ বেৰ দিবলৈ থাকি গ'ল। বৰাইবাৰী অঞ্চলত কাইটীয়া তাৰৰ বেৰ দিয়া হৈছে। অসমৰ বহুত মাটি এৰি দিয়া হৈছে। ১৪৫'৫ বিঘা মাটি আছে। তাত কাইটীয়া তাৰৰ বেৰ দিয়া হৈছে। এই যি সমস্যা এই সমস্যা সেই সময়ত সমাধান কৰিব পাৰিলেহেতেন। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে

যি প্ৰস্তাৱ দিছে সেই প্ৰস্তাৱৰ মৰ্ম্মে প্ৰায় ৩৭০০ বিঘা মাটি অসমে পাবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত বিভিন্ন দল-সংগঠনে মত পোষন কৰিছে যে আগৰ চৰকাৰৰ দিনত সেই খিনি মাটি অসমৰ আছিল। তাত কাইটীয়া তাৰৰ বেৰ নাছিল। কিন্তু এতিয়া কিছু মাটি এৰি দিয়া হ'ল, সেই খিনি ঠাই এতিয়া বাংলাদেশে দখল কৰিলে। আজি আমি এই চুক্তিৰ যোগেদি নিজৰ মাটি ঘুৰাই পাম। মই আশা ৰাখিছো। অসমৰ যি সমস্যা সেই সকলো বিলাক সমাধান হ'ব বুলি মই ভাবো তেতিয়াহে ৰাজ্যত শান্তি সম্প্ৰীতি বজাই থাকিব। সীমান্তত যি সমস্যা হৈছে, এই সমস্যা সমাধান কৰিবলৈ চৰকাৰে সক্ষম হ'ব বুলি মই ভাবো। এই খিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত।**

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ-** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি মই চৰকাৰক ধন্যবাদ দিলোঁহেতেন যদিহে এই বিষয়ে বাংলাদেশৰ লগত চুক্তি হোৱাৰ আগতে প্ৰটোকল ৰক্ষা কৰি চাইন কৰাৰ আগতে বিধান সভা পাতিলেহেঁতেন। তেতিয়া হলে বিৰোধী দলে কবলৈ সুবিধা নাপালেহেঁতেন।আজি আমাৰ পাৰ্লিয়ামেন্টাৰী মিনিষ্টাৰে কৈছে যে এই বিধান সভাৰ অধিবেশন বিৰোধী দলে দাবী কৰাৰ কাৰণেহে দিয়া হৈছে। আমাৰ ৰাজ্যখন ভাৰতবৰ্ষৰ অখন্ডতাৰ লগত জড়িত হৈ আছে। দেশ বিভাজনৰ সময়ত পশ্চিম আৰু পূৰত যথেষ্ঠ সমস্যাৰ সৃষ্টি হৈছিল। ...................... ইয়াত যিবিলাক আলোচনা সমালোচনা হৈছে তাত যদি চাবলৈ যাওঁ ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যত এই সমস্যাটোৰ আলোচনা কৰিছে।

* Speech not corrected

আৰু আমি ভাৰত স্বাধীন হোৱাৰ পিছত অসমক ভাগ ভাগ কৰি পেলাইছো। এতিয়াও আমি বিভিন্ন জনসাধাৰণক সন্তুষ্ট কৰিব পৰা নাই। ১৯৬৫ চনত পাকিস্তানৰ লগত যুদ্ধ হৈছিল, যাৰ কাৰণে বাংলাদেশৰ জন্ম হ'ল। কিন্তু সীমা সমস্যা সমস্যা হৈয়ে থাকিল। যেতিয়া ভাৰত পাকিস্তানৰ চুক্তি স্বাক্ষৰিত হ'ল। ইয়াৰ পিছত জি কে পিল্লাই, আৰু হোম মিনিষ্টাৰ, প্ৰধান মন্ত্ৰীৰ লেভেলত আলোচনা হৈছিল। আমাৰ চিফ চেক্ৰেটাৰীৰ লগত ভিডিও কনফাৰেন্স হৈছিল। এই বিষয়ত যথেষ্ঠ আলোচনা হৈছে। তাত আমাৰ ফণি ভুষন চৌধুৰী ডাঙৰীয়াই দলৰ ফালৰ পৰা কৈছে যে ৩০ অক্টোবৰৰ ২০১০ চনত adverse possession of land measuring189.5 acre and 495.87 acre in Karimganj district as per report of the concerned district authorities .

মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই কথাটো সংশ্লিষ্ট ডিষ্ট্ৰিক্ট অথৰিটিৰ ফালৰ পৰা প্ৰমানিত হৈছে যে ইণ্ডিয়াৰ দখলত নাছিল। বাংলাদেশৰ দখলত আছিল। এই মাটিখিনি বিছৰা নাছিল। দোমাইবাৰী আৰু প্ৰমোদ নগৰ চাহ বাগিছাৰ যথাক্ৰমে ২৯৯'৪ একৰ আৰু ১১'৭ একৰ মাটি বাংলাদেশক এৰি দিছে। যোৱা বিধান সভাত তেতিয়াৰ ৰাজহ মন্ত্ৰী বৰ্ম্মন ডাঙৰীয়াই এই কথা স্বীকাৰ কৰিছে। আমাৰ আৰ্ন্তজাতিক সীমাত ৫৮ কিলোমিটাৰ ৰেড ক্লিপ হৈ আছে। কুছিয়াৰা নদীৰ ২৩০ কিলোমিটাৰ ভিতৰত পৰিছে বুলি প্ৰমানিত হৈছে। আজি যি যুক্তি দাঙি ধৰা হৈছে এই যুক্তি ভিত্তিহীন। কোনোবাই কৈছে মাটি দিছে কোনোবাই কৈছে মাটি দিয়া নাই। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সন্মতি আছে। এইটো আগতে প্ৰমানিত হৈছে। Suo moto statement by External

Affairs Minister on the visit of the Prime Minister to Bangladesh. চোমটো ষ্টেটমেন্টত এই কথা উল্লেখ আছে। ইয়াৰ পেজ নং ২তআছে। Quote..." The effective management of our borders is the first essential step to creating a defined and peaceful boundary that will provide a stable and tranquit enviornment for cross border cooperation with Bangladesh. The protocol to the 1974 Land Boundary Agreement, signed on 6th September, 2011 by the Foreign Minister of India and Bangladesh in presence of Prime Minister paves the way for a settlements of long pending land boundary issues between the two countries. This includes the demarcation of remaining undemarcated areas, territories under adverse possession and exchange of enclaves. In building this historic agreement, the Government has received the full support and concurrence of the state Governments concerned. In implementing the agreement people living in the border areas will not be dislocated,"..............

মাননীয় অধ্যক্ষ মহোদয়, বাংলাদেশ আৰু ভাৰত চৰকাৰৰ মাজৰ সীমা সমস্যা সমাধান কৰা চুক্তিৰ ক্ষেত্ৰত অসম চৰকাৰে কনকাৰেঞ্চ দিছে। অসম চৰকাৰে কনকাৰেঞ্চ দিয়াৰ আগতে অসম বিধান সভাত বিষয়টো আলোচনা হব লাগিছিল। কিন্তু সেইটো কৰা নহ'ল। বাংলাদেশ চৰকাৰৰ ডি, এল আৰৰ তৰফৰ পৰা

জইন্ট চাৰ্ভে কৰা সন্দৰ্ভত এখন চিঠি দিছিল Regarding pending work of adversely hold territories between Bangladesh Assam, India sector by a letter dt. 24.5.11 ইয়াৰ পিছত অসম চৰকাৰে জইন্ট চাৰ্ভে কৰাৰ ব্যৱস্থা ললে। জইন্ট চাৰ্ভে কৰা হয়। জইন্ট চাৰ্ভেত দেখা গল যে বোৰ্ডাৰৰ বি, এছ, এফৰ কাৰ্য্যালয়ত ৰহিয়ে যুটীয়া জৰীপ সম্পন্ন কৰিছে। বাংলাদেশে মাটি দখল কৰিছে।

অধ্যক্ষ ডাঙৰীয়া পাথিনী চাহ বাগানৰ মেনেজাৰে ১১মে, ১৯৬৭ চনত তেতিয়াৰ ৰাজহ বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰীক এখন চিঠি লিখিছিল আৰু ইয়াৰ কপি সংশ্লিষ্ট বিভাগলৈ প্ৰেৰণ কৰিছিল। চিঠিটো মই পঢ়ি দিছো। That the Pathini Tea Co. obtained settlement of lands measuring 18030 Bighas 4 Kathas 15 Chhataks for which the company pays revenue annually. Out of the aforesaid land some 438 bighas 1 katha 13 chhataks of land as shown in the statement situated in Mouzas Dumabari, Latitilla, Karkhana Putni, Boro Putni Grant and Putni Grant appertaining to the waste Land Grants, Periodic lesses etc were forcibly occupied by the Pakistan Government after incessant firing during 1962-63 last and that these lands have remained under Pak occupation till now. ১৯৬২ -৬৩ চনত পাকিস্থানৰ সেনাই মাটি এই অঞ্চলত দখল কৰিছিল। কিন্তু এই অঞ্চলৰ মাটি ভাৰত চৰকাৰে উদ্ধাৰ কৰাৰ চেষ্টা কৰা

দেখা নগল। চীনেও যুদ্ধৰ সময়ত আমাৰ মাটি দখল কৰিছিল। নিৰ্দিষ্ট সময়ত আমাৰ সেনা তাত উপস্থিত হ'ব নোৱাৰাৰ কাৰণে মাটি দখলৰ সুযোগ পাইছিল। তাৰ পিছত সেই দাখলিকৃত মাটি এতিয়াও উদ্ধাৰ কৰিব পৰা হোৱা নাই।

স্বাধীনতাৰ পিছতো সীমাৰ ক্ষেত্ৰত বিভিন্ন সময়ত এই সমস্যা বিলাক হৈ আছে। যিবিলাকৰ ব্যৱস্থা লব পৰা নাই। এই ব্যৱস্থা বোৰ নোলোৱাৰ কাৰণে এই সমস্যা বিলাক সমস্যা হৈয়ে আছে। অসম চুক্তি হোৱাৰ সময়ত প্ৰব্ৰজন বন্ধ কৰিব লাগে বুলি আছে। তাক নতুনকৈ কোৱাৰ নিশ্চয় প্ৰয়োজন নাই। বিপিন চন্দ্ৰ মুখাৰ্জীয়ে লিখা চিঠিত আছে..... India since independence , migration of outsiders to Assam has a long history. TheBritishers has brought people from Bihar, Madhyapradesh orissa and even from Bengal to Assam for tea cultivation. অত মুছলিম সম্প্ৰদায়ৰকথা কোৱা হৈছে, Illegal migration since 1950 have become a major issue in 1979 acquiring dominent role of Assam. মাননীয় সদস্য ৰাণা গোস্বামী ডাঙৰীয়াই কেইটামান কথা কৈছিল, গোটেইবোৰ কন্ট্ৰোভাৰ্ছি। অসম চৰকাৰে যিটো ৰিপোৰ্ট পঠাইছিল All Assam Students Union and All Assam Gana Sangram Parishad started agitation for deportation of outsiders with the support of all sections of Assamese people both Hindu and Muslims including Bengalees. ইয়াৰ

পিছৎ আৰু এটা লিখা আছে। Director of Land Records wrote a letter to the Principal Secretary, Revenue and DM which reads as follows:

In this connection, I would like to draw your kind attention to the provisions of Assam Accord 1985 signed on 15th Aug, 1985 between the then Prime Minister of India and Presidents, All Assam students Union. Clause 9.2 of the same accord read as.

"Besides the arrangements mentioned above and keeping in view security considerations, a road all along the international border shall be constructed as to facilitate patrolling by security forces. Land between border and the road would be kept free of human habitation, wherever possible".

There is adverse possession but is not extending upto the fencing in all the places. Presently, Bangladesh is claiming the entire area adjacent to the Adverse Possession right up to the fencing where there happens to be no sign of

possessing the area.....

এই ক্ষেত্ৰত জইন্ট চাৰ্ভে কৰিবলৈ দিয়া আছে কিন্তু এক্সটাৰ্ণেল এফেয়াৰচৰ ফালৰ পৰা এটা বেলেগ কৰিবলৈ কোৱা হৈছে। সীমান্ত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰিবলৈ লওতে সেইসময়ত, লাঠীতিলা, ডুমাবাৰী, বৰৈবাৰী অঞ্চলত জিৰো পইন্টৰ পৰা কাইটিয়া তাৰৰ বেৰ আৰম্ভ কৰা হৈছিল। সেই সময়ত গুলিচালনাৰ দৰে ঘটনা সংঘতিত হৈ মানুহৰ মৃত্যু হৈছিল। সেই কাৰণে বেৰৰ কাম বন্ধ কৰা হৈছিল।

সেই সময়ত যেতিয়া ফেঞ্চিং আৰম্ভ হৈছিল তেতিয়া বৰৈবাৰী আৰু ডাউকীত ফায়াৰ হোৱাৰ কাৰণে ফেঞ্চিং বন্ধ হৈ গৈছিল। তাৰ পিছত দুয়োখন দেশৰ মাজত মিটিং হৈছিল, ১৫০ গজ এলেকাত বোৰ্ডাৰৰোড হ্ব। আৰু গেট হ্ব। এতিয়া দেখা গ'ল যে জিৰো লাইনত যাব পৰাকৈ অসমত এন, বি, চি, পি আৰু এন, পি,চি, চি কাম আৰম্ভ কৰিলে আৰু বহুত গাওঁ ইয়াৰ ভিতৰত সোমাই গ'ল। তেওঁলোকে কোনো ধৰণৰ কমপেনচেচন নাপালে। মাননীয় অধ্যক্ষ মহোদয়, ডাউকি দখল কৰিবৰ কাৰণে বাংলাদেশৰ মানুহ আহিল, ২০০১ চনৰ এপ্ৰিলত বৰৈবাৰীত ১৬ জন মানুহ মৰা হ'ল তাৰে দুজন মূমূৰ্ষ অৱস্থাত মুৰ কাটি গছত আৰি দিয়া হ'ল। সেই সময়ত ইউ, পি, এৰ চেয়াৰপাৰচন চোনীয়া গান্ধী আছিল। চিপাঝাৰৰ মামনি নাথ তেওঁৰ মিষ্টাৰ বি, আৰ নাথ পুলিচৰ হেড কনিষ্টবল আছিল। চিঠি এখন লিখা

হৈছিল মই পঢ়ি দিছো....

"Dear Smti Mamoni Nath,

The tragic demise of your near and dear one whilst guarding the border of our mother land has grieved and shocked the whole nation. Words ever cannot fill the void that this tragedy has left in your life. But I want you to know that I share your grief and salute your brave husband.

Yours Sincerely.

Sd/-

Sonia Gandhi"

April, 23,2001

২০০১ চনৰ ২০ এপ্ৰিলত বৰ্ডাৰত বি, এচ, এফ জোৱান মৰিল সেই ঠাইখিনিত পুলিচ ফোৰ্চক চমজাই দিয়া হৈছিল। সীমামুৰীয়া এই ঠাইলৈ ভ্ৰমণৰ কাৰণে যাব নোৱাৰে বৰযুগ হলেও যাব নোৱাৰে। আমাৰ অসম গণ পৰিষদৰ ফালৰ পৰা দাবী কৰা হৈছিল আৰু সেই মতে হৈছিল। মাননীয় সদস্য, ৰাণা গোস্বামীয়ে কৈছে। সকলোবোৰ হলেই এতিয়া

আকৌ কি হব। এ, জি, পিৰ দিনত য'ত য'ত ফেন্সিং বৰদাৰ বনোৱা হৈছিল, সেই ঠাই বিলাকত মেনেজমেন্টে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। দোষী ব্যক্তি সকলৰ বিৰুদ্ধে শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। আমাৰ মাননীয় সাংসদ কুমাৰ দীপক দাসে ৭' চেপ্তেম্বৰত এটা প্ৰশ্ন কৰিছিল —

GOVERNMENT OF INDIA

MINISTRY OF HOME AFFAIRS

RAJYA SABHA

UNSTARRED QUESTION NO ,3801

TO BE ANSWERED ON THE 7 TH SEPTEMBER, 2011/BHADRA 16,1933 (SAKA)

SEALING OF INTERNATIONAL BORDER IN NORTH-EAST

3801. KUMAR DIPAK DAS

Will the Minister of HOME AFFAIRS be pleased to state:

(a) whether Government is aware of the fact that International border in the North Eastern Region including Assam has not been fenced and there is no flood light facilities in the border roads and riverine international border is still open:

(b) If so, the details whether Government is planning to complete the task for sealing of the international border in the North Eastern Region;

(c) Whether Government is aware that the construction company has given away our land to Bangladesh during implementation of border fencing works in the Karimganj area; and

(d) If so, the steps taken in this regard?

মাননীয় অধ্যক্ষ মহোদয়, হোম মিনিষ্টাৰ শ্ৰীৰামচন্দ্ৰনে তাৰ উত্তৰ দিছিল,

(a) & (b): Along Indo-Bangladesh Border, Government has sanctioned 3436 km of fencing and 3117 km of floodlight which includes 230 km of fencing and 214 km of flood light in Assam, Till date 2760 km of fencing and 712 km of flood light has been completed. The balance feasible works are in progress. The reverine border is dominated by the Border Security Force by traditional methods.

Further there is no programme of fencing and flood lighting on other international borders in North Eastern region bordering

Bhutan, Nepal, China and Myanmar expect about 10 km from BP No, 79 to BP No. 81 on Indo- Myanmar Border.

(c) to (d)~ During the implementation of border fencing works, no land has been given away to the Bangladesh by the construction company along Indo-Bangladesh Border including Karimganj area.

মাননীয় অধ্যক্ষ মহোদয়, এ জি, পিয়ে যত যত ফেঞ্চিংৰ ব্যৱস্থা কৰিছিল সেই ঠাই সমূহত দাবোল ফেঞ্চিং কিয় নহল? ফেঞ্চিং হওতে কিয় শুদ্ধ নহল। আমি গৈ চাই আহিছো বহুত এৰিয়া আমি ফেঞ্চিং দিব নোৱাৰিম। এইটো কি কাৰণে হল আমি একো উত্তৰ বিচাৰি নাপাও। চাহ বাগিচা সমূহৰ ক্ষেত্ৰতো যথেষ্ট নথি পত্ৰ মোৰ হাতত আছে। ১৯৬৫ চনত বি, এচ এফে দখল কৰিলে। এতিয়া সেই মাটি তেখেত সকলৰ বুলি দাবী কৰে। আজি আমাৰ কাছাৰ জিলাৰ হৰিনগৰ মৌজাৰ বহু অঞ্চল ১ হাজাৰ ৭ শ বিঘা আৰু ২ হাজাৰ ১ শ বিঘা মাটিৰ পৰা আমাৰ মানুহক খেদি পঠাইছে। ইয়াত এটা বি, এছ, এফৰ কেম্প আছিল। ইয়ালৈ যাবলৈ তেওঁলোকৰ পাৰমিচন লাগে কৰিমগঞ্জৰে যাব পাৰি সেইফালে অলপ সহজ।

মাননীয় অধ্যক্ষ ঃ আপোনালোকক ৪৩ মিনিট সময় দিয়া হৈছিল। সাত মিনিট আছে। আপুনি শেষ কৰি দিব নে?

✻ **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই শেষ কৰি দিম। মহাত্মা গান্ধীয়ে দুখন ৰাষ্ট্ৰ কৰিব বিছৰা নাছিল কিন্তু দুখন ৰাষ্ট্ৰৰ জন্ম হ'ল আৰু আমাৰ হষ্টাইল ৰাষ্ট্ৰ হ'ল। নেহেৰুৱে বিদেশলৈ গৈ পাৰলিয়ামেন্ট চলি থকাৰ কাৰণে তাত আহি ৰিপৰ্ট কৰিছিল। আমি ওপজিচন হিচাবে ডিমাণ্ড কৰিব লাগিবই। অসমৰ মানুহক আমি বিশ্বাসত লব লাগিব। সীমা সম্পৰ্কীয় কথা অৰ্থাৎ বাংলাদেশক যিখিনি মাটি দিয়া হৈছে তাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাই মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ - ডঃ হিমন্ত বিশ্ব শৰ্মা ।**

✻ **ডঃ হিমন্ত বিশ্ব শৰ্মা** ঃ- (স্বাস্থ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আজিৰ এই পবিত্ৰ সদনত ভাৰত বাংলাদেশৰ যিখন প্ৰটকল যোৱা ৬ চেপ্তেম্বৰত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই স্বাক্ষৰ কৰিলে সেইখন সম্পৰ্কে বিস্তৃত আলোচনা হৈ গৈছে। এই আলোচনাত বিৰোধী দলৰ দলপতি, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, ৰাণা গোস্বামী, জাবেদ ইছলাম ইত্যাদি মাননীয় সদস্য সকলে আলোচনাত অংশ গ্ৰহণ কৰি বিভিন্ন ইছুৰ ওপৰত মাত মাতিছে। যোৱা ইছুটোৰ ওপৰত অসমৰ দল আৰু বিভিন্ন সংগঠনে তেওঁলোকৰ মতামত দাঙি ধৰিছে আৰু চৰকাৰৰ ফালৰ পৰাও বক্তব্য ৰখা হৈছে। এই বিষয়টোৰ ওপৰত যোৱা কেইটা দশকত অসমৰ এচাম ব্যক্তিয়ে অসমৰ প্ৰতি আশানুপাতিক ভালপোৱা দেখুৱাইছে। কিন্তু এই সকলোবোৰ আমি মানি লব নোৱাৰো। আজি অসমত এনে হৈছে, যে আছুৰে যি সিদ্ধান্ত দিছে সেইটো অসম বাসীয়ে মানি লব লাগিব। বিৰোধ কৰিলেও আমি মানি লব

✻ Speech not corrected

লাগিব। আছুৰে যদি কয় কাৰোবাক ভাল পায় সেইটো আমি মানি লব লাগিব। কিন্তু এই ক্ষেত্রত আমি কম্প্রমাইজ কৰিব নোৱাৰো। একাংশ বুদ্ধিজীৱীয়ে অসমক ভাল পোৱা বা ভাল পালে অসম ভাল হ'ব। বেয়া পালে অসম বেয়া হ'ব। এই সিদ্ধান্ত সমূহ আমি মানি লব নোৱাৰো। অসমক ভাল পোৱা সিদ্ধান্ততো অসমৰ তিনি কৌটি জনসাধাৰণে মানি লব লাগিব। অসমৰ তিনি কৌটি জনসাধাৰণে অসমৰ কোনটো সংগঠন ভাল বা বেয়া সেইটো সিদ্ধান্ত লব। এই দায়িত্বৰ অসমৰ জনসাধাৰণৰ। অসমৰ জনসাধাৰণে এই দায়িত্ব আন কাকো দিয়া নাই আৰু ভৱিষ্যতেও নিদিয়ে। গণতান্ত্রিক প্রক্রিয়াৰে অসমৰ জনগণে যি সিদ্ধান্ত দিয়ে সেই সিদ্ধান্তহে আচল সিদ্ধান্ত। আমি দেখিছো বস্তুনিষ্ঠ আলোচনা এতিয়া হোৱা নাই। অসমৰ এচাম ব্যক্তিয়ে শদিয়াৰ পৰা ধুবুৰীলৈ এটা অসুস্থ বাতাবৰণৰ সৃষ্টি কৰিছে। তেওলোকে এটায়ে কৈ ফুৰিছে যে বাংলাদেশক মাটি দিছে। কিয় দিছে, দিছেনে নাই সেইবোৰ কথা নাই খালি মাটি দিছে। মাননীয় সদস্য, শ্রী ফণীভূষন চৌধুৰী ডাঙৰীয়াই এই ৮৭০০ বিঘা মাটি বাংলাদেশৰ মাটি আছিল নে ভাৰতৰ মাটি আছিল সেইটো জানিব বিচাৰিছে। এইবিলাক কথা মুখ্যমন্ত্রী তৰুণ গগৈ ডাঙৰীয়াই স্পষ্টিকৰণ দিছে। এই বিষয়বিলাক বিধান সভাতে আলোচিত হৈছে। সদৌ অসম ছাত্র সন্থাই সীমান্তত কাটা তাৰৰ বেৰা কেতিয়া দিব, কেতিয়া সম্পূর্ণ হ'ব দিনবোৰ পর্য্যন্ত বিচাৰিছে যিটো কোৱা সম্ভৱ নহয়। আমিও বিচাৰিছো যে সমস্যাটোৰ সোনকালে সমাধান কৰিব লাগে। মাননীয় মুখ্যমন্ত্রী তৰুণ গগৈ ডাঙৰীয়াই এই দীর্ঘদিনীয়া সমস্যাটো সমাধানৰ কাৰণে আৰু সীমাত যাতে কাটা তাৰৰ বেৰ ১০০ শতাংশ সম্পূর্ণ কৰিব পাৰি অসমৰ ৰাইজৰ স্বার্থত। যিহেতু অসমৰ

ৰাইজে তৰুণ গগৈ ডাঙৰীয়া ওপৰত সম্পূৰ্ণ আস্থাত ৰাখিছে। তেখেত যোৱাৰ আগতে তিনি ছেপ্টেম্বৰ তাৰিখে অসম কেবিনেটত এই বিষয়টো পুংখানুপুংখভাৱে আলোচিত হৈছিল আৰু সেই কাৰণে তেখেতে বাংলাদেশলৈ গৈছিল। সীমা চিল কৰিম বুলি অসমৰ ৰাইজক প্ৰতিশ্ৰুতি দিছিল। আমি ভাল পাইছো অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়াই এখন ভাল কিতাপ পঢ়িছে। ডেমগ্ৰাফী ইনভাইৰেচন। তেখেতে ডেমোগ্ৰাফিক পৰিবৰ্তন বিচাৰিছে যেতিয়া মুখ্যমন্ত্ৰী তৰুণ গগৈক প্ৰশংসা কৰিব লাগে, তেখেতক ধন্যবাদ দিব লাগিছিল। কাৰণ সীমা চিল কৰি মুখ্যমন্ত্ৰীয়ে সম্পূৰ্ণৰূপে বাংলাদেশী প্ৰব্ৰজন বন্ধ কৰিব বিচাৰিছে। ১৯৯১ চনত নিৰ্বাচন আয়োগে অসমত ফটো আইডেণ্টি কাৰ্ড প্ৰৱৰ্তন কৰিব বিচাৰিছিল। তেতিয়াই সেই ব্যৱস্থা কৰা হলে এতিয়া ২০১১ চনলৈ ১১ বছৰ বাংলাদেশীৰ প্ৰব্ৰজন একেবাৰে বন্ধ হলহেতেন। কিন্তু তেতিয়া সেইটো নকৰি এটা ঐতিহাসিক ব্লাণ্ডাৰ কৰিলে। এতিয়া আকৌ আমাক হিষ্টৰিকেল ব্লাণ্ডাৰ কৰিবলৈ পৰামৰ্শ দিছে। আছুৱে ভাৰতৰ প্ৰধান মন্ত্ৰীক বাৰে বাৰে দাবী কৰি আহিছে বৰ্ডাৰৰ সমস্যা সমাধান কৰিব লাগে আৰু সীমা চিল কৰিব লাগে। এতিয়া এইটো কৰা মানে তেওঁলোকে আৰু সমস্যাটো জীয়াই ৰাখিব বিচাৰে। অটল বিহাৰী বাজপেয়ী যেতিয়া ভাৰতৰ প্ৰধান মন্ত্ৰী আছিল, তেতিয়া অসমত প্ৰফুল্ল কুমাৰ মহন্ত মুখ্য মন্ত্ৰী আছিল। তেতিয়া বৰাইবাৰী সীমান্তত ১৬ জন বি. এচ. এফ জোৱানক গুলীয়াই হত্যা কৰিছিল। তেতিয়া তেওঁলোকে কিয় নিলৰ্জ ভাবে আত্মসমৰ্পণ কৰিছিল। কিয় বৰাইবাৰী উদ্ধাৰ কৰিব নোৱাৰিলে? কাৰগিল ভাৰতৰ অংগ। বাজপেয়ীয়ে কাৰগিল ৰক্ষা কৰিব পাৰিলে কিন্তু প্ৰফুল্ল কুমাৰ মহন্তই বৰাইবাৰী ৰক্ষা কৰিব নোৱাৰিলে। ১৯৪৭ চনত ভাৰত

স্বাধীন হ'ল পাৰ্টিচন আকাৰে। ১৯৪৭ চনৰ ১৫ জুলাই তাৰিখে বৃটিছ ইণ্ডিয়া এক্ট পাচ কৰা হ'ল। বৃটিছ ছাৰ ৰেটক্লিফক ভাৰতলৈ পঠিয়াইছিল তেওঁ ভাৰতলৈ আহিল, তেওঁৰ লগত মুছলিম লিগৰ দুজন সদস্য আৰু কংগ্ৰেছৰ দুজন সদস্য লগ লগাই দিলে, তেওঁলোকে সীমা নিৰ্দ্ধাৰণ কৰিলে। আমি চিটাপাং হিলটেগ মালঙা এৰিব বিচৰা নাছিলো কিন্তু ৰাখিবতো নোৱাৰিলো কাৰণ ৰেড় ক্লিফে যি কয় সেয়ে আইন হয়। ৰেডক্লিফৰ মতে পাকিস্থানলৈ ৭০০ বিঘা মাটি গ'ল কিন্তু আজি সেই ৭০০ বিঘা মাটি আমি উদ্ধাৰ কৰিলো। গতিকে কংগ্ৰেছ চৰকাৰৰ একিউজ কৰিলেতো নহৱ। ভাৰত বিভাজনৰ পটভূমিৰ ইতিহাস চাব জানিব লাগিব। এনেয়ে ক্ৰলেতো নহব। ১৯৪৭ চনৰ আইনমতে ৭০০ বিঘা এৰি দিয়া মাটি আমি যে ঘূৰাই আনিলো তাৰ বাবে তৰুণ গগৈ দেৱক প্ৰশংসা কৰিব নালাগিব? মাননীয় সদস্য সকলে কৈছে বিধান সভাই কিয় বিশ্বাসত লোৱা নাই। অসম আন্দোলনৰ ৮০০ জন শ্বহীদৰ কেচা তেজৰ কথা পাহৰি প্ৰাক্তন মন্ত্ৰী মহন্ত ডাঙৰীয়াই যেতিয়া অসম চুক্তি কৰিছিল তেতিয়া অসমৰ জনসাধাৰণক ডেৰ-দুই কিলোমিটাৰ মাটিৰ কথা কৈছে। Land is a state subject. I agree. If land is a state subject who authories shiri Prafulla Kumar Mahanta to keep two K.M. distance. দুই কিলোমিটাৰ দূৰত কাটা তাৰৰ বেৰ দিবলৈ মঞ্জুৰী দিছিল কিয়? হাইড্ৰজেন আৰু অক্সিজেন লগ লগালে পানী হয়, এইটো কংগ্ৰেছৰ দিনতো হ'ব আৰু এ, জি, পিৰ দিনতো হ'ব। মহন্ত ডাঙৰীয়াই কৈছে বিধান সভাই সিদ্ধান্ত ল'ব লাগে। তেখেতে যেতিয়া অসম চুক্তি কৰিছিল, তেতিয়া একাঅন্ন চনটো ৭১ চন হ'ব বুলি ভাবিছিল জানো। তেখেতে

ৰেক্টিফিকেচনৰ কথা কৈছে। সিদ্ধান্তৰ কিবা অসুবিধা হলেহে ৰেক্টিফিকেচন হ'ব, আলোচনাৰ পিচতহে সিদ্ধান্ত হ'ব, সিদ্ধান্তটো আগতে আগতে হ'ব নেকি? এইটো এটা আন্তৰ্জাতিক চুক্তি। তাৰ কিছুমান নিয়ম কানুন আছে। আমাৰ ডঃ মনমোহন সিং ডাঙৰীয়াই ষ্টেটমেণ্টচিফ লোক। তেওঁ বিৰোধী দলক বিশ্বাসত ল'ব লাগে কাৰণেই বি, জে, পিৰ লগত আলোচনা কৰি গৈছে। আমি ৭০০ একৰ মাটি পাইছো। তাৰ কাৰণে আমাক ধন্যবাদহে দিব লাগে। আমি আৰু বিধান সভাক কি বিশ্বাসত ল'ব লাগিব। কিবা এৰি দিলে বিধান সভাক বিশ্বাসত লোৱাৰ কথা আহিব। এৰি দিয়া নাই আমি আনিছোহে তাৰ বাবে তৰুণ গগৈ দেৱক ধন্যবাদহে দিব লাগে, কিন্তু তাৰ ওলোটাহে কৰিছে। ফেনচিংৰ কথাত চাওক, ফেনচিং ডঃ জয়নাথ শৰ্মা থাকোতে কৰিছিল, এন, বি, চিক দোষ দিব নাপায়। বৰাইবাৰীত যি ফেনচিং দিয়া হ'ল তেতিয়া অতুল বৰা গড়কাপ্টানি মন্ত্ৰী, জয়নাথ শৰ্মা চুক্তি মন্ত্ৰী আৰু প্ৰফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্ৰী আছিল। তেতিয়া এন, বি, চি, চিৰ কথা অহা নাছিল। তেওঁলোকৰ দিনতে চিংগুল ফেনচিং দিছিল, এন, বি, চিয়ে তাৰ পিচত ডাবোল ফেঞ্চিং কৰিলে। আমাৰ মহন্ত ডাঙৰীয়াৰ দিনত যি ফেনচিং হ'ল সেই ফেনচিংৰে এটা জাপ মাৰিলে পাৰ হ'ব পাৰি। আমাৰ ৰাণা গোস্বামী আৰু অন্যান্য সকলে চাই আহিছে। তেওঁলোকে চৰজমিন তদন্ত কৰি এই ফেনচিং বনাইছিল। এইবিলাক কথা বিধান সভাতো আলোচিত হৈছে। অৱশ্যে মই তেতিয়া বিধান সভাত নাছিলো, আমাৰ মাননীয় মন্ত্ৰী অৰ্দ্ধেন্দু দে ডাঙৰীয়া আছিল। এতিয়া তেখেত সকলে কৈছে, বৰ্ডাৰ ফেনচিং মানে বৰ্ডাৰ সীমা নহয়। য'ত দিচপুট থাকে, তাত কিছু সাৱধানো হ'ব লাগিব। সেইকাৰণে আমি কেয়াৰফুল হ'ব লাগিব। খৰিডাল দিয়াৰ ক্ষেত্ৰতো আমি

সাৱধান হ'ব লাগিছিল। অধ্যক্ষ মহোদয়, তাৰ পিচত ডঃ সমুজ্জ্বল ভট্টাচাৰ্যই নিজে এই সীমান্ত অঞ্চল চাই আহিছে, এইখন ফটো। প্ৰফুল্ল কুমাৰ মহন্তৰ চৰকাৰে ২ কিলোমিটাৰ পিচুৱাই আহি ফেনচিং দিলে। তেতিয়া তেওঁলোকে কিয় আন্দোলন নকৰিলে। তেতিয়া আছু আৰু কে, এম, এচ, ক'লৈ গ'ল। পৰেশ বৰুৱা যেতিয়ালৈকে বাংলাদেশৰ চেন্টাৰত আছিল, তেতিয়ালৈকে, তেওঁলোকে কোনো মাত মতা নাছিল। কিজানি পৰেশ বৰুৱাই বেয়া পায়। যেতিয়া পৰেশ বৰুৱা বাংলাদেশৰ পৰা আঁতৰি গ'ল, তাৰ পিচত তেওঁলোকৰ আন্দোলন আৰম্ভ হ'ল। এইবিলাক ৰাজনীতি চলি আছে। অসমৰ ৰাইজক ৰাজনীতিৰে আভুৱাভাৰিব বিচাৰিছে। অসমৰ মানুহক আভুৱাভাৰিব নোৱাৰিব। অসমৰ মানুহ ৰাজনৈতিকভাৱে পৰিপক্ক। বাংলাদেশ সীমান্তত ২ কিলোমিটাৰ পিচুৱাই আহি কাইটিয়া তাৰৰ বেৰা দিলে, সেইটো তেওঁলোকে দেখা নাছিল নেকি? সেই সময়ত পৰেশ বৰুৱা বাংলাদেশত আছিল কাৰণে তেওঁলোকে মাত মতা নাছিল, কিজানি আলফাই বেয়া পায়। প্ৰফুল্ল কুমাৰ মহন্ত চৰকাৰৰ দিনত বৰাইবাৰীত ১৬ জনকৈ বি, এচ, এফৰ লোক নিহত হ'ল। সেই সময়ত তেওঁলোকে বন্ধ নিদিলে কিয়। সেই ১৬ জনৰ ভিতৰত দৰঙৰ নাথ নামৰ এজনো নিহত হৈছিল আৰু নাথৰ পত্নী মামনি নাথলৈ ছোনিয়া গান্ধীয়ে চিঠি দিছিলে, কিন্তু আছু কিয় নাথৰ ঘৰলৈ খবৰ লবলৈ নগল। প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াও খবৰ লবলৈ নগ'ল। তেখেত বাৰু সময় নাপালে ইলেকচনৰ কাৰণে। তেতিয়া পৰেশ বৰুৱাই এটা কমিটি কৰিছিল আলোচনাৰ বাবে, পি, চি, জি কমিটি। এই বিলাক ৰাজনৈতিক বিতৰ্ক ইয়াত বস্তুনিষ্ঠ

আলোচনা হ'ব লাগে। অধ্যক্ষ মহোদয়, পাৰ্থসাৰথিয়ে ডিচপিউটেড লেণ্ডৰ ওপৰত লিখিছিলে, মই পঢ়ি দিছো Shri G. Parthasarathi said that regarding adverse possession it is my opinion that one has to have a clear idea about it and what adverse possossion means while analyising the same.অধ্যক্ষ মহোদয়, ভাৰত বাংলাদেশৰ মাজত তিনিটা বস্তুৰ আলোচনা হব পাৰে প্ৰথম- ডিচকাচন অন ডেমগ্ৰাফিক ইনভেনশ্যন, দ্বিতীয়- এডভাৰ্চ পজেশ্যন আৰু তৃতীয়-এনকেল্ড। ইন্দিৰা-মুজিব চুক্তিৰ কলজ-৩ ত এডভাৰ্চ প্ৰজেছন সম্পৰ্কে দিয়া আছে। আমি এই তিনিটা বিষয়ত কথা পাতিব পাৰো। আমি পাকিস্তান আৰু বাংলাদেশৰ পৰা ৭০০ একৰ মাটি পালো আৰু 'ৰেডকিলফে দিয়া বাউণ্ডেৰী মতে বাংলাদেশৰ এডভাৰ্চ পজেশ্যনত থকা ১৯৩ একৰ মাটি বাংলাদেশে পালে। যেনেদৰে মেঘালয়ৰ ডাউকী মেঘালয়ৰ এডভাৰ্চ পজেশ্যনত আছে। তাৰ যিসকল বাংলাভাষী মুছলিম লোক আছিল তেওঁলোক বাংলাদেশত গুচি গৈছে। তাৰ যিজন লোক এম, এল, এ তেওঁ ১৯৪৭ চনত বাংলাদেশলৈ গুচি গৈছে। এই মাটি খিনি জৰিপ কৰাৰ কথা আছিল, কিন্তু ডি, চি য়ে ১৯৯০ চনত জনালে যে সেই বাংলাদেশৰ পজেশ্যনত থকাৰ বাবে জৰিপ কৰিব পৰা নহ'ল। ১৯৭৬ চনৰ ১১ জানুৱাৰীত এখন মিটিঙৰ মাইনুটচ আছে তাত কি কৈছে মই পঢ়ি দিছো- There is a minutes by discussion held between Deputy Commissioner, Cachar and Deputy Commissioner Syleth in 1976 on 11th January. The land is situtated in the extreme border of syleth and as per Redcliff Commission the land was awarded to the then East Pakistan now Bangladesh as the people belonged to Muslim

**Bengali.** অধ্যক্ষ মহোদয় ৰেটক্লিফে দিয়া বাউণ্ডৰীৰ ১২০০ একৰ মাটি আমি ঘুৰাই পালো আৰু ১৯৩ একৰ মাটি বাংলাদেশে পালে। আৰু নয়াগ্ৰাম অঞ্চলত ২ কি. মি. মাটি আৰু গোবিন্দপুৰ বাগিছাৰ ১৪০ একৰ মাটি বাংলাদেশ পালে। মাননীয় অধ্যক্ষ মহোদয়, বৰাইবাৰীত গৈছে ১৯৩ একৰ। যোৱা ৫০ বছৰে যুদ্ধ কৰি থাকিল এই ১৯৩ একৰ মাটিৰ কাৰণে। বাংলাদেশক জনাই দিব লাগিব তেওঁলোকৰ মাটি লৈ গৈছে। অসমৰ মাটি ১৯৩ একৰ এৰি দিয়াৰ পিচত আমি পাইছো ১২০০ একৰ মাটি। এই কথাটো জনাৰ পিচত শ্বেখ হাচিনাই চহী কৰিব নেকি? এই কথা বিলাক নজনাৰ কাৰণে আজি আমি দেখা পাইছো এ আই ই উডিএফৰ ঠাইত এজিপি আৰু এজিপিৰ ঠাইত এ আই ইউ ডি এফ বহিব লগা হৈছে। সেই সময়ত আমাৰ চিটাগাঙ হিল্চ গুচি গ'ল। এতিয়া আমি ১২০০ একৰ মাটি পোৱাৰ পিচত আমি লুব লাগে। এই কথা জনাৰ পিচত বাংলাদেশে সেই একৰ্ড কৰিব নেকি? তেওঁলোকে কিয় দিব? কোনোবাই যদি কয় যুক্তিগতভাবে কওক। এইখিনি কওতে বাংলাদেশত কম সমস্যা হ'ব নেকি? আমি আচলতে অসমৰ মানুহক এইবিলাক কথা কব নালাগিছিল। আজি আমি পৰেশ বৰুৱাৰ কথা কৈছো। আলফাই এনেকুৱা ট্ৰেপত জানি বুজি পৰিব নেলাগিছিল। বাংলাদেশত আলফা নোহোৱা কৰি দিছে। শ্বেখ হাচিনাৰ উদ্দেশ্য অসমৰ সমস্যাৰ কথা নহয়। শ্বেখ হাচিনাই নিজৰ কাৰণে কৰিছে যদিও আমাৰ উপকাৰ হৈছে। আমি এখন বন্ধু ৰাষ্ট্ৰক কিয় বিপদত পেলাম। এতিয়া পৰেশ বৰুৱাৰ কিমান লাভ হ'ল। এই ক্ষেত্ৰত এক ডাঙৰ ৰাজনীতি আছে। কোনে জানে পৰেশ বৰুৱাই কি কৰিছিল। আমি কব নোৱাৰো চি আই এ কোন। হয়তো ৰ'ই নিজৰ স্বাৰ্থত কাম কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আমি ১২০০ একৰ মাটি

পাইছো। আমাৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই বিট্ৰে কৰিব নোৱাৰে। আমাৰ ইয়াৰ দৰে বাংলাদেশৰ পেপাৰত ওলাইছে শ্বেখ হাচিনাই বাংলাদেশৰ মাটি দিছে। ষড়যন্ত্ৰ এইটো নহয়। এই চৰকাৰ হোৱা ৩ মাহ মাত্ৰ হৈছে। আছুৱে ১৫৮ বাৰ আন্দোলন কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এইখন চৰকাৰৰ ৩ মাহ হল। তথাপিতো কাম চলাই আছে। চৰকাৰখনে কাম কেনেকৈ কৰিব? ৰাজ্যখনত আন্দোলন, বন্ধ চলি আছে। সেইখিনিলৈকে কোনো আপত্তি কৰিব লগা নাই। এতিয়া আমি বি এ চিৰ লগত আলোচনা কৰিবলৈ বিচাৰিছো। আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়ে আলোচনা কৰাৰ কথা কৈছে অৱশ্যে সময় তাৰিখ দিব পৰা নাই। আজি বিধান সভাত মাননীয় সদস্য শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া আছে তেখেতৰ দিনত কি কৰিলে? আমাৰ চৰকাৰে কোনো ভুল কৰা নাই। আমি বাংলাদেশৰ পৰা ১২০০ একৰ মাটি অসমৰ মাটিৰ লগত যোগ কৰিছো। আমাৰ শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই সীমান্তৰ বাউণ্ডেৰী চীল কৰিছে। মাননীয় মহন্ত ডাঙৰীয়াই যিটো কৰিব নোৱাৰিলে সেইটো মাননীয় মুখ্য মন্ত্ৰী গগৈ ডাঙৰীয়াই কৰিছে। ইয়াত এনেকুৱা কথা নাই। আমি কম, ডাবল কনকাৰেঞ্চ আছে। মাননীয় অধ্যক্ষ মহোদয়, আমি যুক্তিসংগতভাৱে কাম কৰিছো। আমি শুনিছো তাত হেনো ছিৰাজুল হকৰ মাটি আছিল। তেখেতৰ পট্টা আছে। কিন্তু সেই সময়ত গোৱালপাৰাৰ উপায়ুক্তই জৰীপ কৰিব নোৱাৰিলো বুলি জনাইছে। যদি জৰীপ কৰিব পৰা নাই তেতিয়া হ'লে কেনেকৈ পট্টা থাকিব পাৰে। মাননীয় সদস্য, প্ৰফুল্ল কুমাৰ মহন্ত আৰু মাননীয় সদস্য, শ্ৰীফণী ভূষণ চৌধুৰীয়ে ৭ বিঘা ছিৰাজুল হকৰ মাটিৰ কথা জানে। লেণ্ড ৰেকৰ্ড অফিচৰ কথাও তেওঁলোকে জানে। ধুবুৰীৰ উপায়ুক্তই জনাইছে- "From the record it

is presumed that the area has been in adverse possession of Bangladesh since partition of Bangladesh after Independence. As stated, land could not be serveyed during 1962-63 after Zamindari acquisition. মাননীয় অধ্যক্ষ মহোদয়, উপায়ুক্ত, ধুবুৰীয়েও কলে যে চাৰ্ভে কৰিবপৰা নাই। এনে ক্ষেত্ৰত চিৰাজুল হকে কৰ পৰা মাটি পালে? লাটিটিলা আৰু ডুমাবাৰী মৌলবী বজাৰত থাকিব পাৰে কিন্তু মাটি থকাৰ কাৰণে যদি কয় পট্টা দিব লাগে এইটো সম্ভৱ হয় নেকি? এনে ধৰণৰ কিছুমান অদ্ভুত কথাই জনসাধাৰণক বিপথে পৰিচালিত কৰিব বিচাৰিছে। সেই বুলি মই অসমৰ সকলো বুদ্ধিজীৱিকে কোৱা নাই। যাৰ সাৰ্বভৌমত্বৰ প্ৰতি আগ্ৰহ আছে, চিন্তা আছে সেই সকলক সন্মান জনাওঁ। মই অসমৰ এজন বুদ্ধিজীৱীৰ লগত আলোচনা কৰিছিলো। তেওঁক সুধিছিলো ভাৰত-বাংলাদেশ চুক্তি সম্পৰ্কে আপুনি কি কয়। তেতিয়া তেখেতে কলে যে ৰেটিফিকেশ্যন হওক তেতিয়া কম। তৰুণ গগৈ ডাঙৰীয়াই একেৰাহে ৩ বাৰ মুখ্য মন্ত্ৰীৰ পদত অধিষ্ঠিত হৈছে। তেখেত উপৰাষ্ট্ৰপতি হ'বলৈ ইচ্ছা কৰিলে এনেয়ে হব তাৰ কাৰণে মাটি দিব নালাগে। ফকৰুদ্দিন আলী আহমেদ, ভি পি সিং, এ পি জি আব্দুল কালাম ৰাষ্ট্ৰপতি হৈছিল। তেওঁলোকে মাটি দিছিল নেকি? মাটি এৰি দিয়াৰ কোনো ক্ৰাইটেৰিয়া আছে নেকি? কাটা তাঁৰৰ বেৰা দিলেই অসমৰ সমস্যা সমাধান নহয়। কোনোবাই যদি কয় ১৯৩ বিঘা দিলেই ১২শ বিঘা নাপায় তেতিয়া হলে এই ক্ষেত্ৰত হিমন্তৰ উদ্দেশ্য সফল নহ'ল। গতিকে, তৰুণ গগৈক ধন্যবাদ দিব নোৱাৰো। অধ্যক্ষ মহোদয়, তৰুণ গগৈ ডাঙৰীয়া ধন্যবাদৰ পাত্ৰ হয় নে নহয় অসমৰ ৰাইজে সময়ত বুজি পাব আৰু ধন্যবাদ

দিব। মই নতুন এম, এল, এ সকলক সুধিছিলো কৰিমগঞ্জ, মানকাছাৰ আদিত আন্দোলন নহব নেকি? কৰিমগঞ্জ, মানকাছাৰত অসম বন্ধ হোৱা নাই গুৱাহাটীত কিয় হৈছে? মানকাছাৰৰ মানুহ আহি মাটি বিচাৰিছে। এই হিচাপে মাটি পাবলৈ হলে পিটিশ্যনাৰ হ'ব লাগিব। অকল এজন পিটিশ্যনাৰে মাটি বিচাৰিলে নাপায়। যি সকলে সাৰ্বভৌমত্বৰ কথা কয় সেইসকলে আন্দোলন কৰি বন্ধ দি দেশখনক অস্থিৰ কৰিব বিচাৰে। কিন্তু আমি সেইটো বিচৰা নাই। অধ্যক্ষ মহোদয়, অসমৰ ইতিহাসত ৬ চেপ্তেম্বৰৰ দিনটো এটা গৌৰৱৰ দিন। ১৯৩ একৰ মাটি দি ১২ শ একৰ আমি পাইছো, ইয়াতকৈ আৰু বেলেগ সুখৰ দিন আমাৰ বাবে আহিব নেকি? অধ্যক্ষ মহোদয়, ত্ৰিপুৰা, অৰুণাচল ৰাজ্য হ'ল, অসমৰ পৰা এইবিলাক ঠাই আতৰি গ'ল। এই কেইখনৰ লগত মাটি গ'ল। যোৱা ৬ চেপ্তেম্বৰ দিনটো অসমৰ ইতিহাসলৈ এটা গুৰুত্বপূৰ্ণ দিন হিচাপে আহিছে, ১৯৩ একৰ মাটি দি আমি ১২ শ একৰ মাটি পালো। এনে এটা স্মৰণীয় দিনৰ বাবে আমি তৰুণ গগৈ ডাঙৰীয়াক ধন্যবাদ জনাওঁ। অধ্যক্ষ মহোদয়, আমি আমাৰ দেশখন বনাব লাগিব, বচাব লাগিব, দেশখন ৰক্ষা কৰিব লাগিব। এই ক্ষেত্ৰত পি, কে, মহন্ত ডাঙৰীয়াও একমত। আমি দেশ মাতৃৰ দুখ দূৰ কৰিম। আমি ভূমি পূজন কৰিম। লাটিটিলা, ডুমাবাৰীত আমি অসম মাতৃৰ পূজা কৰিম। আমাৰ লগত এ আই ইউ ডি এফ থাকিব, বিৰোধী পক্ষৰ এজন হ'লেও থাকিব, আমি সকলোৱে একেলগে আলোচনা কৰিম আৰু মাতৃ পূজা কৰিম। আমাৰ বিধান সভাত এই ইছুটো আলোচনা কৰা নাই কাৰণ আলোচনা কৰা উচিত নাছিল। এইটো যদি আমি আগতেই আলোচনা কৰো তেন্তে বাহিৰৰ মানুহে আমাক কি কব। আজি

অবামা আৰু মনমোহন সিঙৰ মাজত কি আলোচনা হব সেইটো আগতীয়াকৈ জনাব নেকি? এই চুক্তিৰ ৰেটিফিকেশন হোৱাটো আমি বিচাৰো। আমি আশা কৰিছো, আমি আমাৰ দেশৰ কাৰণে ভাল কাম কৰিম। যি কামে আমাৰ দেশক উন্নতিৰ দিশে আগুৱাই নিব। যোৱা ৩০ অক্তোবৰত কি হৈছিল? গাৰ নোম শিয়ঁৰি যোৱা সেই দিনটো মানুহৰ সৰ্বদাই মনত থাকিব। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী, শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াক এই চুক্তিখন সমৰ্থন কৰিবৰ বাবে মই তেখেতক অনুৰোধ জনাম। সেই সময়ত তেখেত মুখ্য মন্ত্ৰী আছিলে, তেখেতে ভালদৰে জানে। তেখেতে নিজেই কাটা তাঁৰ পিছুৱাই দিছিলে। তেখেতে এইবাৰ বিৰোধিতা কৰি পৰিৱেশ নষ্ট কৰিব নালাগে। আজি আমি প্ৰযুক্তি বিদ্যাৰ বলত কাম কৰিব লাগিব। এইবোৰ অসমৰ নতুন প্ৰজন্মই বিচাৰে। আমি তেখেতৰ পৰা সহযোগ পাম বুলি আশা কৰিছো। মাননীয় সদস্য, আজমল চাহাব আছেই। তেখেতে কব লগীয়াখিনি কলেই। মই সকলোকে ধন্যবাদ জনাইছো। পুনৰ এবাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু ভাৰতৰ প্ৰধান মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীমনেশ্বৰ ব্ৰহ্ম সদনত উপস্থিত নথকা বাবে মাননীয় সদস্য শ্ৰীআটাউৰ ৰহমান মাঝাৰ ভূএগা দেৱক তেখেতৰ বক্তব্য দাঙি ধৰিবলৈ অনুৰোধ কৰা হ'ল।

**মৌলানা আতাউৰ ৰহমান মাঝাৰ ভূএগা ঃ** মাননীয় অধ্যক্ষ মহোদয়, Indo-Bangladesh চুক্তিৰ উপর আলোচনার জন্য এই বিশেষ অধিবেশনে আমাদের দলপতি সিরাজুদ্দিন আজমল মহাশয় সদনে আজ যে বক্তব্য রেখেছেন, তারই সূত্র ধরে আমি কয়েকটি কথা বলতে চাই।

**Mr. Deputy Speaker occupied the Chair**

উপাধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় শিক্ষামন্ত্রী শ্রীহিমন্ত বিশ্ব শর্মা সদনে আজ যে বক্তব্য তুলে ধরে অকপটে সত্যকথাটা স্বীকার করে ফেলেছেন, তারজন্য তাকে জানাই অসংখ্য ধন্যবাদ। কারণ Indo-Bangladesh চুক্তি স্বাক্ষরিত হওয়ার পর অসমের জনগণের মধ্যে যে বিতর্কের সূচনা হয়েছিল তখনি অসমের মুখ্যমন্ত্রী সদর্পে ঘোষণা করেছিলেন যে অসমের নাকি এক ইঞ্চিও জমি ছেড়ে দেওয়া হয়নি। কিন্তু, আজ সত্যের খাতিরে মাননীয় শিক্ষামন্ত্রী শ্রীহিমন্ত বিশ্ব শর্মা সদনে স্বীকার করে ফেলেছেন যে এই চুক্তির ফলে অসমের ১৯৩ একর জমি বাংলাদেশকে ছেড়ে দেওয়া হয়েছে এক ইঞ্চি = ১৯৩ একর, এই হিচাবটা আমার বোধগম্য হচ্ছেনা।

উপাধ্যক্ষ মহোদয়, এটা একটা জাতীয় স্বার্থ-জড়িত বিষয়, অসমেরও স্বার্থও জড়িত। এই চুক্তির ফলে অসমের কি লাভ হলো, কি ক্ষতি হলো- এসব পুংখানুপুংখ ভাবে আলোচনার জন্য আমরা, বিরোধীরা গিয়েছিলাম মহামান্য রাজ্যপালের কাছে, বিধানসভার একটা বিশেষ অধিবেশন যেন ডাকা হয়। মাননীয় রাজ্যপাল আমাদের এই দাবী মেনে নেওয়ায় আজ এই বিশেষ অধিবেশন বসলো। তাঁকে জানাই আমার ধন্যবাদ। আর এই অধিবেশনে বক্তব্য রাখার সুযোগ দেবার জন্য, মহোদয় আপনাকেও জানাই আমার ধন্যবাদ।

মহোদয়, সব বিষয়েই আমরা বিরোধীতার জন্য বিরোধীতা করিনা এরকম একটা Dispute দীর্ঘদিন যাবৎ চলবে, এটা আমাদের কাম্য নয়। কিন্তু যে পদ্ধতিতে এই সমস্যার সমাধান করা হয়েছে এবং তার পরেই সরকারের তরফ থেকে বিভিন্ন প্রচার মাধ্যমে যেসব পরষ্পর বিরোধী বয়ান বা মন্তব্য প্রকাশ করা হয়েছে, এতে অসমের জনসাধারণের মনে একটা বিভ্রান্তির সৃষ্টি হয়েছে। কখনো বলা হয়েছে যে শান্তি স্থাপনের জন্য "এবাধবাব" মাধ্যমে সমস্যার সমাধান করা

হয়েছে, আবার কখনো বলা হয়েছে যে অসমের এক ইঞ্চিও মাটী ছেড়ে দেওয়া হয়নি। এই বিভ্রান্তি নিরসনের জন্য দায়িত্বশীল বিরোধী হিসাবে আমরা পুংখানুপুংখ ভাবে আলোচনার জন্য এই অধিবেশনের দাবী জানিয়েছি যাতে জনগণের মনে সমস্ত বিষয়টো স্পষ্ট হয়।

উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রী ফণীভূষণ চৌধুরি ও মাননীয় প্রাক্তন মুখ্য মন্ত্রী শ্রী প্রফুল্ল কুমার মহন্ত মহাশয়, যেসব তথ্যপাতি দিয়ে এবিষয়ে বক্তব্য রেখেছেন, আমি তার পুনরাবৃত্তি করতে চাইনা। তবে, স্বাস্থ্যমন্ত্রীর বক্তব্য থেকে একথা স্পষ্ট বুঝতে পারছি যে এই চুক্তি করতে গিয়ে কিছুটা জমি আমরা নিশ্চয়ই পেয়েছি, আর কিছুটা জমি, ১৯৩ একর জমি আমাদের ছাড়তে হয়েছে। এক্ষেত্রে পূর্বতন সরকারকে অযথা দোষারোপ করা হয়েছে। কিন্তু আমরা স্পষ্টভাবে জানতে চাই যে বিভিন্ন সংবাদ মাধ্যমে মাননীয় মুখ্যমন্ত্রী মহোদয় যে বিবৃতি দিয়ে জনসাধারণকে জানিয়েছিলেন যে এক ইঞ্চিও জমি ছাড়া হয়নি অথচ এখন স্বীকার করছেন যে ১৯৩ একর জমি ছাড়া হয়েছে, কোনটো সত্য?

আমার দ্বিতীয় কথা, যে সরকারই ক্ষমতায় থাকুকনা কেন, হয়তো শ্রী প্রফুল্ল কুমার মহন্তই ছিলেন, তখন মানকাচরে আমাদের এই জমি রক্ষা করার জন্য ১৬ জন বি এচ এফ এর জাওয়ানকে বলিদান দিতে হয়েছিল। এসব কথা মনে রেখে কি শান্তির জন্য এই চুক্তি সম্পাদন করা হয়েছিল? যেখানে দেশের স্বার্থ, রাজ্যের স্বার্থ জড়িত, সেখানে আমাদের কোনও দ্বিমত থাকতে পারেনা। চোর, ডাকাত, অনুপ্রবেশকারী ইত্যাদি রোধ করতে নিশ্চয়ই সীমান্ত চীল করতে হবে। কিন্তু এর জন্য রাজ্যের বৃহত্তর স্বার্থ জলাঞ্জলি দেওয়া হলে এটা আমরা মেনে নিতে পারিনা এবং তার সত্যতা স্পষ্ট করার জন্য এই বিশেষ অধিবেশনের দাবী আমরা করেছিলাম। উপাধ্যক্ষ মহোদয়, বাংলাদেশের সঙ্গে আমাদের সীমান্তে অনেক সমস্যা

রয়েছে, এটা সত্য। এমনকি, আমাদের পার্শ্ববর্তী রাজ্যগুলি, যেমন, মেঘালয়, মিজোরাম, নাগাল্যাণ্ড- সবার সঙ্গেই আমাদের রাজ্যের সীমা বিবাদ রয়েছে, এটাও সত্য। এরজন্য মাঝেমাঝে গোলাগোলি বিনিময়ও হয়। তাইবলে তো মেরাপানী বা অন্য অঞ্চলে আমরা জমি ছেড়ে দিয়ে শান্তি স্থাপন করতে পারিনা। সেটা রাজ্যের পক্ষে শুভ হবেনা। তবে যে চুক্তি করেই শান্তি স্থাপন করা হওক না কেন, অসমের জনগণের তা জানার অধিকার নিশ্চয়ই রয়েছে। যদি শান্তি প্রতিষ্ঠার নামে সরকার রাজ্যের জনস্বার্থ বিরোধী কোনও চুক্তি করে তাহলে বিরোধী দল হিসাবে আমরা নিশ্চয়ই আলোচনার দাবী জানাব। আজকে যদি তর্কের খাতিরে মেনে নেই যে সরকারের সমস্যা আছে এবং সেই সমস্যা সমাধানের জন্য আজ তাকে এই চুক্তি করতে হয়েছে, তাহলে আমার প্রশ্ন যে গত দশ বছর যাবৎ কেন্দ্রে এবং রাজ্যে এই একই সরকার থাকা স্বত্তেও কেন চুপচাপ বসে ছিল? এক্ষেত্রে তদানীন্তন এজিপি সরকারের তাহলে দোষ দেখার যুক্তি কোথায়? কেন বিগত দশ বৎসর যাবত শাসন ক্ষমতায় থেকেও এই সমস্যার কথা বিধানসভায় অবগত করা হয়নি?

উপাধ্যক্ষ মহোদয়, সরকার যদি ভাল কাজ করে তাহলে শুধু শাসক দল কেন আমরা বিরোধীয়েও একশ'বার প্রশংসা করবো। আজ বাংলাদেশের সঙ্গে চুক্তি করে সীমান্ত সমস্যার সমাধান করা হয়েছে, কাশ্মীর নিয়ে পাকিস্তানের সঙ্গে চুক্তি হয়নি। এই সমস্যা রয়েই গেছে। আর এই চুক্তির পরে কি সব সমস্যার সমাধান হয়ে গেছে? কাছাড় জেলার হরিনগরের কাছে চৈতন্যনগর বি ও পির অধীনে গান্ধীনগর গ্রামে একশত বিঘারও বেশী জমিতে গত ২০০৮ সন পর্যন্ত ভারতের চাষীরা চাষ করতে পেরেছে, অথচ এখন পারছেনা। আমার কাছে ম্যাপ রয়েছে, বরাক ও কুশিয়ারা নদীর ওপারে রয়েছে এই একশ বিঘা উর্বর জমি। এখনো এই পইণ্টএ

কলকাতা থেকে কাছাড়-গামী জাহাজ আসলে ঢাকা থেকে অনুমতি আনতে হয়। তাই কাছাড়-বাসীর পক্ষ থেকে আমি মাননীয় মুখ্যমন্ত্রীর কাছে অনুরোধ করবো যে এই সমস্যার যেন অতি সত্বর সমাধান করেন। কারণ কাটিগড়ার নিকটে হরিনগর সীমান্তে ধান কাটা নিয়ে ২০০৭ সালে বিডিআর-বিএচএফ এর মধ্যে দস্তুরমতো যুদ্ধ হয়েছে এবং এতে এক মহিলা নিহত হয়েছিলেন। এখানে ২২০০ একর জমির সমস্যা আজো সমস্যা হয়েই আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, যেহেতু আজকার আলোচনার বিষয়বস্তু ভারত-বাংলাদেশ সীমান্ত সমস্যা সমাধানের চুক্তি নিয়ে, কিন্তু ভারত-বাংলাদেশ সীমান্তে আরো অনেক সমস্যা রয়েছে যা স্বচক্ষে দেখলে চোখের জল আটকাতে পারবেননা। আমার কাটিগড়া সমষ্টির অন্তর্গত হরিনগর এলাকায় কাঁটাতারের বেড়ার ওপারে অনেক ভারতীয় পরিবার রয়েছে, যারা এপারে এসে সাবাদিন দিনমজুরের কাজ করে রাত আটটার মধ্যে ওপারে চলে যায়। রাত আটটার পরে একটা গর্ভবতী মহিলা মরে গেলেও বি এছ এফ পরেরদিন সকাল ৮টার আগে গেট খুলবেনা। এদের না আছে, স্কুল, না আছে চিকিৎসালয়-একেবারে পশুরও অধম জীবনযাপন করছে। কাঁটাতারের বেড়া দেওয়ার ফলে এদের জীবন একেবারে দুর্বিসহ হয়ে পড়েছে। এরমধ্যে বিএছএফ এর লোকেরা এপাবে আসার সুবিধা দেবার আছিলায় এদের দিয়ে ঘণ্টার পর ঘণ্টা বেগার খাটায়। এদের সমস্যা সমাধানের জন্য যেন সরকার চিন্তা করে যাতে কাঁটাতারের বেড়া দেওয়ার ফলে যে সব ভারতীয় নাগরিকদুর্ভোগে পড়েছে তাদের হয় পুনর্ব্বাসন নাহয় compensation যেন দেওয়া হয়, তাহলে আল্লা নিশ্চয়ই আপনাদের দোয়া করবে। উপাধ্যক্ষ মহোদয়, আমাদের যে সমস্ত সমস্যা নিয়ে মাননীয় প্রধানমন্ত্রী ও মাননীয় মুখ্যমন্ত্রী ঢাকায় আলোচনা করতে গিয়েছিলেন এর উপর সরকারি যে বয়ান এই

সদনে রাখা হয়েছে তা বিভ্রান্তিমূলক। তাছাড়া সরকার যেখানে স্বীকার করেছে যে ১৯৩ একর বিতর্কিত জমি বাংলাদেশকে ছেড়ে দিয়ে সমস্যার সমাধান করা হয়েছে, সেক্ষেত্র ভবিষ্যতে মেঘালয়, মিজোরাম, নাগাল্যাণ্ড, অরুণাচল প্রদেশ সবাইকে বিতির্কিত জমি ছেড়ে দিয়ে সমস্যার সমাধান করলে, অসম আর কোথায় থাকবে? সুতরাং মাননীয় মুখ্যমন্ত্রী যেন বলিষ্ঠ নেতৃত্ব দিয়ে এই হাতছাড়া ১৯৩ একর জমি পুনরুদ্ধার করার ব্যবস্থা করেন। এই আশা করে এবং আমার সংক্ষিপ্ত ভাষণ শেষ করার আগে আমি অনুরোধ করবো যে চৈতন্য নগর বি অ পির অধীনে কান্দিগ্রামে যে ১০০ বিঘা জমিতে বাংলাদেশীরা ভারতীয়দেরে যে চাষ করতে দিচ্ছেনা, তার সমাধান যেন অচিরে করা হয়। মহোদয়, ভারত-বাংলাদেশ সীমান্তবর্তী সমষ্টির একজন বিধায়ক হিসাবে আমাকে প্রায়ই একটা না একটা সমস্যার সন্মুখীন হতে হয়। বি এচএফ কেম্পএর লোকেরা প্রায়ই সীমান্তবর্তী লোক দের বেশ অসুবিধার সৃষ্টি করে। এইতো গত পরশুদিন আমি ফোন পেলাম যে সুরমা নদী থেকে জল তুলে যে ৱাটার ছাপ্লাই স্কীম জল সরবরাহ করে, বিএচএফ পাম্প চালানোর অনুমতি না দেওয়ায় মানুষের চরম দুর্ভোগ হচ্ছে। তাছাড়া হরিনগর বিঅ'পিতে বিএচএফ এর জওয়ানরা বলপূর্বক ভাবে কৃষকদেরে দিয়ে জ্বালানী কাঠ সংগ্রহ করতে বাধ্য করাচ্ছে ও বলপূর্বক ভাবে দুই-আড়ই ঘণ্টা কেম্পএ বেগার খাটাচ্ছে, এই অমানুষিকতার একটা বিহিত করার জন্য মাননীয় মুখ্যমন্ত্রী মহোদয়কে অনুরোধ জানিয়ে আমি আমার বক্তব্য শেষ করছি।

**Mr. Speaker occupied the Chair**

**মাননীয় অধ্যক্ষ ঃ-** সভাৰ কাম প্ৰায় শেষ হৈ আহিছে আৰু বোধহয়

কবলগীয়া নাই। মাননীয় বিধায়ক, কেশৱ মহন্ত ডাঙৰীয়াই ১০ মিনিটৰ ভিতৰত শেষ কৰক।

*শ্রীকেশৱ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি পোন প্ৰথমতে ভাৰত-বাংলাদেশ চুক্তিখনৰ ওপৰত আলোচনা কৰাৰ কাৰণে বিধান সভাৰ অধিবেশন আহ্বান কৰাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিলো। ভাৰত আৰু বাংলাদেশৰ মাজত যিখন চুক্তি ৬ চেপ্তেম্বৰ তাৰিখে স্বাক্ষৰিত হ'ল, যত ভাৰতৰ প্ৰধান মন্ত্ৰীকে ধৰি অসমৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই ৫ চেপ্তেম্বৰ তাৰিখে ঢাকাত গৈছিল। সেই সময়ত এই চুক্তি খনক লৈ গোটেই অসমতে বিভিন্ন সংগঠন বিশেষকৈ ছাত্ৰ সংগঠন, অ-ৰাজনৈতিক অসমৰ বিভিন্ন দল আৰু ৰাজনৈতিক দলেও এই চুক্তি খনৰ সন্দৰ্ভত নিজা নিজা মন্তব্য আগবঢ়াইছে আৰু অসমৰ মাটি বাংলাদেশলৈ হাস্তান্তৰিত কৰাৰ সম্পৰ্কত আপত্তি দৰ্শাইছে। আমি অতি সহজভাৱে আলোচনা কৰিব বিচাৰি দুটামান কথা মই সদনত দাঙি ধৰিব বিচাৰিছো। আচল কথাতো হ'ল কিমান মাটি বাংলাদেশে আমাৰ ভাৰতবৰ্ষ তথা অসমত দখল কৰি আছিল বা আমি বাংলাদেশৰ কিমান মাটি দখল কৰি আছিলো, সেই কথাতো স্পষ্ট হ'ব লাগে। কিয়নো ডিমাৰকেচন নোহোৱাৰ কাৰণেও কাৰ মাটি ক'ত আছে সেইটো কথা ৰাইজে চাবলগীয়া হৈছে। অসম চৰকাৰৰ ডি এল আৰৰ ৰেকৰ্ডমতে অসমে বাংলাদেশৰ মাটি এডভাৰ্জ পজেচনত ৰখা নাই। আনহাতেদি বাংলাদেশেহে ভাৰতবৰ্ষৰ তথা অসমৰ মাটি, ধুবুৰীত ১৮৯.০৬ একৰ আৰু কৰিমগঞ্জত ৪১৫.৬৭ একৰ মাটি এডভাৰ্জ পোজেচনত ৰাখিছে। অসমে বাংলাদেশৰ কোনো মাটি দখল কৰা

* Speech not corrected

নাই। এতিয়া প্ৰশ্নটো আহিছে তেওঁলোকৰ দখলত থকা অসমৰ মাটি, বা অসমৰ মাটিৰ তেওঁলোকে যিখিনি দখল কৰি আছিল সেইখিনি মাটি আমাক ঘূৰাই দিছে বা আমি ঘূৰাই পোৱাৰ কোনো প্ৰশ্ন নুঠে। সেইটো ৰেডক্লিফ সীমা মাৰি থোৱা আছে। তাত এফালে পাকিস্তান আৰু আনফালে ভাৰত বুলি লিখি থোৱা আছে। এতিয়া পিলাৰ তাত নাই, লাটিটিলাৰ ডুমাবাৰীলৈ গৈছে। ১৯৬৪ চনতে ভাৰত পাক যুদ্ধ হৈছিল, তেতিয়া বাংলাদেশ ব'ৰ্ডাৰ গাৰ্ড তাত আছিল। লাটিটিলা আৰু ডুমাবাৰীৰ বাংলাদেশৰ যিটো বি ও পি ১৯৬৪ চনত সেইটো ভাৰতৰ ভিতৰত আছিল। যুদ্ধৰ সময়ত সেই বি ও পিটো বহুত আগুৱাই আহিছিল। ১৯৬৭ চনত যেতিয়া বি এছ এফ আহিল তেতিয়া ৰেডক্লিফৰ শিল সেই ঠাইত নাই। যুদ্ধৰ পিচত সেই সীমাৰ পৰা ভাৰতৰ ফালে বহুত আগবাঢ়ি আহিছিল। সেই ঠাইতে বাংলাদেশে এতিয়া দাবী কৰি আহিছে। এতিয়া আমাৰ অংকটো হ'ল ভাৰতবৰ্ষ তথা অসমে কোনো মাটি পোৱা নাই। আনহাতেদি ভাৰতবৰ্ষই বাংলাদেশৰ কোনো মাটি বে-দখল কৰি থকা নাই।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মোৰ যি অংক সেই মতে মাটি পোৱা দেখা নাই, তাত আমি মাটি বেদখল কৰি থকা নাই। যদি মাটি দখল কৰি থাকিলোহেতেন বিবাদ হ'লহেতেন। পিচ পৰি থাকিলহেতেন। বৰাইবাৰী পজেশ্চন আছিল। পাকিস্থানৰ সিপাৰে পালাতলপুৰ আৰু ভাৰতবৰ্ষৰ ফালে মদনপুৰ। এই পালাতলপুৰ বাগান চাই আহিছো। বাগানৰ মেনেজাৰ জনে চাইকেল চলাই আহোতে লগ পাইছিলো। পালাতল পুৰ চাহবাগিচাৰ পিলাৰটো সীমা নিৰ্ধাৰণ কৰি ফেন্সিং দিয়া হৈছে। পিলাৰৰ সেই মাটিখিনিও এৰি দিব লগা হ'ল। ৰেডক্লিফৰ কথা কোৱা হৈছে- ভাৰতবৰ্ষৰ বাহিৰত পালাতলপুৰ চাহ বাগিছা আছে। এতিয়া আমি দেখিছো অসমে মাটি পোৱা নাই।

যেতিয়া মাটি দেখিছিলো তেতিয়া এড্‌ভাৰচ পজেচনত আছিল। সেই মাটি এৰি দিব লগা হৈছে। সেই মাটি তেওঁলোকৰ বুলি কলে অসুবিধা হব। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই সেই ধৰণে আশা কৰিছিল। কেইটা হাই কোৰ্টত কেচ আছে। অসমৰ বিদেশী বহিষ্কৰণ আন্দোলনৰ সময়ত আছু, অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰৰ মাজত চুক্তি স্বাক্ষৰিত হৈছিল। সেই চুক্তিখন স্বাক্ষৰিত হোৱাৰ পিচত বিদেশী নাগৰিক বহিষ্কৰণ আৰু আই এম ডি টি আইন বাতিল কৰাৰ কথা আছিল। এই ক্ষেত্ৰত আইনৰ বাধা আছিল। যাৰ কাৰণে বিদেশী সকলক বাংলাদেশে গ্ৰহণ নকৰিলে। এই ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ কাৰণে কোৰ্টত কেচ আহি আছিল। আজি ট্ৰাইবুনেলে বিদেশী নাগৰিক চিনাক্তকৰণ কৰিব। তাৰ পিচত বিদেশী বহিষ্কাৰ কৰা হব। এই চুক্তি অন্তৰ্ভুক্ত নহ'ল। আমি এটা কথা দেখিবলৈ পাইছো যে এই বিদেশী নাগৰিকৰ সমস্যাটো ভাৰতবৰ্ষত আজিও আছে আৰু ভৱিষ্যতেও থাকিব। এই চুক্তিৰ জৰিয়তে বিদেশী থকাৰ পথ প্ৰশস্ত কৰা হ'ল। আমি এই চুক্তি ৰেটিফিকেচন কৰি আছো। এই সকলোবিলাক কথাৰ সৰ্বদলীয় সিদ্ধান্ত হ'ব লাগে। মই আৰু বেছি কবলৈ নোখোজো, সময়ৰ অভাৱ। আমালৈ এই বিষয়ে বহুতো এপ্লিকেচন আহিছে। এই বিলাক মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰলৈ প্ৰেৰণ কৰিলো। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. speaker: Now Hon'ble Chief Minister**

**শ্ৰীতৰুণ গগৈ ( মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে বিৰোধী দলৰ সদস্য শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু শ্ৰী কেশৱ মহন্ত প্ৰমুখ্যে

আৰু আমাৰ দলৰ ফালৰ পৰাও যি সকল সদস্যই অংশ গ্ৰহণ কৰিছে তাৰ কাৰণে মই সেই সকল সদস্যক ধন্যবাদ দিছো। এই বিষয়টোৰ ওপৰত সভাখন হৈছে বিধান সভা কল কৰাৰ কাৰণে। ধৰিলো এই বিষয়টো মহন্ত ডাঙৰীয়াই নিজেই বিচাৰিছিল আৰু সেই কাৰণে এই বিষয়টোৰ ওপৰত ডিচকাচন হ'ব লাগে বুলি মইও ভাবিছো। হয়, সেই বিষয়টোৰ ওপৰত মানুহৰ মাজত বিভিন্ন ধৰণে ষ্টেটমেণ্ট দি আছো, সেইটো মানুহৰ মাজত কনফিউজন হোৱাটো স্বাভাৱিক। আৰু বিশেষকৈ বিৰোধী দল বিলাকে আমাক সমালোচনা কৰিছে। তেখেত সকলৰ অৱশ্যে সমালোচনা কৰাৰ সকলো অধিকাৰ আছে। আৰু আমি আমাৰ ফালৰ পৰা আমাৰ যি বক্তব্য আমি সেই বক্তব্য দিয়াৰ কাৰণে আজি আমি এই এছেম্বলীৰ যোগেদি কনভে কৰা বা সন্মতি প্ৰকাশ কৰিছো। প্ৰথম কথাটো হল- যে বহুতে কৈছে- তৰুণ গগৈয়ে চিক্ৰেটলি গৈ আলোচনা কৰিছে। মহন্ত ডাঙৰীয়াইও সেই বিষয়ে সমালোচনা কৰিছে। মই যোৱাৰ আগতে দুবাৰ কৈ প্ৰেছ কনফাৰেন্স পাতিছিলো। যোৱাৰ আগতে exactly কি হ'ব, কি নহব তাত সকলো কথাই কৈছিলো। এগ্ৰিমেণ্টৰ আগত কি হব সেইটো মই নাজানো। মহন্ত ডাঙৰীয়াই যেতিয়া দিল্লীলৈ গৈছিল, মোৰ মানুহও গৈছিল। মই জানো, কেনেকৈ প্লেনেৰে লৈ গৈছিল, তেখেতেও নাজানে তাত কি হব। তেখেতেও ভাবিছিল বিদেশী খেদিব লাগে ৫২ চনৰ পৰা, এগ্ৰিমেণ্ট কৰিলে ৭৭ চনৰ পৰা। যি হওক তেতিয়া আমাকো দোষাৰোপ কৰিছিল যে কংগ্ৰেছ দেশদ্ৰোহী। তেতিয়াই আমি ইন্দিৰা গান্ধীক কৈছিলো এইটো ৬৭ চনৰ পৰাই হব লাগে। এইখিনি মানবীয় দৃষ্টিভংগীৰে চাব লাগে। তেতিয়া আমাক কৈছিল, কিন্তু তেখেতে দিল্লীলৈ গ'ল, তেখেতেও এগ্ৰিমেণ্ট কৰিলে অসমৰ স্বাৰ্থত হয়তো কৰিছে নিশ্চয়। অসমৰ স্বাৰ্থতে যদিও বিদেশী খেদা আন্দোলন আছিল ৭৩ চনলৈকে সেই বিলাক

ৰেগুলাৰাইজ কৰিলে। এতিয়া কি কৰিলে? কিন্তু তেখেতে তেতিয়াও অসমবাসীৰ লগত আলোচনা কৰি যোৱা নাছিল। আৰু আজিও প্ৰধানমন্ত্ৰীয়ে পাৰ্লিয়ামেণ্টত আলোচনা কৰি গৈছিল নেকি? আমি ওৱেষ্ট বেঙ্গলক মাটি দিছোঁও আৰু মাটি পাইছোঁও। না তাত ডিচকাচন হৈছে না তাত সমালোচনা হৈছে। মেঘালয় চৰকাৰেও মাটি পাইছে আৰু গৈছেও। কোনোবাই বেছি পাইছে কোনোবাই কম পাইছে। মমতা বেনাৰ্জীয়ে তাত যোৱা নাই। কিন্তু মাটি চেটেলমেণ্ট হৈ গ'ল। মমতাৰ পৰা কিছু গৈছে কিছু পাইছেও। না বেলেগে বেলেগে পাৰ্টিৰ লগত আলোচনা কৰিছে। তাততো তেওঁলোকে ডিচকাচন কৰি যোৱা নাই। পাৰ্টিৰ লগত আলোচনা কৰিছে। এই গোটেই প্ৰশ্নটো অসমত হৈছে। এইটো মেঘালয়ত হৈছে নে ত্ৰিপুৰাত হৈছেনা ওৱেষ্ট বেঙ্গলত হৈছে? আৰু এই এগ্ৰিমেণ্টটো হৈছে ভাৰত চৰকাৰ আৰু বাংলাদেশ চৰকাৰৰ লগত। এগ্ৰিমেণ্টৰ আগত কেতিয়াও পাৰ্লিয়ামেণ্টত ডিচকাচন নহয়। হবও নোৱাৰে। ইণ্টাৰনেচনেল কিমান এগ্ৰিমেণ্ট হৈছে, এই ইণ্টাৰনেচনেল এগ্ৰিমেণ্টৰ আগত পাৰ্লিয়ামেণ্টত ডিচকাচন নহয়। কোনখন ইণ্টাৰনেচনেল এগ্ৰিমেণ্টৰ আগত পাৰ্লিয়ামেণ্টত ডিচকাচন হৈছে? প্ৰধান মন্ত্ৰীয়ে পাৰ্লিয়ামেণ্টত আলোচনা কৰাৰ কোনো কথাই নাই।

মাননীয় অধ্যক্ষ, প্ৰধানমন্ত্ৰী আৰু মই চিক্ৰেটলি যোৱাৰ কোনো কথাই নাই। আমি খোলা-খুলি ভাৱে কৈছো। যোৱাৰ আগতে প্ৰেছ কনফাৰেন্স পাতি গৈছো। প্ৰশ্ন আহিছে যে মাটিখিনি কাৰ দখলত আছে। দখলটো বেলেগ কথা, প্ৰয়োজনটো কাৰ? মেপত থকাটো বেলেগ কথা নহয়। মেপৰ মতে আমি মাটি দিছো, কিন্তু দখলৰ হিচাপত আমি মাটি পাইছো। মেপত হয়তো এতিয়া অৰুণাচল চাইনাৰ লগত আছে, কিন্তু অৰুণাচল এতিয়াও অসমৰ দখলত আছে। দখল এতিয়া

কাৰ লগত সেইটো আচল প্ৰশ্ন। এতিয়া কাশ্মীৰ আমাৰ ভাৰতবৰ্ষৰ মেপত আছে। দখলত আমাৰ লগত আছে। এতিয়া এই দখলৰ পৰা আমি কিমান পালো আৰু তেওঁলোকে কিমান পালে, সেইটোহে হৈছে মোৰ প্ৰশ্ন। আজি যদি চাও এই মাটিৰ বিবাদটো আজিৰ নহয়। এই বিবাদটো ১৯৪৭ চনৰ পৰাই আছে। এই বিবাদ নতুন বিবাদ নহয়। এই বিবাদ গোটেই ভাৰতবৰ্ষতে চলি আছে। এই কথা সকলোৱে জানে। এই বিবাদ ১৯৪৭ চনৰ পৰাই চলি আছে আৰু সেই অঞ্চলবিলাকত সকলোৱে জানে যে বহুবাৰ যুদ্ধও হৈছে, গুলিয়াগুলিও হৈছে। এই সীমামুৰীয়া অঞ্চল বিলাকৰ মানুহে জানে যে, মানকাছাৰে হওক, কৰিমগঞ্জই হওক এই অঞ্চল বিলাক লৈ আমাৰ দুয়োখন দেশৰ মাজত বুজাবুজি চলি আছে। ফলত সৰু এটা বিবাদ চলি আছে তাৰ পিছত ১৯৭৪ চনৰ ইন্দিৰা-মুজিব চুক্তি মতে দখলত থকা মাটি সেই অৱস্থাতে থাকিব। সেই কাৰণে ফেন্সিং দিয়া নহ'ল। ফেন্সিং দিব লাগিছিল। নিয়ম মতে ফেন্সিং ক'ত দিব লাগে। অসম চুক্তি মতে প্ৰকৃততে আন্তঃৰাষ্ট্ৰীয় সীমাত ফেন্সিং হ'ব লাগে। এইটো ইন্দিৰা গান্ধী মুজিব চুক্তি আছিল ষ্টেতাচকো। যদি আমাৰে দখলত আছিল ফেন্সিং পিছুৱাই দিছিল কিয়? পূৰ্বে গোটেইখিনি মাটি বাংলাদেশৰ দখলত আছিল। তেতিয়া এই ফেন্সিং দিব নোৱাৰিলে কিয়? ইন্টাৰনেচনেল বৰ্ডাৰ মানে কি? ভাৰতবৰ্ষৰ সীমাত বাংলাদেশ আৰু পাকিস্থান আছে। আজি মই ধুবুৰীৰ কথা কোৱা নাই, মানকাছাৰ আদিত ফেন্সিং আছে। এই বিলাক এডভাৰ্চ পজিচনত আছে। ফেন্সিং দিলে কি বুজাই? এই খিনি মাটি আমাৰ পজেচনত নাছিল। মই স্বীকাৰ কৰিছো যে লছ হৈছে। কাৰণ তেতিয়া অসম মেঘালয়ৰ লগত আছিল। মেঘালয় পিছতহে হৈছে। এডভাৰ্চ পজেচন মতে এতিয়া বেলেগ হৈছে। তাৰ মানে যি যেনেকে আছে তেনেকে থাকিব। আজি আমি

তেওঁলোকৰ এডভাৰ্চ পজেচনৰ পৰা ১২০০ একৰ মাটি বেছিপাইছে। আৰু তেওঁলোকে দিছে। কিন্তু আমি কাৰ লগত বন্ধুত্ব কৰিলো। যাৰ কাৰণে অসমৰ উন্নতি হ'ব। এতিয়া এটাই আনডিমাৰ্কেটেড এৰিয়া আছে সেইটো হৈছে ডোমাবাৰী বা বালিতাৰা এৰিয়া। সেইটো ইন্দিৰা মুজিব চুক্তিৰ আগতে নাছিল। পিছত ১৯৬৫ চনৰ যুদ্ধৰ আগত আমাৰ কিছুমান পৰিয়াল তাত আছিল, কিন্তু যুদ্ধৰ পাচৰ পৰাই সেই মানুহখিনি আমাৰ ফালে গুচি আহিছে। তাত তেওঁলোকৰ কোনো দখল নাই, কাৰোবাৰ কাগজ থাকিব পাৰে, কিন্তু দখলত নাই। কৰবাত যদি এজন আছে, কৰবাত দুজন, কৰবাত ১০/১২ জন আছে। তেওঁলোকে জানে যে এতিয়া তেওঁলোক ঘূৰি যাব নোৱাৰে। তেওঁলোকে এতিয়া কমপেনচেচন বিচাৰিছে। হয়, তেওঁলোকে কম্পেনচেচন পাব লাগে। কাৰণ অৰিজেনেলি তেওঁলোক আমাৰ মানুহ। ১৯৬৬ চনৰ পিচৰ পৰা তেওঁলোক যাব পৰা নাই। এইটো অকল ডোমাবাৰী এৰিয়াত আছে, বাকী এৰিয়াত নাই। ইয়াত কেতিয়াও চেটেলমেণ্ট কৰিব পৰা নাই। আজি প্ৰশ্ন আহিছে যে আমাৰ দখলত থকা মাটি আমি তেওঁলোকক বেছিকৈ দিলো নে আমি বেছিকৈ পালো। আমাৰ মাটি সীমা হিচাবত যিমান দখলত আছিল এতিয়াও আছে। মহন্ত ডাঙৰীয়াৰ দিনত যিমান মাটি আছিল সেই মাটিৰ যদিও এক ইঞ্চি মাটি দিয়া হৈছে তেন্তে মই ৰিজাইন দিম। মহন্ত ডাঙৰীয়াই যদি প্ৰমাণ কৰি দিব পাৰে তেন্তে আজিয়েই মই ৰিজাইন দিম। মহন্ত ডাঙৰীয়াই লওক চেলেঞ্জ। মই এম এল এৰ পৰাও ৰিজাইন দিম। মই মুখ্যমন্ত্ৰী পদটোকে এৰিব খুজিছিলো। আজি মাটি যাৰ দখলত আছে তাৰে মাটি হ'ব। আজি মোৰ মাটি আছে, দখলত আছে আজমলৰ, এতিয়া মাটিটো কাৰ হ'ব? মাটিটো আছে তৰুণ গগৈৰ নামত, খাই আছে আজমলে। তাৰ পৰা মই কিছু আনিলো, সেই বুলি লোকচান হ'ল নেকি? তাৰ মানে মই আজমলৰ তাত ৰখাটোৰে

বিচাৰিছো নেকি? এতিয়া আমি বিচাৰিছো যে এইটো বাংলাদেশৰ লগত থাকিব লাগে। কথাটো হৈছে এইটোৱেই মেপত আছে ১০০ বিঘা, এতিয়া মই পালো ৮০ বিঘা। এতিয়া এই ৮০ বিঘা নালাগে নেকি? প্ৰশ্ন আহিছে এইটো । এইটো চিধাচিধি কথা। বহুতে কৈছে এইটো বাতিল কৰিব লাগে। তাৰমানে আজমলৰ লগত থাকিব লাগে, এইটো আজমলৰ লগত ভাবিব নালাগে। ভাবিব লাগে বাংলাদেশৰ লগত। আজি মই ধন্যবাদ দিছো- শ্বেখ হাছিনাক। হাছিনাই আমাৰ লগত চুক্তি কৰা কাৰণে ইয়াত যেনেকে অপ'জিচন পাৰ্টিয়ে হাল্লা কৰিছে তাত কিন্তু কৰা নাই। তাত অপ'জিচনে মাত মতা নাই। খালিদা জিয়া কাৰ বন্ধু। ভাৰতবৰ্ষৰ বন্ধু নে অসমৰ বন্ধু? ভাৰতবৰ্ষ আৰু অসমকো ভিষ্টাৱিলচ কৰিব বিচাৰিছে। আমাক কোনে সহায় কৰিছে। আজি আমাক ইয়াত বিৰোধিতা কৰা মানে খালিজা জিয়াক সমৰ্থন কৰা। আজি ভাৰতবৰ্ষক শ্বেখ হাছিনাই বিক্ৰী কৰি দিব খুজিছে। আমি কাৰ লগত বন্ধুত্ব পাতিলো। আমাৰ ভৱিষ্যৎ উন্নতিৰ কাৰণে আমি ভাবিছো। অসমৰ বৰ্ডাৰ বিলাকত নানা ধৰণৰ সমস্যা আছে, যেনে স্মাগলিং আৰু অন্যান্য সমস্যা আছে। আমি বিচাৰিছো অসমৰ ভৱিষ্যৎ উজ্জ্বল হওক। আমাৰ যিহেতু ওচৰ চুবুৰীয়া দেশ সেয়েহে বাংলাদেশ লগত মিলি থাকিব বিচাৰিছো। বাংলাদেশে হওক, ম্যানমাৰে হওক বা ভূটানে হওক সকলোৰে লগত আমি মিলি থাকিব লাগিব। এই বিলাকৰ লগত ডিছপুত আছে। এই ডিচপুট বিলাক সমাধান কৰি আমি তেওঁলোকৰ লগত সদভাৱে থাকিব লাগিব। বাংলাদেশৰ লগত আমাৰ সম্বন্ধ থাকিব লাগিব কাৰণ তেওঁলোকৰ লগত আমাৰ বহুতো প্ৰজেক্ট আছে। এই বিলাক প্ৰজেক্ট চলি থাকিব। আগৰ সময়ত যিবিলাক যাতায়াতৰ ব্যৱস্থা আছিল, সেই বিলাক ৰিভাৰবোৰ্ডে হওক বা ৰেল বোৰ্ডে হওক বা অন্য বোৰ্ডে হওক সেই বিলাকৰ আমি

উন্নতিৰ ব্যৱস্থা কৰিব পাৰিম। আজি মানকাছাৰে হওক বা কৰিমগঞ্জই হওক তাৰ মানুহ বিলাকে আমাক যথেষ্ট ভাল পায়।

আজি বাংলাদেশেই হওক, মানকাছাৰেই হওক, ভূটানেই হওক সকলো দেশৰ লগতে বিবাদ আছে যদিও ইয়াক আমি কেনেকৈ সমাধা কৰিব পাৰো তাক চাব লাগিব। বাংলাদেশৰ লগত সম্বন্ধ ভাল কৰাটো আৱশ্যক বুলি আমি ভাবো বাংলাদেশৰ লগত আমাৰ বাণিজ্য আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত স্থল পথেই হওক, জলপথেই হওক আমাৰ যাতায়াতৰ সুযোগ সৃষ্টি কৰাত সুবিধা আছে যিবিলাক আমি বাংলাদেশৰ মাজেদি কৰিব পাৰো। আমি এতিয়া বাংলাদেশৰ লগত সদ্ভাৱ ৰক্ষা কৰিবলৈ যাওঁ আমাৰ কাম হ'ব। কোনে কিমান মাটি পালে মই হিচাপ দিব পাৰো। পশ্চিমবংগই কিমান মাটি পালে হিচাপ দিব পাৰো। আমাৰ যিমান খিনি এডভাৰ্চ পজেচন আমি পাইছো তাৰো হিচাপ দিব পাৰো। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শ্ৰীমতী মমতা বেনাৰ্জী চুক্তিৰ আলোচনাৰ কাৰণে বাংলাদেশলৈ নাযাব পাৰে কিন্তু তেওঁ সন্মতি জনাইছে। লেণ্ড দিচপিউট তেওঁলোকৰো আছে। তেওঁলোকে কি ভুল কৰিছে। তেওঁলোকৰ মাটি তেওঁলোকে পাইছে। মই কি ভুল কৰিছো। আমি বেছি মাটি আনিব নালাগে, যিখিনি ফেন্সিঙৰ দখলত আছিল আমি পাইছো। চুক্তি হোৱাৰ পিছতো কিছুমানে কৈছে ৰেটিফাই হ'ব লাগে। মেঘালয়ে বেছি পাইছে হয়। মেঘালয়ৰ এডভাৰ্চ পজেচনত আছে। প্ৰশ্ন আহিছে দখল কাৰ? আমাৰ দখলৰ ভিতৰত আছে তাত কাম কৰিব পাৰিম। এডভাৰ্চ পজেচনত আমি কৰিব নোৱাৰো। আমি কেনেকৈ ফেন্সিং দিম। দখলত আছে ১১৫ একৰ ভূমি। বাংলাদেশে পাইছে ৩০ একৰ। কোনোবাই বেছি পাইছে, কোনোবাই কম পাইছে তাত কোনো হুলস্থূল কৰা নাই। মেঘালয়, পশ্চিমবংগ, ত্ৰিপুৰাত

কোনো হুলস্থূল হোৱা নাই। কেৱল মাত্র অসমতহে হুলস্থূল হৈছে। মহন্ত ডাঙৰীয়াই দহ বছৰ শাসন কৰিছে। তৰুণ গগৈয়ে একো নাজানে বুলি কয়। তেওঁ প্রজাক শাসন কৰে, মই প্রজাক শাসন নকৰো। ৰাইজক সেৱাহে কৰো। মহন্ত আমাতকৈ বেছি জনা লোক। আজি যদি আমি বিভিন্ন ধৰণে বিশ্লেষণ কৰি চাও ৰাইজৰ লাভৰ কাৰণে কাম হৈছে। এই যিবিলাক সমস্যা আছে সেইবিলাকৰ ওপৰত আমি কাম কৰিছো। মেঘালয়, নাগালেণ্ডে হয়তো অলপ অচৰপ মাটি বেছি পাইছে। অৰুণাচলৰ পৰা আমাৰ অসমলৈ মানুহ আহিছিল। সেই লোকসকল তাত বনুৱা হিচাপে কাম কৰিছিল। তাৰ পৰা অসমলৈ আহিছিল। মহন্ত আৰু আজমলে তেওঁলোকক বিদেশী বুলি কৈছিল। সেইটো নহয়। তেওঁলোকে বিদেশী বুলি প্রমাণ কৰক। এই সন্দৰ্ভত দুবাৰো প্রেছ কনফাৰেঞ্চ কৰিছে। চুক্তি সন্দৰ্ভত মেপ চালে আমি হেৰুৱাইছো। কিন্তু দখল যদি চাওঁ আমি পাইছো। মেপত আছে হয় সেইটো এডভাৰ্চ পজেচনত আছে। বাউণ্ডেৰীত নাই। ৰেডক্লিফ নামৰ ইংৰাজ বিষয়া এজনে দখল চাই চাই সীমা নির্ধাৰণ কৰিছিল সেই মতে আমি বেছি পাইছো। কোনে গেইন কৰিছে কোনে লছ কৰিছে সেই ধৰণে আমি চোৱা নাই। আমি বাংলাদেশৰ লগত সম্বন্ধ ৰাখিবলৈ বিচাৰিছো। তাকো চুক্তিৰ আলোচনাত বাংলাদেশৰ প্রধান মন্ত্রী শেখ হাচিনাৰ ওচৰত প্রব্রজন সম্পৰ্কীয় কথাটো ৰেইজ কৰিছো। সেইটো তেওঁ চাম বুলি কৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই নিজে শেখ হাচিনাৰ লগত ফেচ কৰিছো। তোমালোকে নুবুজিলেও আমাৰ লাখ লাখ মানুহে বুজিব তেওঁলোকে কিয় নুবুজিব। বোৰ্ডাৰৰ মিচ আণ্ডাৰ ষ্টেণ্ডিংটো আমাৰ এডমিনিষ্ট্ৰেচনৰ ফালৰ পৰা আমি নাইকীয়া কৰিব বিচাৰিছো। আমাৰ কিমান সমস্যা আছে। আজি গাৰো পাহাৰৰ সমস্যাও আছে।

আমাৰ অসমত যিমানবোৰ সমস্যা আছে আজি নিবনুৱা সমস্যা, ট্ৰেন্সপোৰ্ট সমস্যা তেখেতসকলৰ লগত মিলিজুলি আলাপ আলোচনাৰ মাজেৰে সমাধান কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমি কৰিব বিচৰা নাই বুলি বি জে পি ও কয়। মহন্তৰ দিনটো আমি এই বিষয়টো যে আমাৰ আছিল তেতিয়া তেওঁ কি এটেম্প্ট কৰিছিল ? এতিয়া কৈ আছে বাতিল কৰিবলাগে। যি সকলে অপোজ কৰিছে সেই সকলে সমস্যা সমাধান কৰিব বিচৰা নাই। আমি ফটো আইডেনটি দিব বিচাৰিছিলো। এ জি পি, বি জে পি সকলোৱে ফটো আইডেনটি দিব নিদিয়ে। ফটো আইডেনটি দিয়া হলে তেওঁলোকৰো হাৰাশাস্তি নহয় আমাৰ সুবিধা হয়। বি জে পিও কৈ থাকে ব'ৰ্ডাৰ চাব লাগে। আমাক সকলোৱে সমালোচনা কৰি থাকে আমি ভোটৰ আশাত কৰি আছো। ভাৰতীয় নাগৰিকক ৰক্ষণাবেক্ষণ দিয়া আমাৰ দায়িত্ব। ভোট দিয়া নিদিয়াটো তেওঁলোকৰ কথা। মই মুখ্য মন্ত্ৰী নহ'লে থাকিব নোৱাৰিব নেকি ? তৰুণ গগৈ ভাইচ প্ৰেচিডেন্টৰ লোভত থকা বুলি কয়, ডাঙৰ পোষ্ট, মই সৰ্বসাধাৰণৰ মাজত এজন কংগ্ৰেছ কৰ্মী হৈ থাকো তেতিয়াও হব। পাৰাৰ নাথাকিলে কি কৰিব পাৰিব। সেইবোৰ দেখি আছো। মহন্তৰ প্ৰতাপত এটা সময়ত ৰাস্তাত ওলাবলৈ ভয় লাগে। হয়, সেইটো অলপ দিনৰ কাৰণে হয়। অসমৰ ৰাইজে বিচাৰে সমস্যাবোৰ সমাধান হওক। অপোজিচন থাকিলে মোৰ ৰাইজে বিচাৰক আমাক হোৱাইট পেপাৰ লাগে। অপোজিচন থাকিলেও মই মোৰ মতে থাকিম। কোন শুদ্ধ কোন অশুদ্ধ এতিয়া অসমৰ ৰাইজে কব। অসমৰ ৰাইজৰ সমৰ্থন আছে নে নাই অসমৰ ৰাইজে কব।

মাননীয় অধ্যক্ষ ঃ এতিয়া সদনৰ সময় বিশ মিনিট আগবঢ়াই দিয়া হ'ল।

## LAYING OF NOTIFICATION

**মাননীয় অধ্যক্ষ ঃ** কাৰ্যসূচী নং ৪।

এতিয়া অসমৰ মাননীয় মুখ্য মন্ত্ৰী, শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই অসম চৰকাৰৰ বিত্তীয় বিভাগৰ (স্থাপনা-খ) ২০১০ চনৰ ৩০ অক্টোবৰ তাৰিখৰ অধিসূচনা নং এফ ই বি ৮৫/২০১০/২৬ খন সদনত দাখিল কৰিব।

**শ্ৰীনীলমণি সেন ডেকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰীৰ হকে মই অসম চৰকাৰৰ বিত্ত বিভাগৰ (স্থাপনা-খ) ২০১০ চনৰ ৩০ অক্টোবৰ তাৰিখৰ অধিসূচনা নং ১, ই, বি, ৮৫/২০১০/২৬ খন সদনত দাখিল কৰিলো।

## OBITUARY REFERENCES

মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্যসূচী নং ৫। **মৃত্যু প্ৰসঙ্গ**

ত্ৰয়োদশ অসম বিধান সভাৰ দ্বিতীয় অধিবেশন সমাপ্তিৰ পৰা আজি ১৭-১০-২০১১ তাৰিখে ত্ৰয়োদশ অসম বিধান সভাৰ তৃতীয় তথা বিশেষ এদিনীয়া অধিবেশন অনুস্থিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য আৰু দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা সাংসদ, প্ৰাক্তন সাংসদ, প্ৰাক্তন মন্ত্ৰী তথা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত ইয়াত নাম উল্লেখিত ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

১) ছিলভিয়াছ কন্দপান ঃ

ৰাজ্যসভাৰ সাংসদ, প্ৰাক্তন মন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ছিলভিয়াছ কন্দপানৰ যোৱা ইংৰাজী ১০ অক্টোবৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যু সময়ত তেখেতৰ বয়স আছিল ৭৩ বছৰ।

১৯৩৮ চনৰ ১৯ জুলাই তাৰিখে জন্ম গ্ৰহণ কৰা কন্দপান ডাঙৰীয়াই ১৯৭৮ চনত মাজবাট সমষ্টিৰ পৰা জনতা দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ সংসদীয় সচিব হিচাপে কাৰ্য্যনিৰ্বাহ কৰি পুনৰ ১৯৮৩ চনৰ পৰা ১৯৯৬ চনলৈ একেৰাহে অসম বিধান সভালৈ মাজবাট সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে নিৰ্বাচিত হৈ বিভিন্ন গুৰুত্বপূৰ্ণ পদবীৰ দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ মীন, গড়কাপ্তানি আৰু নিয়োগ মন্ত্ৰী, ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ অসম বিধান সভাৰ বিৰোধী দলপতি, কংগ্ৰেছ বিধায়িনী দলৰ দলপতি আৰু ২০০১ চনৰ পৰা ২০০৪ চনলৈ ৰাজ্যিক পৰিকল্পনা বোৰ্ডৰ উপাধ্যক্ষ হিচাপত কাৰ্যনিৰ্বাহ কৰিছিল। ২০০৪ চনত কন্দপান ডাঙৰীয়াই প্ৰথমবাৰৰ বাবে আৰু ২০১০ চনত পুনৰ দ্বিতীয় কাৰ্য্যকালৰ বাবে ৰাজ্যসভাৰ সাংসদ ৰূপে নিৰ্বাচিত হৈ সংসদৰ মজিয়াত বলিষ্ঠ ভূমিকা পালন কৰিছিল। ২০০৩ চনত তেখেতে 'ডঃ বি-আৰ আম্বেদকাৰ' বঁটা লাভ কৰিছিল। কন্দপান ডাঙৰীয়াই অসম চাহ মজদুৰ সংঘকে ধৰি চাহ জনগোষ্ঠীৰ বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ গুৰু দায়িত্ব বহন কৰাৰ লগতে ৰাজ্যৰ কল্যাণৰ হকে নিষ্ঠাৰে সেৱা আগবঢ়াইছিল।

এইগৰাকী জ্যেষ্ঠ ৰাজনৈতিক নেতা, সাংসদ, প্ৰাক্তন মন্ত্ৰীৰ মৃত্যুত ৰাজ্যৰ ৰাজনৈতিক জগত তথা সমাজ জীৱনত এক বৃহৎ শূণ্যতাৰ সৃষ্টি হ'ল।

## ২) আতাউৰ ৰহমান ঃ

প্ৰাক্তন সাংসদ তথা অৱসৰ প্ৰাপ্ত ভাৰতীয় আৰক্ষী সেৱা বিষয়া আতাউৰ ৰহমানৰ যোৱা ইংৰাজী ৯ চেপ্তেম্বৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৯ বছৰ।

১৯২২ চনৰ ১ মাৰ্চ তাৰিখে জন্ম গ্ৰহণ কৰা আতাউৰ ৰহমান ডাঙৰীয়াই ভাৰতীয় আৰক্ষী সেৱা বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতে অসম গণ পৰিষদ দলৰ প্ৰতিষ্ঠাপক সভপতি মণ্ডলীৰ অন্যতম সদস্য আছিল। ৰহমান ডাঙৰীয়াই ১৯৮৫ চনত অসম গণপৰিষদ দলৰ প্ৰাৰ্থীৰূপে বৰপেটা লোকসভা সমষ্টিৰ পৰা লোকসভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। ৰহমান ডাঙৰীয়া এগৰাকী সুদক্ষ্য ৰাজনীতিজ্ঞৰ লগতে ৰাজ্যৰ সমাজ জীৱনৰ শুভ চিন্তকো আছিল।

এইগৰাকী বিশিষ্ট ৰাজনীতিজ্ঞ তথা সমাজকৰ্মী মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

## ৩) ডঃ প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ

বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ তথা সমালোচক ডঃ প্ৰহ্লাদ কুমাৰ বৰুৱাৰ যোৱা ইংৰাজী ২৪-৮-২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৭ বছৰ।

১৯৪৪ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে শিৱসাগৰ জিলাৰ দেউডুবি গাঁৱত জন্ম গ্ৰহণ কৰা ডঃ বৰুৱা ডাঙৰীয়াই ১৯৭৩ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতে শিক্ষকতাৰে কৰ্ম জীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত ডিব্ৰুগড়

বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কৰ্মজীৱন সামৰে। অসমীয়া সাহিত্যলৈ অনৱদ্য অৱদান আগবঢ়াই থৈ যোৱা ডঃ বৰুৱা ডাঙৰীয়াই ভালে কেইখন গ্ৰন্থ ৰচনা কৰাৰ ওপৰিও ছুটি গল্পও ৰচনা কৰিছিল। তদুপৰি তেখেতে বস্তু আৰু তত্ত্ববাদ, ভাওনাৰ সমীক্ষা, বৰগীত সমীক্ষা আদি অনেক চিন্তা গধুৰ সংকলন সম্পাদনা কৰিছিল।

এইগৰাকী বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদৰ মৃত্যুত ৰাজ্যখনৰ শিক্ষা জগতত এক অপূৰণীয় ক্ষতি হ'ল।

## ৪) দীপিকা ভট্টাচাৰ্য্য ঃ

শিশু সাহিত্যিক তথা বিশিষ্টা লেখিকা দীপিকা ভট্টাচাৰ্য্যৰ যোৱা ইংৰাজী ৯ আগষ্ট, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭২ বছৰ।

১৯৩৯ চনত জন্ম গ্ৰহণ কৰা ভট্টাচাৰ্য্য ডাঙৰীয়াণীয়ে খাৰঘুলি প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষয়িত্ৰী ৰূপে অৱসৰ গ্ৰহণ কৰে। শৈশৱৰ পৰাই লেখা মেলাত ধাউতি থকা ভট্টাচাৰ্য্য ডাঙৰীয়াণীয়ে ৬০ খনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেখেতে বিভিন্ন বাতৰি কাকত তথা আলোচনীত নিয়মীয়াকৈ লেখা-মেলা কৰিছিল।

এইগৰাকী বিশিষ্টা সাহিত্যিকৰ মৃত্যুত ৰাজ্যখনৰ সাহিত্য জগতৰ এক অপূৰণীয় ক্ষতি হ'ল।

### ৫) প্ৰণৱিৰাম বৰুৱা ঃ

অসমৰ সাংস্কৃতিক জগতৰ এক উজ্জ্বল জ্যোতিষ্ক স্বৰূপ প্ৰণৱিৰাম বৰুৱাৰ যোৱা ইংৰাজী ৮ ছেপ্তেম্বৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭২ বছৰ।

প্ৰয়াত গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ বৰপুত্ৰ প্ৰণৱিৰাম বৰুৱা ডাঙৰীয়াই শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাৰ সোণাৰী অঞ্চলত ১৯৩৯ চনত জন্ম লাভ কৰিছিল। অসমৰ সংগীত জগতলৈ অভূতপূৰ্ণ বৰঙণি আগবঢ়োৱা প্ৰণৱিৰাম বৰুৱাই অসমৰ লোকসংগীত, জ্যোতি সংগীত, বনগীত, ৰাভা সংগীত আদি হেৰাই যাব ধৰা গীতবোৰ পুনৰ জীৱিত কৰি তুলিবলৈ অহৰহ চেষ্টা কৰিছিল। তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এগৰাকী বিশিষ্ট গীতিকাৰ, সুৰকাৰ হোৱাৰ উপৰিও কণ্ঠশিল্পী হিচাবেও স্বীকৃতি লাভ কৰিছিল। এক অদ্বিতীয় শিল্পী প্ৰতিভাৰ অধিকাৰী প্ৰণৱিৰাম বৰুৱা আছিল একেধাৰে গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী আৰু অভিনয় শিল্পী। অভিনয়ৰ ক্ষেত্ৰখনতো নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হোৱা প্ৰয়াত বৰুৱাদেৱ অভিনীত অসমীয়া আৰু হিন্দী ছবি দুখন ক্ৰমে 'চিৰাজ' আৰু 'তকবাল'।

অসমীয়া জাতিৰ বাবে নিষ্ঠা আৰু একাগ্ৰতাৰে সাংস্কৃতিক কৰ্মতব্ৰতী থকা এই গৰাকী বিশিষ্ট শিল্পীৰ মৃত্যুত অসমৰ সাংস্কৃতিক জগতখনত এক শূণ্যতাৰ সৃষ্টি হ'ল।

### ৬) গৌৰী দত্ত শৰ্মা শাস্ত্ৰী ঃ

বিশিষ্ট সাহিত্যিক তথা সংস্কৃত পণ্ডিত গৌৰী দত্ত শৰ্মা শাস্ত্ৰীৰ যোৱা ইংৰাজী ২৩ আগষ্ট, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি

ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৬ বছৰ।

১৯১৫ চনৰ ৭ নৱেম্বৰত জন্ম লাভ কৰা শৰ্মা ডাঙৰীয়াই ১৯৫৬ চনত গংগা পুখুৰী বৰকুৰিহা হাইস্কুলত সংস্কৃত শিক্ষক হিচাপে কৰ্ম জীৱনৰ পাতনি মেলি এগৰাকী কৃতি শিক্ষক হিচাপে অঞ্চলটোৰ ছাত্ৰ সমাজলৈ বিশেষ বৰঙণি আগবঢ়াইছিল। সংস্কৃত পণ্ডিত হিচাপে খ্যাত শৰ্মা ডাঙৰীয়াই কবিৰত্ন উপাধিৰে বিভূষিত হৈছিল। তেখেঁতে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'গীতাঞ্জলী'ৰ ভাষানুবাদ কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তোলাৰ লগতে শৰ্মা ডাঙৰীয়াই ডঃ ভৱেন্দ্ৰ নাথ শইকীয়াৰ 'অন্তৰীপ' সংস্কৃতলৈ অনুবাদ কৰাৰ লগতে 'শ্ৰীমদ্ভাগৱত গীতা'ৰ ওঠৰ হেজাৰ শ্লোক অসমীয়া ভাষালৈ অনুবাদ কৰি খ্যাতি অৰ্জন কৰিছিল। ইয়াৰ উপৰিও ব্যাখ্যাসহ কালিদাসৰ 'মেঘদূত'ৰ অনুবাদ কৰাৰ লগতে কবিতা পুথি 'পঞ্চকলি', 'পুষ্পাঞ্জলী', 'নৱজ্যোতি', আদি তেখেতৰ মৌলিক সৃষ্টি। শৰ্মা ডাঙৰীয়াই'পদ্মহংস' অমৰ কোষ', নামৰ সংস্কৃত অসমীয়া অভিধান আৰু 'সনাতন' ধৰ্মৰ মৌকোষ' সাহিত্যিক জীৱনৰ অন্যতম কীৰ্তিস্তম্ভ। তেখেতে অসমীয়া সাহিত্যক দেৱভাষাৰ জৰিয়তে সৰ্বভাৰতীয় পৰ্য্যায়লৈ নিয়াত প্ৰচেষ্টা অব্যাহত ৰাখিছিল।

এই গৰাকী বিশিষ্ট সাহিত্যিক তথা সংস্কৃত পণ্ডিতৰ মৃত্যুত ৰাজ্যখনৰ শিক্ষা জগতত এক অপূৰণীয় ক্ষতি হ'ল।

## ৭) উমা চক্ৰৱৰ্তী ঃ

সংস্কৃত সাহিত্যৰ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পণ্ডিত তথা গৱেষক 'বেদমূৰ্ত্তি', ডঃ উমা চক্ৰৱৰ্তী যোৱা ইংৰাজী ১০ ছেপ্তেম্বৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৮ বছৰ।

১৯৩৩ চনত জন্ম গ্ৰহণ কৰা ডঃ চক্ৰৱৰ্তী ডাঙৰীয়াণী

আছিল সংস্কৃত বিষয়ত পি-এইচ-ডি লাভ কৰা অসমৰ প্ৰথম মহিলা। সংস্কৃতৰ লগতে জাৰ্মান ভাষাতো ব্যুৎপত্তি থকা ডঃ চক্ৰৱৰ্তী ডাঙৰীয়াণীয়ে ১৯৯২-৯৩ চনত বাৰ্লিনৰ 'ফ্ৰেয়ী বিশ্ববিদ্যালয়'ৰ পৰা ডাদ ফেলশ্বিপৰে সন্মানিত হৈছিল। তেখেতক নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সংস্কৃত সংস্থাৰ চুড়ামনি ফেলশ্বিপ, ভাৰতীয় ইতিহাস গৱেষণা পৰিষদৰ জ্যেষ্ঠ ফেল'শ্বিপৰ উপৰি কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ণ মন্ত্ৰণালয়ৰ পৰা 'বেদমূৰ্ত্তি' উপাধিৰে বিভূষিত কৰা হৈছিল। ডঃ চক্ৰৱৰ্তী ডাঙৰীয়াণীয়ে কেইবাখনো মূল্যবান গ্ৰন্থ আৰু বহু প্ৰৱন্ধ লিখি সংস্কৃত আৰু বৈদিক সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়োৱাৰ লগতে জাৰ্মান ভাষাৰ পৰাও তেওঁ ভালেসংখ্যক চুটি গল্প অসমীয়া আৰুবাংলা ভাষালৈ অনুবাদ কৰি অসমীয়া সাহিত্য চহকী কৰি গৈছে।

এই গৰাকী বিশিষ্টা সংস্কৃত পণ্ডিতৰ মৃত্যুত ৰাজ্যখনৰ শিক্ষা জগতত এক শূণ্যতাৰ সৃষ্টি হ'ল।

### ৮) মনোময় গঁগৈ ঃ

বিশিষ্ট অভিনেতা, চিত্ৰনাট্যকাৰ তথা পৰিচালক মনোময় গঁগৈৰ যোৱা ইংৰাজী ৬ ছেপ্তেম্বৰ, ২০১১ তাৰিখে পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৩৯ বছৰ।

১৯৭২ চনত জন্ম গ্ৰহণ কৰা গঁগৈ ডাঙৰীয়া এগৰাকী প্ৰতিভাশীল চিত্ৰ নাট্যকাৰ হোৱাৰ উপৰি এজন সুদক্ষ মঞ্চ অভিনেতা আছিল। তেখেতে বহুকেইখন চলচ্চিত্ৰত সহকাৰী পৰিচালক হিচাপে কাম কৰাৰ লগতে নিজা প্ৰযোজনাৰে কেইবাখনো তথ্যচিত্ৰ

আৰু ধাৰাবাহিক নিৰ্মাণ কৰে। বহুমুখী প্ৰতিভাৰ গৰাকী গগৈ ডাঙৰীয়াই 'সমীৰণ বৰুৱা আহি আছে', ছবিখনত অভিনয় কৰিছিল। তেখেতে দূৰদৰ্শনৰ 'প্ৰডিউচাৰ কাউন্সিল অৱ আছাম' সংস্থাৰ সাংগঠনিক সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

এইগৰাকী সংস্কৃতি জগতৰ বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তিৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

৯) বিক্ৰম হাজৰিকা ঃ

বিশিষ্ট অভিনেতা বিক্ৰম হাজৰিকাৰ যোৱা ইংৰাজী ৩১ আগষ্ট, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

নগাঁওত জন্ম গ্ৰহণ কৰা হাজৰিকা ডাঙৰীয়াই চন্দ্ৰ মুদৈ পৰিচালিত 'ৰণাঙ্গিণী' নামৰ অসমীয়া বোলছবি খনৰ জৰিয়তে ছবি জগতত আত্ম প্ৰকাশ কৰি পৰৱৰ্তী সময়ত 'মৰম নদীৰ গাভৰু ঘাট', 'পত্নী', 'অন্য এক যাত্ৰা', 'বৈভৱ', 'অধিনায়ক', আদিকে ধৰি বহুকেইখন অসমীয়া কথাছবিত অভিনয় কৰিছিল। কেৱল অসমীয়া চলচ্চিত্ৰ, নাটকত পৰিসীমিত হৈ নথকা হাজৰিকা ডাঙৰীয়াই 'অন্তিম যাত্ৰা', 'প্ৰতিপদ', 'অনুভৱ', 'জংচন' আদি কেইবাখনো দূৰদৰ্শনৰ চুটি ছবি, ধাৰাবাহিকৰ উপৰি 'পিঞ্জৰা', 'কিবা এটা কৰি আছো' আদি দূৰদৰ্শনৰ কমিছনড্ প্ৰগ্ৰেমত অভিনয় কৰিছিল। তেখেতে নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা সময়তে গুৱাহাটী মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিছিল।

এইগৰাকী বিশিষ্ট অভিনেতাৰ মৃত্যুত আমাৰ ৰাজ্যখনৰ সাংস্কৃতিক জগতত এক অপূৰণীয় ক্ষতি হ'ল।

### ১০) নীলিমা দাস ঃ

বিশিষ্ট অভিনেত্ৰী নীলিমা দাসৰ যোৱা ইংৰাজী ২ আগষ্ট, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮০ বছৰ।

১৯৩১ চনত তিতাবৰত জন্ম গ্ৰহণ কৰা দাস ডাঙৰীয়াণীয়ে শৈশৱৰ পৰাই শিল্প সাধনাত ব্ৰতী হৈ অসমীয়া বোলছবি জগতৰ জন্মলগ্নৰ ইতিহাসৰ পুৰোধাসকলৰ অন্যতম আছিল। তেখেতে 'মনোমতী' বোলছবিত মনোমতীৰ চৰিত্ৰত অভিনয় কৰি অসমবাসীৰ হিয়াৰ আমঠু হৈ পৰিছিল। দাস ডাঙৰীয়াণীয়ে অসম কৃষি বিশ্ববিদ্যালয়ৰ এনাটমিলজী বিভাগত কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতে অভিনয়ৰ যোগেদি অসমীয়া সাংস্কৃতিক জগতলৈ এক অনৱদ্য বৰঙণি আগবঢ়াইছিল।

এইগৰাকী বিশিষ্ট অভিনেত্ৰীৰ মৃত্যুত ৰাজ্যখনৰ সাংস্কৃতিক জগতত এক অপূৰণীয় ক্ষতি হ'ল।

### ১১) বৰেন্দ্ৰ নাথ বৰকটকী ঃ

বিশিষ্ট শিশু সাহিত্যিক বৰেন্দ্ৰ নাথ বৰকটকীৰ যোৱা ইংৰাজী ২৯ জুলাই ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮০ বছৰ।

১৯৩১ চনত তিনিচুকীয়াত জন্ম গ্ৰহণ কৰা বৰকটকী ডাঙৰীয়াই ৰাজ্য চৰকাৰৰ সমবায় বিভাগৰ উপ পঞ্জীয়ক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিছিল। তেখেতে ৰচিত শিশু সাহিত্য অসমবাণী, সাদিন, সঁফুৰাকে আদি কৰি অসমীয়া বিভিন্ন কাকত-আলোচনীত লিপিবদ্ধ হৈ আছে। সাহিত্য অকাডেমী বঁটাৰ বাবে

অসমীয়া শিশু সাহিত্যিক মনোনীত কৰাৰ ক্ষেত্ৰত বাছনি সমিতিৰ অন্যতম সদস্য আছিল বৰকটকী ডাঙৰীয়া।

এই গৰাকী বিশিষ্ট শিশু সাহিত্যিকৰ মৃত্যুত আমাৰ সাহিত্য জগতত এক অপূৰণীয় ক্ষতি হ'ল।

## ১২) তৃষ্ণা মহন্ত ঃ

বিশিষ্ট অৰ্থনীতিবিদ তথা কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা তৃষ্ণা মহন্তৰ যোৱা ইংৰাজী ২৯ জুলাই, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৩ বছৰ।

প্ৰয়াত মহন্ত ডাঙৰীয়াণীয়ে কটন মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰৱক্তা হিচাপে কৰ্ম জীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত সহকাৰী অধ্যাপিকা আৰু পিছত অধ্যক্ষা হিচাপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। তেখেতে অৰ্থনীতি বিষয়ত কেইবাখনো কিতাপ ৰচনা কৰিছিল।

এইগৰাকী বিশিষ্ট অৰ্থনীতিবিদৰ মৃত্যুত ৰাজ্যখনৰ শিক্ষা জগতত এক অপূৰণীয় ক্ষতি হ'ল।

## ১৩) জয়ন্ত কুমাৰ বৰুৱা ঃ

প্ৰবীণ মুক্তিযোদ্ধা, বিশিষ্ট চাহ খেতিয়ক তথা অভিনেতা জয়ন্ত কুমাৰ বৰুৱাৰ যোৱা ইংৰাজী ২৮ চেপ্তেম্বৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৪ বছৰ।

১৯২৭ চনত শিৱসাগৰত জন্ম গ্ৰহণ কৰা বৰুৱা ডাঙৰীয়াই অসমৰ প্ৰথম টি টেষ্টাৰ হিচাপে স্বীকৃতি লাভ কৰাৰ উপৰি চাহ খেতিৰ লগতে সাংস্কৃতিক জগতখনৰ সৈতেও ওতঃপ্ৰোত ভাৱে

জড়িত আছিল। তেখেত এগৰাকী মুক্তিযুঁজাৰু হিচাপে ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় ভাবে যোগদান কৰি কেইবাবাৰো কাৰাবৰণ হ'বলগীয়া হৈছিল। বৰুৱা ডাঙৰীয়াই অসমীয়া বোলছবি 'জয়মতী'ত শিশু শিল্পী ৰূপে আত্ম প্ৰকাশ কৰি পৰৱৰ্তী সময়ত কেইখনো তথ্যচিত্ৰ আৰু নাটকৰ সৃষ্টিৰে সাংস্কৃতিক জগতখনত বিশেষ অৰিহণা আগবঢ়াই গৈছে। তেখেতে ভাৰতীয় চাহ বৰ্ডৰ সঞ্চালক পদত অধিষ্ঠিত হোৱাৰ লগতে ইষ্টাৰ্ণ টী-ব্ৰ'কাৰ্ছ প্ৰাইভেট লিমিটেড আৰু বৰুৱা নগৰ চাহবাগিছা নামৰ দুটা চাহ কোম্পানী গঢ় দি বহুতো নিবনুৱাক আত্মসংস্থাপন দিছিল।

এইগৰাকী প্ৰবীণ মুক্তিযোদ্ধা তথা বিশিষ্ট চাহ খেতিয়কৰ মৃত্যুত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

### ১৪) তাৰা প্ৰসাদ বৰঠাকুৰ ঃ

প্ৰবীণ মুক্তিযোদ্ধা, সৰ্বভাৰতীয় মুক্তিযুঁজাৰু সন্মিলনৰ উপ-সভাপতি তথা সমাজ কৰ্মী তাৰাপ্ৰসাদ বৰঠাকুৰৰ যোৱা ইংৰাজী ২৯ ছেপ্তেম্বৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৪ বছৰ।

১৯১৭ চনত জন্ম গ্ৰহণ কৰা বৰঠাকুৰ ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় যোগদান আগবঢ়াই কাৰাবাস খাটিবলগীয়া হৈছিল। বৰঠাকুৰ ডাঙৰীয়াই অসম মুক্তিযুঁজাৰু সন্মিলনৰ যুটীয়া সম্পাদক তথা উপ-সভাপতি হোৱাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ ৰাজনৈতিক পেঞ্চন উপদেষ্টা সমিতিৰ সদস্য আৰু সৰ্বভাৰতীয় মুক্তিযুঁজাৰু সন্মিলনৰ উপ-সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

১৯৭২ চনত তেখেতক ভাৰত চৰকাৰে তাম্ৰ পত্ৰ প্ৰদান কৰি সন্মানিত কৰিছিল। ২০০৫ চনত বৰঠাকুৰ ডাঙৰীয়াক সদৌ ভাৰত মুক্তিযোদ্ধা সমিতিয়ে ৰাষ্ট্ৰ বীৰ উপাধিৰে বিভূষিত কৰে আৰু ২০০৬ চনত ভাৰতৰ ৰাষ্ট্ৰপতি এ-পি-জে আব্দুল কালাম ডাঙৰীয়াই তেখেতক মান পত্ৰৰ সৈতে সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

এইগৰাকী প্ৰবীন মুক্তিযোদ্ধা তথা নিষ্ঠাবান সমাজ কৰ্মীৰ মৃত্যুত আমাৰ ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**১৫) উত্তম বৰুৱা ঃ**

বিশিষ্ট নাট্যকাৰ তথা সাহিত্যিক উত্তম বৰুৱাৰ যোৱা ইংৰাজী ৩ অক্টোবৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭২ বছৰ।

প্ৰয়াত বৰুৱা ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই সাহিত্যত মনোনিবেশ কৰি বহু কেইখন নাট ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। বৰুৱা ডাঙৰীয়াই ২০০০ চনত আমেৰিকান বায়'গ্ৰাফিকেল ইনষ্টিটিউচনৰ পৰা বছৰটোৰ শ্ৰেষ্ঠ ব্যক্তি হিচাপে সন্মানিত হৈছিল। তদুপৰি কলকাতাৰ ৰাজা ৰামমোহন ৰায় ফাউণ্ডেচনৰ সদস্য হিচাপেও মনোনীত হৈছিল। তেখেতে ৰাজ্য চৰকাৰৰ সাহিত্যিক পেন্সনেৰেও সন্মানিত হৈছিল। বৰুৱা ডাঙৰীয়াই বিশেষকৈ বুৰঞ্জীমূলক নাটকেৰে সমাজলৈ এক জোৱাৰ অনাৰ চেষ্টা অব্যাহত ৰাখিছিল।

এইগৰাকী বিশিষ্ট নাট্যকাৰ তথা সাহিত্যিকৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

### ১৬) কমল গগৈঃ

বিশিষ্ট সাংবাদিক, সাহিত্যিক, মুক্তিযোদ্ধা কমল গগৈৰ যোৱা ইংৰাজী ৫ অক্টোবৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৬ বছৰ।

১৯২৫ চনত জন্ম গ্ৰহণ কৰা গগৈ ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই বিভিন্ন কাকত, আলোচনীৰ সৈতে জড়িত থকাৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলনতো সক্ৰিয় অৱদান আগবঢ়াইছিল। তেখেতে দৈনিক অসমীয়া কাকতৰ জৰিয়তে সাংবাদিক হিচাপে আত্ম প্ৰকাশ কৰি পৰৱৰ্তী সময়ত 'সাপ্তাহিক প্ৰহৰী' আৰু সাপ্তাহিক বুধবাৰ' কাকতৰ সম্পাদক, 'নতুন অসমীয়া' কাকতৰ সহকাৰী সম্পাদক, 'দৈনিক অসম কাকতৰ উপ-সম্পাদক হিচাপে দায়িত্ব পালন কৰিছিল। আছাম ইউনিয়ন অব ৰ্কিং জাৰ্নেলিষ্টৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰা গগৈ ডাঙৰীয়াই ভালেসংখ্যক গল্প আৰু উপন্যাস ৰচনা কৰিছিল।

এইগৰাকী বিশিষ্ট সাংবাদিক তথা সাহিত্যিকৰ মৃত্যুত ৰাজ্যখনৰ সংবাদ জগতত এক অপূৰণীয় ক্ষতি হ'ল।

### ১৭) পদ্মৰাম শালৈঃ

বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক তথা সমাজকৰ্মী পদ্মৰাম শালৈৰ যোৱা ইংৰাজী ৫ অক্টোবৰ ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮১ বছৰ।

১৯৩০ চনত জন্ম গ্ৰহণ কৰা শালৈ ডাঙৰীয়াই ৰাজ্য চৰকাৰৰ পৰা সাহিত্যিক হিচাপে স্বীকৃতি লাভ কৰাৰ উপৰি এগৰাকী সুদক্ষ অধ্যক্ষ হিচাপে ৰাজ্যিক বঁটাৰে পুৰস্কৃত হৈছিল। তেখেতে ভালেসংখ্যক গ্ৰন্থ ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি ৰাজ্য চৰকাৰৰ পৰা

সাহিত্যিক পেঞ্চনেৰেও সন্মানিত হৈছিল। শালৈ ডাঙৰীয়াৰ কেইবাখনো পুথি বিশ্ববিদ্যালয় তথা উচ্চ মাধ্যমিক পর্যায়ত পাঠ্যপুথি হিচাপে প্রচলিত হৈ আছে।

এইগৰাকী বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিকৰ মৃত্যুত ৰাজ্যখনৰ শিক্ষা জগতত এক অপূৰণীয় ক্ষতি হ'ল।

**১৮) হৰেন্দ্ৰ দেৱগোস্বামী ঃ**

বিশিষ্ট সাহিত্যক, সাংবাদিক তথা সমাজকর্মী হৰেন্দ্র দেৱ গোস্বামীৰ যোৱা ইংৰাজী ২.২ ছেপ্তেম্বৰ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৪বছৰ ১৯২৭ চনত জন্ম গ্ৰহণ কৰা দেৱ গোস্বামী ডাঙৰীয়াই বহুকেইখন গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য জগতলৈ অনবদ্য অৰদান আগবঢ়াই থৈ গৈছে। দেৱগোস্বামী ডাঙৰীয়া শিশু সাহিত্যক হিচাপেও পৰিচিত আছিল। তেখেতে 'দৈনিক অসম' কাকতৰ জন্মলগ্নৰে পৰা উত্তৰ লক্ষীমপুৰৰ সংবাদ দাতা হিচাপে সুদীৰ্ঘ কাল সেৱা আগবঢ়াইছিল। দেৱগোস্বামী ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাবে জড়িত থাকি নিষ্ঠাৰে সেৱা আগবঢ়াইছিল। এই গৰাকী বিশিষ্ট সাহিত্যিক, সাংবাদিক তথা সমাজকর্মীৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয়া ক্ষতি হ'ল।

**১৯) মণিদ্বীপ বড়ো ঃ**

জ্যেষ্ঠ সাংবাদিক তথা কোকৰাঝাৰ জিলাৰ নিউজ লাইভ চেনেলৰ স্থানীয় সংবাদ দাতা মণিদ্বীপ বড়োৰ যোৱা ইংৰাজী ৩ অক্টোবৰ ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৪০ বছৰ।

প্ৰয়াত বড়ো ডাঙৰীয়া নিউজ লাইভৰ উপৰি 'দ্য চেণ্টিনেল', 'দ্য নৰ্থ ইষ্ট টাইমছ', এন-ই-টিভি, ইষ্টাৰ্ণ ক্ৰনিকেল আৰু বডোচ্চা নামৰ বড়ো দৈনিক বাতৰি কাকতৰ সৈতেও জড়িত আছিল। তেখেত সংবাদ সেৱাৰ সৈতে সক্ৰিয় ভাবে জড়িত থাকি একান্ত নিষ্ঠা আৰু দায়বদ্ধতাৰে সমাজৰ কল্যাণৰ হকে সেৱা আগবঢ়াইছিল।

এইগৰাকী জ্যেষ্ঠ সাংবাদিকৰ মৃত্যুত ৰাজ্যখনৰ সংবাদ জগতৰ এক অপূৰণীয় ক্ষতি হ'ল।

অলপতে হৈ যোৱা ভূমিকম্প তথা আন প্ৰাকৃতিক দুৰ্যোগত অকাল বিয়োগ ঘটা ব্যক্তি সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰি লগতে পৰিয়াল বৰ্গলৈ সমবেদনা জনোৱা হ'ল।

এতিয়া ইয়াত উল্লেখিত প্ৰয়াত ব্যক্তিসকলৰ পবিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহী আত্মাৰ সদ্গতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো।

সদন অনিৰ্দিষ্ট কাললৈ স্থগিত থাকিল।

## ADJOURNMENT

**The House then stood adjourned sine die at 1-52PM.**

**DISPUR :**
**The 17th October, 2011**

**G. P. DAS**
**Principal Secretary,**
**Assam Legislative Assembly**